
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


**দিগ্‌দৰ্শন**



আপোনাৰ হাতত থকা কামটোতে সমস্ত মনযোগ দিয়ক। কিয়নো এটা বিন্দুত উপনীত নোহোৱা পৰ্যন্ত সূৰ্যৰ ৰশ্মিয়ে জ্বলাব নোৱাৰে।

আলেকজেণ্ডাৰ গ্ৰাহাম বেল
*ব্ৰিটিছ উদ্ভাৱক*


www.dainikagradoot.in



৭ ইউক্ৰেইনৰ ভূমিত নিয়োগ নকৰে মাৰ্কিন সেনা
১৫ স্বাধীনতা দিৱস কাপত এএছইবি চেম্পিয়ন
৪ ভাইৰাছৰ পৰা মুক্তি কেতিয়া আৰু কেনেকৈ?



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৬৫তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২৪ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১১ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 11 December 2021 মূল্য ঃ ৯.০০ টকা


চৰকাৰৰ কেবিনেট বৈঠকৰ সিদ্ধান্তৰ ভিত্তিত উচ্চ ন্যায়ালয়ৰ ৰায়

জানুৱাৰীত অনুষ্ঠিতব্য মূল পৰীক্ষাত নাথাকে ৰাজ্যভাষাৰ প্ৰশ্নকাকত

## ছহিদ দিৱসৰ দিনাই এপিএছচিত অসমীয়াৰ প্ৰশ্নকাকত বাতিল


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** পশ্চিমবংগ, তামিলনাডু চৰকাৰে নিজ নিজ ৰাজ্য ভাষাৰ পৰীক্ষাত উত্তীৰ্ণসকলহে ৰাজ্য চৰকাৰৰ চাকৰিৰ বাবে যোগ্য হ'ব বুলি সিদ্ধান্ত লোৱাৰ সময়তে অসমত আজিৰ পৰা ৰাজ্য ভাষা নজনাসকলো অসম লোকসেৱা আয়োগৰ (এ পি এছ চি)ৰ চাকৰিৰ বাবে যোগ্য হ'ব। জাতি-ভাষা ৰক্ষাৰ লক্ষ্যৰে হোৱা অসম আন্দোলনত জীৱন আহুতি দিয়াসকলক স্মৰণ কৰা আজিৰ ছহিদ দিৱসৰ দিনটোতে ৰাজ্য চৰকাৰৰ সিদ্ধান্তৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰায় দিয়ে যে অহা জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া অসম লোকসেৱা আয়োগৰ মূল পৰীক্ষাত ভাষা বিষয়ৰ কাকত নাথাকিব। সেই অনুসৰি মূল *দুই পৃষ্ঠাত চাওক*

■ বনৰক্ষী বাহিনীৰ গুলিত থিতাতে নিহত দুবছৰীয়া শিশু, ডিঙিত গুলিবিদ্ধ হৈ জি এম চি হাস্পতালত মৃত্যুৰে যুঁজিছে মাতৃয়ে ■ উত্তেজিত ৰাইজৰ ঘাইপথ অৱৰোধ ■ ডি এফ অ'ক আবদ্ধ কৰি ৰাখিলে

## বন্যহস্তী খেদিবলৈ গৈ গুলীয়াই মাৰিলে কন্যা শিশুক



**অগ্ৰদূত বাৰ্তা**
**বকো, ১০ ডিচেম্বৰ ঃ** বন্যহস্তীৰ জাক প্ৰত্যক্ষ কৰি ঘৰলৈ ওভতাৰ পথত বন সুৰক্ষা বাহিনীৰ গুলিত এটি দুবছৰীয়া কন্যা শিশুৰ থিতাতে মৃত্যু হোৱাৰ লগতে তেওঁৰ মাতৃ গুৰুতৰভাৱে আহত হোৱা ঘটনাই তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে কামৰূপ জিলাৰ বকোত। ডিঙিত গুলিবিদ্ধ মহিলাগৰাকীক সংকটজনক অৱস্থাত জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। বিগত দুই-তিনিমাহ ধৰি বৃহত্তৰ বকোৰ বন্দাপাৰা অঞ্চলত খাদ্যৰ সন্ধানত জনাঞ্চলত প্ৰৱেশ কৰা ৩৫-৪০টা বন্যহস্তীৰ জাকে উপদ্ৰৱ চলাই আহিছে। বন্যহস্তীৰ জাকটোৱে এফালৰ পৰা খেতিপথাৰ তহিলং কৰি আহিছে। আতংকত বিনিদ্ৰ ৰজনী কটাইছে গাঁওবাসীয়ে। পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত বকো বন্দাপাৰাৰ চেখাদাবীৰ পথাৰত আজিও বন্যহস্তীৰ জাকটোৱে প্ৰৱেশ কৰে। বন্যহস্তীৰ জাকটোক স্থানীয় ৰাইজে খেদি পঠোৱাৰ ব্যৱস্থা কৰাৰ লগতে চাবলৈ *আঠ পৃষ্ঠাত চাওক*



## নলবাৰীত চোৰাং গৰুসহ মিনি ট্ৰাক জব্দ, চালকৰ পলায়ন

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১০ ডিচেম্বৰ ঃ** ৰাজ্যত গো সৰবৰাহ বন্ধৰ বাবে ৰাজ্য চৰকাৰে গো সংৰক্ষণ আইন বলৱতৰ পাছতো অব্যাহত আছে গৰুৰ চোৰাং বেহা। নলবাৰী জিলাৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গণেশ মন্দিৰৰ *দুই পৃষ্ঠাত চাওক*

## বোকাজান-খটখটীত হেৰ'ইন-অবৈধ সুৰা জব্দ

**অগ্ৰদূত বাৰ্তা**
**বোকাজান, ১০ ডিচেম্বৰ ঃ** কাৰ্বি আংলং জিলাৰ খটখটী থানাৰ অন্তৰ্গত অসম-নগালেণ্ড সীমান্ত লাহৰীজান অঞ্চলত অভিযান চলাই আজি আৰক্ষীয়ে নিষিদ্ধ হেৰ'ইনসহ এজন লোকক আটক কৰে। বোকাজান *দুই পৃষ্ঠাত চাওক*

■ নিৰ্বাচনী ইছ্যু হৈ ৰ'ল ছয় জনগোষ্ঠীৰ জনজাতিকৰণ ■ ২০০৪তে গঠন হৈছিল ঐক্যমঞ্চৰ ■ আন্দোলনৰ নেতৃত্ব বহনকাৰীসকল এতিয়া ৰাজনৈতিক দলত ■ ৰাইজে বিশ্বাসত ল'ব কাক?

# মাথোঁ প্ৰতিশ্ৰুতিত উকলিল ১৭ বছৰ



*সৰ্বাধিনায়ক বিপিন ৰাৱট আৰু পত্নীৰ শৱদেহত অন্তিম শ্ৰদ্ধা জ্ঞাপন দুই কন্যাৰ, নতুন দিল্লীত শুকুৰবাৰে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণ। ৰাজ্যৰ প্ৰতিটো নিৰ্বাচনৰ আগমুহূৰ্তত ইছ্যু হৈ পৰা আহোম, চুতীয়া, কোচ ৰাজবংশী, মৰাণ, মটক আৰু চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো আন সময়ছোৱাত ৰজাঘৰৰ বাবে অপ্ৰাসংগিক হৈ পৰে। সদিচ্ছাৰ অভাৱত আলোচনা-আন্দোলনৰ মাজেৰে যোৱা ১৭টা বছৰ শাসক-বিৰোধী প্ৰতিটো ৰাজনৈতিক দলৰ বাবে কেৱল ইছ্যু হৈ ৰ'ল ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগ। ২০০৪ত ছয় জনগোষ্ঠীয় ঐক্যমঞ্চ গঠন হোৱাৰ পাছত এই সুদীৰ্ঘ পৰিক্ৰমাত কংগ্ৰেছ-বিজেপি যি দলৰে চৰকাৰে নহওক কিয় কেৱল মাত্ৰ নিৰ্বাচনৰ প্ৰাক্কণত বিষয়টো আলোচনাৰ মজিয়াত উত্থাপিত হয় কেৱল ভোটৰ স্বাৰ্থত। বিষয়টো মীমাংসা নকৰি ভোট আদায়ৰ আহিলাৰূপে ব্যৱহাৰ কৰি অহা হৈছে বুলিও বিভিন্ন সময়ত অভিযোগ উত্থাপিত হৈ আহিছে। একেদৰে এই আন্দোলনৰ গুৰি ধৰোতাসকলৰ অধিকাংশই শাসক-বিৰোধী বিভিন্ন ৰাজনৈতিক দলত চামিল হৈ পদ দখল কৰাৰ পাছত সমগ্ৰ বিষয়টোৱে গভীৰ অনিশ্চয়তালৈ গতি কৰা বুলি সৰ্বত্ৰে চৰ্চা চলিছে। উল্লেখ্য যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী ৰজাঘৰত সজোৰে উত্থাপনৰ লক্ষ্যৰে ২০০৪ত *১০ পৃষ্ঠাত চাওক*

■ সিদ্ধান্ত ৰাজ্যিক কেবিনেটৰ ■ নখন মহিলা মহাবিদ্যালয়-ছখন আদৰ্শ মহাবিদ্যালয়-তিনিখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ বাবে ৪৭৫.৩৯ কোটি টকাৰ অনুমোদন

## ৫০ শতাংশ পৌৰ আসন মহিলালৈ সংৰক্ষণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** গুৱাহাটী পৌৰ নিগমৰ লগতে আগন্তুক বৰ্ষত অনুষ্ঠিত হ'বলগীয়া পৌৰ নিৰ্বাচনত প্ৰতিখন পৌৰসভাৰে ৫০ শতাংশ ৱাৰ্ড মহিলাৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত হ'ব। এই সংৰক্ষণ অহা ১০ বছৰলৈ অব্যাহত থাকিব বুলি আজি অসম চৰকাৰৰ কেবিনেট বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে অহা ফেব্ৰুৱাৰীত ৰাজ্যত পৌৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। দিছপুৰত অনুষ্ঠিত এই বৈঠকৰ তথ্য ৰাজ্য চৰকাৰৰ মুখপাত্ৰ পীযুষ হাজৰিকাই সদৰী কৰাৰ লগতে অন্যান্য সিদ্ধান্তসমূহো দাঙি ধৰে। বৈঠকত শিক্ষা, জলজীৱন, উদ্যোগ আদি বিষয়তো কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। *আঠ পৃষ্ঠাত চাওক*

একেখন চিতাতে দম্পতী ■ ১৭টা টোপধ্বনিৰে সম্পূৰ্ণ সামৰিক মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া

## চকুলো টুকি চিৰ বিদায় সৰ্বাধিনায়ক ৰাৱটক



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১০ ডিচেম্বৰ ঃ** চকুলো টুকি দেশবাসীয়ে বিদায় জনালে ভাৰতৰ প্ৰথমজন সেনা সৰ্বাধিনায়ক অৰ্থাৎ চীফ অৱ ডিফেন্স ষ্টাফ (চিডিএছ) জেনেৰেল বিপিন ৰাৱটক। দিল্লীৰ ব্ৰাৰ স্কোৱেৰৰ সমাধিস্থলীত সম্পূৰ্ণ সামৰিক মৰ্যাদাৰে আজি সন্ধিয়া একেখন চিতাতে ৰখা হ'ল ৰাৱট আৰু তেওঁৰ পত্নী মধুলিকাৰ শৱদেহ। ১৭টা টোপধ্বনিৰে শেষ শ্ৰদ্ধা জনোৱা হয় তেওঁলোকক। দুই কন্যা ক্ৰীতিকা আৰু তাৰিণীয়ে শেষকৃত্য সম্পন্ন কৰে। এই অন্তিম সৎকাৰৰ এঘণ্টা পাছতে একেটা সমাধিস্থলতে তেওঁৰ অন্যতম সহযোগী ব্ৰিগেডিয়াৰ এল এছ লিদ্দাৰৰো শেষকৃত্য সম্পন্ন কৰা হয়। চিতাৰ জুইৰ লগে লগে ১৭টা টোপধ্বনিৰে ৰাৱটলৈ শেষ শ্ৰদ্ধা জনোৱা হয়। এই শেষকৃত্যত নিৰ্ধাৰিত প্ৰট'কল অনুসৰি আঠশজন *দুই পৃষ্ঠাত চাওক*

## পূৰ্বতকৈ ভয়ংকৰ হ'ব 'কা' আন্দোলন ঃ ৰাণা প্ৰতাপ

**বিশেষ সংবাদদাতা**
**পাঠশালা, ১০ ডিচেম্বৰ ঃ** বজালী জিলাৰ সদৰ পাঠশালাৰ আজাদ ভৱনত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সৌজন্যত আৰু বজালী জিলা সমিতিৰ উদ্যোগত কেন্দ্ৰীয় ছহিদ দিৱস উদ্‌যাপন কৰা হয়। ছহিদ দিৱস উপলক্ষে পুৱা পতাকা উত্তোলন কৰে পৰিষদৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱাই। অসম আন্দোলনৰ ৮৫৫ গৰাকী ছহিদৰ বেদীত *১০ পৃষ্ঠাত চাওক*

■ ছহিদ দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ■ 'অসম আন্দোলনৰ তথ্যকোষ' দ্বিতীয় আৰু তৃতীয় খণ্ড উন্মোচন ■ মুকলি কৰিলে সাহায্য নিধি

## শত শত ছহিদৰ তেজৰ বিনিময়তো অসমীয়া আজিও সুৰক্ষিত নহ'ল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** 'নিজৰ জাতি-ভেটিক বচাবলৈ অসমীয়াৰ বাহিৰে আন কোনো জাতিয়ে ইমান সংগ্ৰাম কৰিবলগীয়া হোৱা নাই। শত শত ছহিদৰ তেজৰ বিনিময়তো অসমীয়া জাতি আজিও সুৰক্ষিত নহ'ল। অসম আন্দোলনৰ সূচনা হোৱা ১৯৭৯তকৈ আজি আমি বেছি অসুৰক্ষিত। আজি অসমৰ ৪০ শতাংশ ভূমিয়ে আগ্ৰাসনৰ কবলত পৰিছে। অসমীয়াৰ হাতৰ পৰা অৰ্থনৈতিক ক্ষমতা আঁতৰি গৈছে। ৰাজনৈতিকভাৱেও গভীৰ প্ৰত্যাহ্বান আহিছে। এনে জটিল সন্ধিক্ষণত *১০ পৃষ্ঠাত চাওক*



নগাঁৱত কৃষকৰ হাহাকাৰ ■ মধ্যভোগীৰ মইমতালিত ক্ষোভ প্ৰকাশ

## এমএছপি ধোঁৱাচাঙত ঃ শালি ধানৰ উচিত মূল্য নাপাই মূৰে-কপালে হাত

**বিশেষ সংবাদদাতা**
**নগাঁও, ১০ ডিচেম্বৰ ঃ** ধানৰ খেতি কৰা কৃষকসকলক সকাহ দিবলৈকে কেন্দ্ৰীয় চৰকাৰে প্ৰতি কুইন্টল ধানৰ ন্যূনতম সমৰ্থিত মূল্য (এমএছপি) ১,৮৬৮ টকা নিৰ্ধাৰণ কৰিছে যদিও নগাঁও জিলাৰ বিভিন্ন বজাৰত ধানৰ দাম যথেষ্ট কম হোৱাত এতিয়া মূৰে কপালে হাত দিবলগীয়া হৈছে জিলাখনৰ কৃষক ৰাইজে। কৃষি প্ৰধান জিলা নগাঁৱৰ সৰ্বমুঠ কৃষি ভূমি এক লাখ ৩২ হেজাৰ ৪৩৯ হেক্টৰ। ইয়াৰে ৫৭.৮৪ শতাংশ ভূমিতেই কৃষকে শালি আৰু বৰো ধানৰ খেতি কৰে। জিলাখনৰ অধিকাংশ কৃষকৰ বাবেই এই ধান খেতিয়েই প্ৰধান খেতি। বিশেষকৈ শালি ধানৰ খেতি। এইবাৰ জিলাখনৰ দুই লক্ষাধিক কৃষকে হাড়ভঙা পৰিশ্ৰমেৰে নিজা পথাৰত বৰো আৰু শালি ধানৰ খেতি কৰিছিল। বিভিন্ন ঠাইত এই ধান খেতি খুবেই ভাল হৈছিল। সেয়েহে কৃষক ৰাইজৰ মুখত হাঁহি বিৰিঙিছিল। *দুই পৃষ্ঠাত চাওক*

## ছহিদৰ ত্যাগক অগপই কেতিয়াও অথলে যাবলৈ নিদিয়ে ঃ বৰা

অগপৰ ৰাজনীতি পৃথক হ'ব লাগিব

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** 'বনৰীয়া হাতীক ঘৰচীয়া হাতীৰেহে বলাব পৰা যায়। এই লক্ষ্য আগত ৰাখিয়েই বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ধৰ্ম নিৰ্বিশেষে অসমৰ ৰাইজে একক প্ৰচেষ্টাৰে জন্ম দিছিল অসম গণ পৰিষদক। এদিন চৰকাৰতো অধিষ্ঠিত কৰিছিল দলটোক। মানুহে ভুল কৰে আৰু সেই ভুলে আকৌ ভুল নকৰিবলৈ শিকায়। কাৰোবাৰ দৃষ্টিত আমি ভুল কৰিছো যদিও আমি অনুভৱ কৰো দলে সময়ৰ লগত খোজ মিলাই আগুৱাই যাবলৈ *আঠ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ১৬° |
| ডিব্ৰুগড় | ২৭° | ১৬° |
| দিল্লী | ২২° | ১০° |
| কলকাতা | ২৪° | ১৯° |
| মুম্বাই | ৩৪° | ২৪° |
| চেন্নাই | ৩১° | ২৫° |
| বাংগালুৰু | ২৭° | ১৮° |
| শ্বিলং | ১৬° | ০৮° |

*১০ ডিচেম্বৰ, ২০২১*

কাৰাগাৰত সোমাল কবি প্ৰণৱ কুমাৰ বৰ্মন

## কাৰাগাৰত থকাৰ অভিজ্ঞতা সকলোৱে নাপায়, আপোনালোকে ভাগ্যবান



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১০ ডিচেম্বৰ ঃ** কাৰাগাৰৰ আলহী হ'ল জনপ্ৰিয় কবি, লেখক তথা ছবি পৰিচালক প্ৰণৱ কুমাৰ বৰ্মন। অৱশ্যে কোনো কয়দী বা জেল হাজোতী হিচাপে নহয়, কয়দীসকলক উৎসাহ দিবলৈ থিয় দিলে কবি-লেখকজন। কাৰাগাৰৰ কয়দী বুলিলে অধিকাংশ লোকে একপ্ৰকাৰ নাক কোচায় যদিও কবি প্ৰণৱ কুমাৰে ইয়াক চিত্ত শুদ্ধি কেন্দ্ৰ বুলি অভিহিত কৰি কয়দীসকলৰ মাজত প্ৰায় চাৰি ঘণ্টা সময় অন্তৰংগ আলাপত মিলিত হয়। অন্তৰংগ আলাপত তেওঁ কয়, 'আজিকালি কাৰাগাৰবোৰ কাৰাগাৰ *১০ পৃষ্ঠাত চাওক*

নলবাৰীত আছুৰ কেন্দ্ৰীয় ছহিদ দিৱসত সমুজ্জ্বলৰ পুৰণি হুংকাৰ

## অসম চুক্তি আখৰে আখৰে পালন নোহোৱা পৰ্যন্ত আমি ক্ষান্ত নহওঁ



**বিশেষ সংবাদদাতা**
**নলবাৰী, ১০ ডিচেম্বৰ ঃ** এখন বিদেশীমুক্ত অসম গঢ়াৰ স্বপ্নৰে সদৌ অসম ছাত্ৰ সন্থাই যি ছবছৰীয়া আন্দোলন কৰিছিল তাত আজিৰ দিনটোতে প্ৰথম ছহিদ হ'ব লগা হৈছিল সেই সময়ৰ ছাত্ৰ নেতা ভৱানীপুৰৰ খৰ্গেশ্বৰ তালুকদাৰ। তাৰ পাছৰে পৰা ৰাষ্ট্ৰ ব্যৱস্থাৰ বলি হৈ বিভিন্ন সময়ত ৮৬০ জনকৈ অসমীয়া যুৱক ছহিদ হ'ব লগা হয়। এইসকল ছহিদক স্মৰণ কৰি ছাত্ৰ সন্থাই আজিৰ দিনটোত পালন কৰি আহিছে ছহিদ দিৱস। শেহতীয়াভাৱে শাসক গোষ্ঠীয়েও *১০ পৃষ্ঠাত চাওক*

## সিংহৰ গোঁজৰণিত এদিন শিয়ালৰ জাকে ছত্ৰভংগ দিব ঃ লুৰীণ

**ছয়গাঁও, ১০ ডিচেম্বৰ ঃ** 'দিল্লীৰ ওচৰত আঁঠু কাঢ়ি জীয়াই থকাতকৈ মৃত্যুৱে শ্ৰেয়। চাৰিটা দশকৰ পাছতো অসম চুক্তি সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা নহ'ল। বীৰ ছহিদৰ ত্যাগ অথলে যাবলৈ দিয়া নহ'ব।' এই মন্তব্য অসম *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*এতিয়া আৰু কি নতুন কথাটো হ'ল! জীৱনটো দেখোন মুখা পিন্ধিয়েই কটাই দিলো!*

■ আমি ক'লৈ যাম, কি কৰি খাম? ■ পৌৰ নিগমৰ নিষেধাজ্ঞাৰ পাছত পথৰ দাঁতিত ব্যৱসায় কৰা বিক্ৰেতাৰ প্ৰশ্ন

## মহানগৰীত স্থায়ী বজাৰৰ ব্যৱস্থা নকৰালৈ উচ্ছেদ-নিষেধাজ্ঞা নামানে বিক্ৰেতাই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** 'আমি ক'লৈ যাম, কি কৰি খাম? আমাৰ জীয়াই থকাৰ অধিকাৰ নাই নেকি? নিজ ভূমিতেই আমি কিয় সদায় বঞ্চিত-নিষ্পেষিত?' এই প্ৰশ্ন একাংশ পদপথৰ ব্যৱসায়ীৰ।

যোৱা ছয় ডিচেম্বৰত গুৱাহাটী পৌৰ নিগমৰ প্ৰৱৰ্তক শাখাই গুৱাহাটীৰ নামনি কামাখ্যাৰ দুখন অস্থায়ী বজাৰ পৰিদৰ্শন কৰি বিক্ৰেতাসকলক ৰাজপথৰ দাঁতিৰ পৰা দোকানসমূহ আঁতৰাই নিবলৈ নিৰ্দেশ দিয়ে। নিৰ্দেশ অনুসৰি বিক্ৰেতাসকলেও উক্ত স্থানৰ পৰা আঁতৰাই নিয়ে তেওঁলোকৰ সামগ্ৰীসমূহ। ইয়াৰ ভিতৰত ছজন মাংসৰ দোকানীৰ লগতে আছিল আৰু দুই-তিনিজন মাছৰ ব্যৱসায়ীও। পৌৰ নিগমে উক্ত স্থানত ব্যৱসায়ীসকলক বহিবলৈ বাধা দিয়াৰ লগতে ভৱিষ্যতে তেওঁলোকৰ এই ব্যৱসায়ে যেন পথচাৰীৰ *১০ পৃষ্ঠাত চাওক*





■ এগৰাকী গুৰুক হেৰুৱাই মই দিশহাৰা ঃ পদ্ম

## বিশিষ্ট নাট্যশিল্পী, অভিনেতা ভবেন বৰাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১০ ডিচেম্বৰ ঃ** 'মোৰ ৰাজনৈতিক জীৱনৰেই নহয়, সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক আনকি ব্যক্তিগত জীৱনৰো এগৰাকী গুৰু আছিল ভবেন বৰা ছাৰ। আজিৰ দিনটোত মই দিশহাৰা হৈ পৰিছো। মোৰ প্ৰতিটো দিশৰে এগৰাকী ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১১ ডিচেম্বৰ, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

### সোঁতৰ বিপৰীতে



# ভাষাৰ ওজাৰ পুৰণি বাসগৃহৰ সন্মুখত প্ৰতিমূৰ্তি স্থাপনৰ শিলান্যাস

■শিৱসাগৰত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ জন্মজয়ন্তী উদ্‌যাপন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১০ ডিচেম্বৰ ঃ** 'জাতীয় জীৱনৰ প্ৰবাদ পুৰুষ, মহীৰূহ, ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা প্ৰকৃতাৰ্থতেই আপোচবিহীন সমাজ বিপ্লৱী হ'লেও এইগৰাকী মহান ব্যক্তিৰ নামত অসমত আজি পৰ্যন্ত এখন দলঙো উৎসৰ্গা কৰা হোৱা নাই।' এই মন্তব্য বিশিষ্ট সাহিত্যিক ড০ বসন্ত কুমাৰ গোস্বামীৰ। আজি শিৱসাগৰ যুৱদলত অনুষ্ঠিত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ 186 সংখ্যক জন্মজয়ন্তীৰ মুকলি সভা উদ্বোধন কৰি তেওঁ এই মন্তব্য কৰে। উল্লেখ্য যে শিৱসাগৰ জিলা সাহিত্য সভা, শিৱসাগৰ বাতৰি কাকত বিতৰক সন্থা, ৰংপুৰ সাহিত্য সভা আৰু শিৱসাগৰীয়া ৰাইজৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আজি ভাষাৰ ওজাৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। উদ্‌যাপন সমিতিৰ সভাপতি মনোজ বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰি ড০ গোস্বামীয়ে কয়, হেমচন্দ্ৰ বৰুৱাই জন্মগ্ৰহণ কৰাৰ ঠিক পাছতেই অসমীয়া ভাষাই মৰ্যাদা হেৰুৱাইছিল। হেমচন্দ্ৰ বৰুৱাৰ নামতো ল'লেই সকলোৱে তেওঁক অভিধান প্ৰণেতা বুলিহে ধাৰণা কৰে যদিও তেওঁ অসাধাৰণ প্ৰতিভাৰ গৰাকী আছিল। মাথোঁ দুদিন বিদ্যালয়লৈ গৈয়েই তেওঁ প্ৰথম বিভাগৰ প্ৰথম হৈছিল। জ্ঞান অন্বেষণেই তেওঁৰ মূল লক্ষ্য আছিল। ছয় পৃষ্ঠাত চাওক

■ কৰায়ত্ত হ'ল কটন বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী

## নগাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীৰ নামত ভুৱা ফেচবুক একাউণ্ট



বিশেষ সংবাদদাতা

**নগাঁও, ১০ ডিচেম্বৰ ঃ** নগাঁও চহৰৰ আমোলাপট্টি নিবাসী তথা নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীৰ নামত ভুৱা ফেচবুক একাউণ্ট খুলি ৰঙাঘৰৰ আলহী হ'ল কটন বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী ধ্ৰুৱজ্যোতি গোস্বামী ওৰফে ৰিতু নামৰ ব্যক্তিজন। যোৱা নিশা ১১ বজাত নগাঁও আৰক্ষীৰ এটি অভিযানকাৰী দলে গুৱাহাটীৰ পৰা লোকজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। অভিযোগ অনুসৰি, গোস্বামীয়ে শিক্ষয়িত্ৰীগৰাকীৰ নামত ভুৱা ফেচবুক একাউণ্ট খুলি কিছু দিনৰ পৰা কেতবোৰ অশ্লীল ফটো আপলোড কৰি অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীক মানসিক আৰু সামাজিকভাৱে ছয় পৃষ্ঠাত চাওক

## মইনা পাৰিজাতৰ বৰ্ষজোৰা সোণালী জয়ন্তী আৰম্ভ

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১০ ডিচেম্বৰ ঃ** সদৌ অসম মইনা পাৰিজাত, যোৰহাট জিলা মইনা পাৰিজাতৰ অধীনস্থ উত্তৰ-পশ্চিম যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ বৰ্ষজোৰাকৈ সোণালী জয়ন্তী আজিৰে পৰা আৰম্ভ হৈছে। এই উপলক্ষে আজি নিজা কাৰ্যালয় চৌহদত সোণালী জয়ন্তীৰ পতাকা কৰা হয়। আঞ্চলিক মইনা পাৰিজাতৰ পতাকা উত্তোলন কৰে বিপুল হাজৰিকাই, স্থানীয় মইনা পাৰিজাতৰ পতাকা উত্তোলন কৰে জিনা বৰুৱাই। সম্পাদিকা মৃদুস্মিতা বৰুৱাই আঁত ধৰা অনুষ্ঠানত কৰ্মীসকলৰ স্মৃতিত আৰু ছহিদ দিৱসৰ দিনা ৮৫৫জন ছহিদৰ স্মৃতিত ধূপ-দীপ প্ৰজ্বলন কৰে দেবেন ছয় পৃষ্ঠাত চাওক

■ মেৰাপানী সীমান্তত নগাৰ ভাবুকিত উন্নয়ন স্থবিৰ হোৱা এখন গাঁৱৰ কৰুণ কাহিনী

# অসমৰ গাঁৱত বিদ্যুৎ সংযোগত বাধা নগাৰ



*আফস্পা বাতিলকে ধৰি কে'বাটাও দাবীৰ সমৰ্থনত যৌথ সংগ্ৰামী মঞ্চৰ সমদল, শুকুৰবাৰে।*

■ অসমীয়া গাঁৱত পকীগৃহ, ৰাস্তা-পথ, বিদ্যুৎ যোগান ল'ব নোৱাৰিব গঞাই

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ১০ ডিচেম্বৰ ঃ** সমভূমিৰ উন্নয়নত পুনৰ বাধা প্ৰদান কৰিছে চুবুৰীয়া ৰাজ্য নগালেণ্ডে। এইবাৰ নগাৰ ভাবুকিৰ বাবেই মেৰাপানী সীমান্তৰ এখন অসমীয়া গাঁৱত বিদ্যুৎ সংযোগৰ কাম বন্ধ হৈ পৰিছে অনিৰ্দিষ্ট কালৰ বাবে। মেৰাপানীৰ ভেলৌগুৰি জয়পুৰ চীডফাৰ্ম গাঁৱত শেহতীয়াকৈ বিদ্যুৎ বিভাগে বিদ্যুৎ সংযোগৰ কাম আৰম্ভ কৰোতেই ভাবুকিৰে কাম বন্ধ কৰি দিছে এটা নগা লোকৰ দলে। ফলশ্ৰুতিত বিদ্যুতৰ পোহৰ লাভৰ আশাত চেঁচা পানী পৰিয়ালে গাঁওখনৰ ৬০ টাকৈ দৰিদ্ৰ পৰিয়ালৰ। গাঁওখনত বিদ্যুতৰ খুঁটা পেলোৱাৰ দিনটোতেই ১২জনীয়া এটা নগা লোকৰ দলে কাম বন্ধ কৰাৰ ভাবুকি দিয়াৰ লগতে কাম বন্ধ নকৰিলে পৰিণতি ভয়াবহ হোৱাৰ হুমকি দিয়ে। উল্লেখ্য যে নগাৰ ভাবুকিৰ বাবেই অসমভূমিৰ গাঁওখনত আজি পৰ্যন্ত কোনোধৰণৰ উন্নয়ন সম্ভৱ হৈ উঠা নাই। বাট-পথ, আৱাসগৃহ, স্বাস্থ্য সেৱা আদিৰ ক্ষেত্ৰত তিলমানো উন্নয়ন সাধন নোহোৱা জয়পুৰ গাঁৱৰ লোকসকল আজিও প্ৰায় বহিৰ্বিশ্বৰ স'তে যোগাযোগ বিচ্ছিন্ন হৈ আছে। বিদ্যুতৰ সংযোগ নথকাৰ বাবে গাঁওখনৰ লোকসকলে আন ঠাইলৈ গৈ ১০-২০ টকা মূল্যৰ বিনিময়ত ম'বাইল ফোন চাৰ্জ কৰি আহিছে। ইফালে, বিদ্যুতৰ অভাৱে বাৰুকৈয়ে প্ৰভাৱিত কৰিছে গাঁওখনৰ শৈক্ষিক পৰিৱেশত। নিশা অন্ধকাৰাচ্ছন্ন হৈ পৰা গাঁওখনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে পঢ়া টেবুলৰ পৰিৱৰ্তে শোৱাপাটীলৈ যোৱাত বিনষ্ট হৈছে শৈক্ষিক ভৱিষ্যৎ। এনেবোৰ কাৰণতেই আজি পৰ্যন্ত গাঁওখনৰ কোনো এজন লোকে মেট্ৰিকৰ ডেওনা অতিক্ৰম কৰিব পৰা নাই। পৰিতাপৰ বিষয় যে সৰ্বদিশতে অৱহেলিত জয়পুৰ গাঁওখনত স্বাধীনতাৰ ৭৪ বছৰৰ পাছতো ভৰি দি পোৱা নাই কোনো এজন জনপ্ৰতিনিধিয়ে। তেনেস্থলত ছয় পৃষ্ঠাত চাওক

## তামাৰহাটত মাতাল পুত্ৰৰ চোকা অস্ত্ৰৰ আক্ৰমণত নিহত পিতৃ

**তামাৰহাট, ১০ ডিচেম্বৰ ঃ** মাতাল পুত্ৰৰ চোকা অস্ত্ৰৰ আঘাতত পিতৃৰ মৃত্যু হোৱাৰ ঘটনা সংঘটিত হৈছে ধুবুৰী জিলাৰ তামাৰহাটত। তামাৰহাট থানাৰ অন্তৰ্গত দক্ষিণ কাছখানা গাঁৱত যোৱা নিশা সংঘটিত হৈছে এই নৃশংস ঘটনা। উল্লেখ্য যে দক্ষিণ কাছাৰ থানা গাঁৱৰ নিবাসী দুখাতু ৰাইৰ পুত্ৰ প্ৰবীণ ৰাইয়ে প্ৰায়ে নিশাই মদ্যপান কৰি ঘৰলৈ উভতি আহি উদ্ভণ্ডালি কৰাৰ লগতে পত্নীকো শাৰীৰিক-মানসিক নিৰ্যাতন চলায়। পূৰ্বৰ দৰে যোৱা নিশা প্ৰবীণে মদ্যপান কৰি আহি ঘৰত সামান্য কথাক কেন্দ্ৰ কৰি পত্নীৰ স'তে ছয় পৃষ্ঠাত চাওক

■ দুই ফৈদৰ আক্ৰমণ-প্ৰত্যাক্ৰমণত এজনৰ মৃত্যু, নিৰুদ্দিষ্ট এজন, কে'বাজনো আহত ■ কে'বাটাও বাসগৃহত লুটপাট চলাই অগ্নিসংযোগ ■ প্ৰাণৰ মায়াত বহুতে অসমত লৈছে আশ্ৰয়

## অসম-বংগ সীমান্তত পূব ফলিমাৰী গাঁৱত তৃণমূল কংগ্ৰেছৰ গোষ্ঠী সংঘৰ্ষ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১০ ডিচেম্বৰ ঃ** বিগত বিধানসভা নিৰ্বাচনৰ পাছতে চুবুৰীয়া ৰাজ্য পশ্চিমবংগত শাসক দল তৃণমূল কংগ্ৰেছৰ কৰ্মীসকলে বিৰোধী বিজেপি কৰ্মীসকলক আক্ৰমণ কৰাৰ ঘটনাৰ পাছতে এতিয়া শাসক দলটোৰ দুটা পক্ষৰ মাজত সংঘটিত হোৱা ঘটনাই তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে অসম-বংগ সীমান্তত। কোচবিহাৰ জিলাৰ বক্সিৰহাট থানাৰ অন্তৰ্গত পূব ফলিমাৰী গাঁৱত আজি বিয়লি তৃণমূল কংগ্ৰেছৰ দুটা গোষ্ঠীৰ মাজত হোৱা সংঘৰ্ষত এজন লোক নিহত হোৱাৰ লগতে আন এজন সন্ধানহীন হৈ থকাৰ আন কে'বাজনো গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হৈ আছে। প্ৰাপ্ত তথ্য মতে, ফলিমাৰী গাঁৱৰ তৃণমূল কংগ্ৰেছৰ নেতা গকুল সাহা আৰু ধনেশ্বৰ বৰ্মনৰ ফৈদৰ মাজত তুমুল সংঘৰ্ষৰ সৃষ্টি হয়। এটা গোষ্ঠীয়ে আনটো গোষ্ঠীৰ ওপৰত লাঠি, দা আদিৰে আক্ৰমণ চলাই কে'বাজনো লোকক আহত কৰে। তদুপৰি পূব ফলিমাৰী গাঁৱৰ তিনিটা ঘৰত দুৰ্বৃত্তৰ দলে লুটপাট চলাই অগ্নিসংযোগ কৰে। প্ৰায় দুশজনীয়া লোকৰ দল এটাই আক্ৰমণ-প্ৰত্যাক্ৰমণ চলোৱাত কে'বাজনো ছয় পৃষ্ঠাত চাওক

## চাৰিদুৱাৰত ট্ৰেক্টৰ বাগৰি কিশোৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১০ ডিচেম্বৰ ঃ** শোণিতপুৰৰ চাৰিদুৱাৰ আৰক্ষী থানা অধীনস্থ খনামুখৰ মিৰি পথাৰত আজি দিনৰ প্ৰায় এক সংঘটিত হয় এক শোকাবহ পথ দুৰ্ঘটনা। অঞ্চলটোৰ পথৰ কাষৰ খাৱৈত এখন নম্বৰ প্লেটহীন ট্ৰেক্টৰ বাগৰি পৰাত বিশাল চাওতাল (১২) নামৰ এজন কিশোৰ থিতাতে নিহত হয়। পাছত কিশোৰজনৰ মৃতদেহ আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ ছয় পৃষ্ঠাত চাওক

## নগাঁৱত হেৰ'ইনসহ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ



বিশেষ সংবাদদাতা

**নগাঁও, ১০ ডিচেম্বৰ ঃ** নগাঁৱৰ হয়বৰগাঁৱৰ আৰক্ষী চকীৰ আৰক্ষীয়ে আজি অভিযান চলাই নগাঁও চহৰৰ ধিং গেটৰ সমীপৰ বিদ্যানগৰৰ পৰা বুজন পৰিমাণৰ হেৰ'ইনসহ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ পম খেদি হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তৰংগ পাটোৱাৰীৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে বিদ্যানগৰৰ আদম আলী নামৰ লোক এজনৰ ভঙাঘৰৰ পৰা এই ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰী জনৰ নাম জালাল উদ্দিন(৩৩)। জালাল উদ্দিনৰ ঘৰ জিলাখনৰ জুৰীয়াৰ চতিয়ানত। ড্ৰাগছ সৰবৰাহকাৰীজনৰ পৰা আৰক্ষীয়ে এটা চাবোনত বাকচভৰ্ত্তি হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জনোৱা মতে, এই হেৰ'ইনখিনিৰ মূল্য ৮০ হেজাৰ হ'ব। উল্লেখ্য যে জালাল উদ্দিনে দীৰ্ঘদিন ধৰি নগাঁও চহৰকে ধৰি ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলত ড্ৰাগছৰ এক ৰমৰমীয়া বেহা চলাই আহিছিল।

## ৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ আব্দুল জেলিল (হিতু)ৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১০ ডিচেম্বৰ ঃ** সন্তোষ ট্ৰফীত অসমক প্ৰতিনিধিত্ব কৰা দৰং জিলাৰ একমাত্ৰ ফুটবল খেলুৱৈ, ক্ৰীড়া পেঞ্চনাৰ আব্দুল জেলিল (হিতু)ৰ আজি পুৱা গুৱাহাটীত মৃত্যুক আঁকোৱালি লোৱাত জনমভূমি দলগাঁৱত শোকৰ ছাঁ পৰিছে। ৬০ৰ দশকত সন্তোষ ট্ৰফী আৰু বৰদলৈ ট্ৰফীৰ খেলত আকৰ্ষণীয় ড্ৰিবলিং, তীব্ৰ বেগী শ্বটৰে বিপক্ষৰ ৰক্ষণ বিভাগৰ মাজত ত্ৰাসৰ সৃষ্টি কৰা জেলিলৰ জন্ম দলগাঁৱত ১৯৪৩ত। এসময়ত বৰদলৈ ট্ৰফীৰ খেলৰ ধাৰাবাহিক বিৱৰণী শুনাৰ বাবে ৰেডিঅ' অন কৰিলেই ছয় পৃষ্ঠাত চাওক

## বহিঃৰাজ্যত প্ৰাণ হেৰুৱালে অসমৰ যুৱকে

অগ্ৰদূত বাৰ্তা

**আগমনী, ১০ ডিচেম্বৰ ঃ** জীৱিকাৰ সন্ধানত বহিঃৰাজ্যত গৈ পুনৰ জীৱন হেৰুৱালে এজন অসমীয়া যুৱক। যুৱকজন গোলকগঞ্জৰ আগমনী থানাৰ অন্তৰ্গত ঝাপুচাবাৰী পঞ্চম খণ্ডৰ গেদা ৰায়ৰ পুত্ৰ দিলীপ ৰায়। তেওঁৰ ভ্ৰাতৃ দিলীপ ৰায় আৰু গেদাৰ স্থানীয় কেইজনমান যুৱকৰ স'তে কোম্পানীত কাম কৰাৰ উদ্দেশ্যে গৈছিল তামিলনাডুৰ বেলকোণ্ডাৱালীলৈ। দীৰ্ঘদিন ধৰি তাতে কৰ্মৰত হৈ আছিল সকলোৱে। এই সময়ছোৱাৰ মাজত ঘৰলৈও অহা যোৱা কৰিছিল সকলোৱে। কিন্তু যোৱা শনিবাৰে তেওঁ সন্ধিয়া দুৰ্ঘটনাত পতিত হোৱা ছয় পৃষ্ঠাত চাওক

## টিহুত বিশ্ব মানৱ অধিকাৰ দিৱস পালন



অগ্ৰদূত বাৰ্তা

**টিহু, ১০ ডিচেম্বৰ ঃ** সমগ্ৰ বিশ্বতে প্ৰতি বছৰে ১০ ডিচেম্বৰৰ দিনটোত 'বিশ্ব মানৱ দিৱস' পালন কৰা হয়। আজি টিহুতো আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদ'ৰ অসম ৰাজ্যিক ব'ৰ্ডৰ সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ উদ্যোগত আৰু ১৮৬ নম্বৰ খলিহাগুৰি প্ৰাথমিক বিদ্যালয়ৰ সহযোগত 'বিশ্ব মানৱ অধিকাৰ দিৱস' বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত বিদ্যালয়ৰ চৌহদ নিকাকৰণৰ পাছত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে টিহু আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰত্নকান্ত শৰ্মাই। মাল্যাৰ্পণ তথা স্মৃতি তৰ্পণ কৰে বিদ্যায় প্ৰধান সুভাষ ঠাকুৰীয়া আৰু বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে। ইয়াৰ পাছত দুপৰীয়া আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদ'ৰ সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ অসম ৰাজ্যিক ব'ৰ্ডৰ সভাপতি গৌৰীশংকৰ তালুকদাৰৰ সভাপতিত্বত ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰত শিশু শ্ৰমিক উদ্ধাৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১০ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জয়সাগৰৰ হাতীকোষ অঞ্চলত আজি বিভিন্ন চৰকাৰী বিষয়াৰ দ্বাৰা গঠিত টাস্ক ফ'ৰ্চে অভিযান চলাই এগৰাকী ন বছৰীয়া কন্যা শিশু উদ্ধাৰ কৰে। শিশুটিক অ' এন জি চি কল'নীস্থিত এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত হাতীকোষৰ নিবাসী আনোৱাৰ হুছেইন নামৰ লোকজনৰ বাসগৃহৰ পৰা উদ্ধাৰ কৰা হয়। পিতৃহীন শিশুটিয়ে উল্লেখা কৰা মতে প্ৰকৃত ঘৰ ডিব্ৰুগড়ৰ টেঙাখাটত বুলি জানিব পৰা গৈছে। শিশুটি উদ্ধাৰ কৰি শিশু কল্যাণ সমিতিৰ ওচৰত হাজিৰ কৰাই শিশুটিৰ স্বাস্থ্য পৰীক্ষা কৰি আহানা শিশুগৃহত অভিভাৱক নহা পৰ্যন্ত ৰখাৰ ব্যৱস্থা কৰা হয়। আনোৱাৰ হুছেইনৰ ওপৰত শিশু শ্ৰমিক নিয়োজিত কৰা ছয় পৃষ্ঠাত চাওক

## ১৯ জানুৱাৰীৰ পৰা আউনীআটী মণিকাঞ্চন ৰংগক্ষেত্ৰত অসম ভাওনা সমাৰোহ



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১০ ডিচেম্বৰ ঃ** ২০০৬ৰ পৰা দুবছৰৰ মূৰে মূৰে মাজুলী আউনীআটী সত্ৰৰ সমীপত মনিকাঞ্চন ৰংগক্ষেত্ৰত অনুষ্ঠিত কৰি অহা অসম ভাওনা সমাৰোহত মাংগলিক কাৰ্যসূচীৰে লাইখুঁটা স্থাপন কৰে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ তথা উদ্‌যাপন সমিতিৰ সভাপতি ড° পীতাম্বৰ দেৱগোস্বামীয়ে। অসমীয়া সংস্কৃতিৰ মেৰুদণ্ডস্বৰূপ ভাওনা সংস্কৃতি অসমৰ আধ্যাত্মিক চেতনাৰ উৎস, সমন্বয়ৰ প্ৰতীক। গুৰু জনাই দি থোৱা আদৰ্শ আগত ৰাখি আয়োজন কৰা এই ভাওনা সমাৰোহত অসমবাসীৰ সহায়-সহযোগিতা কামনা কৰিছে সত্ৰাধিকাৰ ড° দেৱগোস্বামীয়ে। এই উদ্দেশ্যে অনুষ্ঠিত সভাত সমাৰোহৰ কাৰ্যসূচী সৰ্বসন্মতিক্ৰমে গৃহীত হোৱাৰ পাছত উদ্‌যাপন সমিতিৰ সম্পাদক তুলসী ৰাজখোৱাই কাৰ্যসূচী ঘোষণা কৰে। সেই অনুসৰি অহা ১৯ জানুৱাৰীৰ পৰা দুই ফেব্ৰুৱাৰী পৰ্যন্ত ২৯খন নাট মঞ্চস্থ হ'ব। আৰম্ভণিৰ দিনা অংকীয়া নাট আৰু শেষৰ ছয় পৃষ্ঠাত চাওক

## খৰ্গেশ্বৰ তালুকদাৰৰ গৃহভূমি ভৱানীপুৰত ছহিদ দিৱস পালন

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**পাঠশালা/সৰুপেটা, ১০ ডিচেম্বৰ ঃ** অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ প্ৰথম ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ গৃহভূমি ভৱানীপুৰ সমষ্টিত আজি ছহিদ দিৱস উদ্‌যাপন কৰা হয়। ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ জন্ম গাঁও উজান বৰবৰীৰ খৰ্গেশ্বৰ তালুকদাৰ হাইস্কুল প্ৰাংগণত বিভিন্ন কাৰ্যসূচীৰে ছহিদ দিৱস বিজেপিয়ে উদ্‌যাপন কৰে। ছহিদ গৰাকীৰ সমাধিস্থলত স্থাপিত ছহিদ বেদীত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি প্ৰদান কৰে ক্ৰমে বিধায়ক ফণীধৰ তালুকদাৰ, অসম কৃষি সামগ্ৰী বিপণন পৰিষদৰ অধ্যক্ষ মনোজ বৰুৱা, বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীৰ লগতে বিজেপিৰ নেতৃবৃন্দ, ছহিদ খৰ্গেশ্বৰ তালুকদাৰ হাইস্কুলৰ শিক্ষক, শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে। লগতে উজান বৰবৰীৰ খৰ্গেশ্বৰ তালুকদাৰ হাইস্কুল কৰ্তৃপক্ষৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ, আকস্মিক বক্তৃতা, স্মৃতি পৰীক্ষা, চিত্ৰাংকন আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ আত্মবলিদানস্থলী ভৱানীপুৰ চ'কৰ ছহিদ ভৱনতো বৰপেটা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন হয় ছহিদ দিৱস। বিভিন্ন কাৰ্যসূচীত আছুৰ পতাকা উত্তোলন আৰু ছহিদ তৰ্পণ কৰে ক্ৰমে বৰপেটা জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি অমৰেন্দ্ৰ মিশ্ৰ আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অংকুৰ তালুকদাৰে। খৰ্গেশ্বৰ তালুকদাৰৰ আৱক্ষ মূৰ্তিত মাল্যদান কৰে আছুৰ ছয় পৃষ্ঠাত চাওক

## বৰপেটা জিলা পশু চিকিৎসা ক্ষেত্ৰ সহায়ক সন্থাৰ অধিবেশন

অগ্ৰদূত বাৰ্তা

**হাউলী, ১০ ডিচেম্বৰ ঃ** বৰপেটা জিলা পশু চিকিৎসা ক্ষেত্ৰ সহায়ক সন্থাৰ ৩৫ সংখ্যক দ্বিবাৰ্ষিক অধিবেশনখন অহা ১২ ডিচেম্বৰত বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। কাৰ্যসূচী মতে পুৱা ন বজাত পতাকা উত্তোলন কৰিব সন্থাৰ সভাপতি গুণধৰ দাসে। ইপিনে, পুৱা ৯-৩০ বজাত স্মৃতি তৰ্পণ কৰিব সম্পাদক হিমান মেধিয়ে। পুৱা ১০ বজাত জলাতংক ৰোগ নিয়ন্ত্ৰণ সম্পৰ্কে এখন কৰ্মশালা অনুষ্ঠিত হ'ব। দৃশ্য-শ্ৰাব্যৰ মাধ্যমেৰে আয়োজন কৰা কৰ্মশালাখনৰ মূল সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব বিশিষ্ট পশু চিকিৎসা বিষয়া ডাঃ ধ্ৰুৱজ্যোতি কলিতাই। পুৱা ১১ বজাত মুকলি সভা উদ্বোধন কৰিব বৰপেটাৰ জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ প্ৰবীণ দাসে। উক্ত সভাত মুখ্য ছয় পৃষ্ঠাত চাওক

## দুষ্কৃতিকাৰীক কৰায়ত্তহে কৰাত ব্যৰ্থ জিলা বন বিভাগ

## চিতলীয়া পথাৰত পৰিভ্ৰমী পক্ষী নিধন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১০ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলা বন সংমণ্ডলৰ অন্তৰ্গত বৃহত্তৰ কোঁৱৰপুৰ মৌজাৰ বিশাল চিতলীয়া পথাৰত ধাৰাবাহিকভাৱে থলুৱা আৰু পৰিভ্ৰমী পক্ষী দুষ্কৃতিকাৰীয়ে হত্যা কৰি থকাৰ পাছতো বন বিভাগে আজিলৈকে এজনো দুষ্কৃতিকাৰীক কৰায়ত্ব কৰিবলৈ সক্ষম হোৱা নাই। পক্ষীকুলৰ বধ্যভূমিলৈ পৰিণত হোৱা চিতলীয়া পথাৰত অবাধ হাৰত হৈ থকা পক্ষী হত্যাৰ বিষয়ে কিছুদিনৰ পূৰ্বে এই কাকতত বাতৰি প্ৰকাশ হোৱাৰ পাছতেই শিৱসাগৰ বন বিভাগে অঞ্চল-বিশেষত নিয়মীয়া তালাচী অভিযান অব্যাহত ৰাখিছে যদিও তাৰ মাজতেই দুষ্কৃতিকাৰীয়ে পক্ষী হত্যা কৰিয়েই থকাত বন বিভাগৰ ব্যৰ্থতা প্ৰতিপন্ন হৈছে। উল্লেখ্য যে কালিৰ দিনটোত পুনৰ চিতলীয়া পথাৰৰ দানী বিলৰ পাৰত দুষ্কৃতিকাৰীয়ে দিয়া বিষাক্ত দ্ৰব্য খাই অসংখ্য দেওৰাজহাঁহ মৃত আৰু অৰ্ধ-মৃত অৱস্থাত পথাৰলৈ গৰু-গাহৰি আনিবলৈ যোৱা লোকে পাই বন বিভাগক খবৰ দি বিভাগৰ হাতত চমজাই দিছিল। সংবাদ মাধ্যমৰ আগত আজি স্থানীয় লোকে এই সন্দৰ্ভত ক্ষোভ ব্যক্ত কৰি কয় যে বন বিভাগে পথাৰত টহল নিদি ৰাস্তাই ৰাস্তাই গাড়ী চলাই টহল দি ফুৰিলে দুষ্কৃতিকাৰীক ধৰিব নোৱাৰে। দুষ্কৃতিকাৰীক ধৰিবলৈ উপযুক্ত আঁচনি তৈয়াৰ কৰি পথাৰত খাপ দিব লাগিব বুলিও স্থানীয় লোকে জানিবলৈ দিয়ে। স্মৰ্তব্য যে শিৱসাগৰ জিলাখনৰ বিভিন্ন জলাশয়ৰ লগতে এই পথাৰখনলৈও প্ৰতিবছৰে হেজাৰ-বিজাৰ পৰিভ্ৰমী পক্ষীৰ আগমন ঘটে। ইয়াৰ উপৰি এই পথাৰৰ খাল-বিল-ডোংবোৰত অসংখ্য দেশীয় পক্ষীয়ে জলকেলি কৰি থাকে। এই পক্ষীসমূহক বছৰৰ বিভিন্ন সময়ত বহু দুষ্কৃতিকাৰীয়ে নিধন কৰি আহিছে। জলচৰ পক্ষীবোৰে কণী পৰাৰ লগে লগেই ছয় পৃষ্ঠাত চাওক

## দৰঙত পুনৰ ক'ভিডত মৃত্যু, নতুনকৈ আক্ৰান্ত সাত

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১০ ডিচেম্বৰ ঃ** অ'মিক্ৰনৰ আগমন নহ'লে দৰং জিলাত কৰ'না মহামাৰীৰ সংক্ৰমণ অব্যাহত আছে। আজি জিলাখনত নতুনকৈ আক্ৰান্ত সাতজন চিনাক্ত হোৱাৰ লগতে মৃত্যু হৈছে আৰু এজনৰ। দৰঙত এতিয়ালৈকে মৃত্যুৰ সংখ্যা ১১৭ জনলৈ বৃদ্ধি পোৱাৰ লগতে আক্ৰান্তৰ সংখ্যা ১০ হেজাৰ স্পৰ্শ কৰাৰ উপক্ৰম হৈছে। অৰ্থাৎ আক্ৰান্তৰ মুঠ সংখ্যা হৈছে ৯৮৪৭ গৰাকী। এতিয়াও সক্ৰিয় হৈ আছে ২৮ জনৰ শৰীৰত। আজি চিনাক্ত হোৱাসকলৰ ভিতৰত মঙলদৈ নগৰীয়া স্বাস্থ্য কেন্দ্ৰত তিনি, মঙলদৈ অসামৰিক চিকিৎসালয় আৰু পাথৰিঘাটত দুজনকৈ। কিন্তু ইমানৰ পাছতো ক'ভিড বিধি সকলোতে উলংঘা হৈ থকাটো চৰম আশ্চৰ্যজনক।

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ২৪ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১১ ডিচেম্বৰ ২০২১

# কৃষকৰ প্ৰত্যাৱৰ্তন

অৱশেষত সংযুক্ত কিষাণ মৰ্চা (এছ কে এম)ৰ নেতৃত্বত পঞ্জাৱ, হাৰিয়ানা আৰু পশ্চিম উত্তৰ প্ৰদেশৰ কৃষকে আৰম্ভ কৰা প্ৰতিবাদী আন্দোলনৰ সফল সমাপ্তি ঘটিল। প্ৰায় ১৫ মাহ ধৰি কৃষকসকলে দিল্লীৰ সীমান্তত অৱস্থান কৰি তেওঁলোকৰ দাবী পূৰণাৰ্থে আন্দোলন অব্যাহত ৰাখিছিল। এইসকল প্ৰতিবাদী কৃষকে কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্তন কৰা তিনিখন কৃষি আইন প্ৰত্যাহাৰৰ লগতে কৃষকৰ আন কেতবোৰ দাবীৰে বিগত এবছৰত দেশত এক বৃহৎ আন্দোলন গঢ়ি তুলিছিল। প্ৰথম অৱস্থাত চৰকাৰে এই আন্দোলনক বিশেষ গুৰুত্ব দিয়া নাছিল আৰু কোনো কাৰণতে কৃষি আইন তিনিখন বাতিল কৰা নহ'ব বুলি ঘোষণা কৰিছিল। চৰকাৰে এই আন্দোলন মষিমূৰ কৰিবলৈ সেনা-আৰক্ষীকো ব্যৱহাৰ কৰিছিল। এনে এক পৰিস্থিতিতে যোৱা ২৬ জানুৱাৰীত দিল্লীৰ লালকিল্লাত কৃষকৰ প্ৰতিবাদী ট্ৰেক্টৰ সমদলত হঠাতে হিংসাত্মক ঘটনাও সংঘটিত হৈছিল। এই ঘটনাৰ পাছতে চৰকাৰে প্ৰতিবাদী কৃষকৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি দিল্লীৰ সীমান্ত বন্ধ কৰি দিছিল। প্ৰতিবাদী কৃষকে যাতে ট্ৰেক্টৰসহ পুনৰ ৰাজধানীত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে দিল্লী সীমান্তত প্ৰাচীৰ নিৰ্মাণ, কাঁইটীয়া তাঁৰৰ বেৰা দিয়াৰ লগতে ৰাজপথত গজালো পুতি দিয়া হৈছিল; কিন্তু চৰকাৰৰ এনেবোৰ দমনমূলক পদক্ষেপৰ পাছতো হতাশ নহৈ কৃষকসকলে আন্দোলন-বিক্ষোভ প্ৰদৰ্শন অব্যাহত ৰাখি অৱশেষত সফলতা অৰ্জন কৰিলে। কেন্দ্ৰীয় চৰকাৰে কিছুদিন পূৰ্বে তিনিখন বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ কৰিছিল আৰু শেহতীয়াভাৱে ফচলৰ ন্যূনতম সমৰ্থিত মূল্য (এম এছ পি) নিৰ্ধাৰণৰ আইনী নিশ্চিতি সন্দৰ্ভত সমিতি গঠনৰ চৰ্তও মানি ল'লে। কেন্দ্ৰীয় চৰকাৰৰ পৰা আনুষ্ঠানিক পত্ৰ লাভৰ পাছতে প্ৰতিবাদী কৃষকে আন্দোলন সমাপ্ত কৰাৰ সিদ্ধান্ত ল'লে। এছ কে এমে ঘোষণা কৰা অনুসৰি, শনিবাৰে সকলো আন্দোলনকাৰী কৃষক ঘৰমুৱা হ'ব।

আন্দোলন এটা অতি কম সময়ৰ ভিতৰত সফল কৰি তোলাটো সহজ নহয়। আমাৰ দেশত অগণন আন্দোলন-বিক্ষোভ প্ৰদৰ্শন হৈ আহিছে, কিন্তু সফল আন্দোলনৰ সংখ্যা তেনেই নগণ্য। দেশৰ কৃষকসকলে মাত্ৰ ৩৭৮ দিনতে আন্দোলন অব্যাহত ৰাখি তেওঁলোকৰ দাবী মানি ল'বলৈ চৰকাৰক বাধ্য কৰালে। কৃষকৰ এই আন্দোলনৰ পূৰ্বে দেশবাসীয়ে প্ৰবীণ গান্ধীবাদী নেতা আন্না হাজাৰেৰ নেতৃত্বত গঢ় লৈ উঠা দুৰ্নীতি বিৰোধী আন্দোলনৰ সফল সমাপ্তি প্ৰত্যক্ষ কৰিছিল। দুৰ্নীতি বিৰোধী আন্দোলনৰ পাছত কৃষকৰ এই আন্দোলনৰ ইতিবাচক সমাপ্তিয়ে এক নতুন ইতিহাস ৰচনা কৰিলে। লালকিল্লা কাণ্ডৰ বাহিৰে আন কোনো হিংসা-সন্ত্ৰাস অবিহনে দেশৰ কৃষকে যিদৰে আন্দোলনটোক আগুৱাই নি চৰকাৰক তেওঁলোকৰ দাবী মানি ল'বলৈ বাধ্য কৰালে, সেয়া মন কৰিবলগীয়া। দেশৰ সংগ্ৰামী জনতাই এইসকল কৃষকৰ পৰা আন্দোলনৰ নেতৃত্বদানৰ সন্দৰ্ভত নিশ্চিতভাৱে প্ৰয়োজনীয় শিক্ষা আহৰণ কৰিব পাৰিব। অৱশ্যে আন বহু আন্দোলনৰ দৰে কৃষকৰ এই বিক্ষোভতো সাতশৰো অধিক কৃষকে প্ৰাণ বলিদান কৰিব লগা হ'ল। মাত্ৰ ১৫ মাহতে এটা আন্দোলনত অংশ লৈ ইমান বৃহৎ সংখ্যক লোক ছহিদ হোৱাটো সাধাৰণ কথা নহয়। সুখৰ কথা এয়ে যে এইসকল কৃষকৰ আত্মবলিদান অথলে নগ'ল, অৱশেষত দেশৰ কৃষকৰে জয় হ'ল।

আন্দোলন এটাৰ ইতিবাচক সমাপ্তি প্ৰতিজন গণতন্ত্ৰকামীয়ে বিচাৰে আৰু কৃষকৰ আন্দোলনৰ সফলতাত দেশবাসীয়ে স্বস্তিৰ নিশ্বাস কাঢ়িছে; কিন্তু মন কৰিবলগীয়া কথাটো হৈছে আন্দোলনকাৰী কৃষক সংগঠনসমূহে স্পষ্টকৈ কৈছে যে তেওঁলোকে এই আন্দোলন সমাপ্ত বা প্ৰত্যাহাৰ কৰা নাই, বৰঞ্চ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি লক্ষ্য ৰাখি স্থগিতহে ৰাখিছে। কৃষক নেতা ৰাকেশ টিকাইটে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, চৰকাৰে দিয়া প্ৰতিশ্ৰুতি কাৰ্যকৰী নকৰিলে কৃষকে পুনৰ আন্দোলনৰ পথ ল'বলৈ বাধ্য হ'ব। অৰ্থাৎ দেশৰ কৃষকসকলে পুনৰ ৰাজপথত অৱস্থান কৰি নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে বিক্ষোভ প্ৰদৰ্শন কৰিব নে খেতিপথাৰত কৃষিকৰ্মত ব্যস্ত থাকিব, সেয়া চৰকাৰৰ পদক্ষেপতে নিৰ্ভৰ কৰিছে। পলম নকৰি চৰকাৰে এম এছ পিসহ কৃষকৰ অন্যান্য সমস্যাসমূহৰ সমাধানৰ ব্যৱস্থা কৰা উচিত। কৃষকৰ বাবে চৰকাৰে আইন যুগুত কৰোতে দেশৰ কৃষক সমাজৰ লগতে কৃষক সংগঠনকে আলোচনা কৰি নীতি নিৰ্ধাৰণ কৰিলে ভৱিষ্যতে কৃষি আইনক লৈ বিতৰ্ক-বিৰোধিতাৰ অৱকাশ নাথাকিব।

# ভাইৰাছৰ পৰা মুক্তি কেতিয়া আৰু কেনেকৈ?


শেহতীয়াকৈ কৰ'না ভাইৰাছে বটছ'ৱানা আৰু দক্ষিণ আফ্ৰিকাত নতুন ৰূপ দেখুৱালে। বিশ্ব স্বাস্থ্য সংস্থাই নতুন ভাইৰাছবিধৰ নাম 'অমিক্ৰন' ৰাখিছে; বৈজ্ঞানিক পদ্ধতিৰ নামটো হ'ল B.1.1529। প্ৰাথমিক বিশ্লেষণতে ওলাই পৰিছে যে ভাইৰাছবিধে ৫০ টা ৰূপান্তৰণ ঘটাব পাৰে; এতিয়ালৈ সৰ্বাধিক মাৰক ভাইৰাছৰূপে চিহ্নিত 'ডেল্টাৰ' তুলনাত ইয়াৰ ৰূপান্তৰণ ক্ষমতা দুগুণ। তদুপৰি ভাইৰাছৰ যিটো অংশৰ প্ৰতিৰোধী ক্ষমতা গঢ়ি তুলিবলৈ ছিটা দিয়া হয়, 'অমিক্ৰন'ৰ সেই অংশটোতে ঘটিব পাৰে ৩২ টা ৰূপান্তৰণ। এতেকে এতিয়ালৈকে আৱিষ্কৃত ক'ভিডৰ ছিটাবোৰৰ 'অমিক্ৰন' প্ৰতিৰোধ ক্ষমতা আছে নে নাই, সেইটো সন্দেহজনক।

অৱশ্যে স্বাস্থ্যকৰ্মীসকলৰ বাবে সকাহৰ কথাটো হ'ল, প্ৰচলিত প্ৰযুক্তিগত পদ্ধতিৰেই মানৱ দেহত 'অমিক্ৰন'ৰ উপস্থিতি ধৰা পেলাব পৰা যায়; কিন্তু অমিক্ৰন আক্ৰান্ত ৰোগীৰ দেহত ফুটি উঠা লক্ষণবোৰ ক'ভিড আক্ৰান্ত ৰোগীৰ লক্ষণৰ দৰে স্পষ্ট নহয়। মূৰৰ বিষ, গাঁঠিৰ বিষৰ বাহিৰে আন লক্ষণ নাথাকিবও পাৰে; বিশেষকৈ ৰোগীৰ অক্সিজেন স্তৰ আৰু হাওঁফাঁওৰ সমস্যাও সাধাৰণতে 'ডেল্টা'ৰ তুলনাত কম; কিন্তু এইটো নিশ্চিত হ'ব পৰা গৈছে যে আনবোৰ ৰূপান্তৰিত ক'ভিড ভাইৰাছৰ তুলনাত অমিক্ৰনৰ সংক্ৰমণ বহুগুণে দ্ৰুত। সেয়েহে অতি কম সময়ৰ ভিতৰতে বিভিন্ন দেশলৈ 'অমিক্ৰন'ৰ সঞ্চাৰণ ঘটিছে।

ভাৰততো ছেগা-চোৰোকাকৈ 'অমিক্ৰন'ৰ লহৰ আৰম্ভ হ'ল। প্ৰথম অমিক্ৰন-আক্ৰান্তৰূপে চিহ্নিত হৈছে বাংগালুৰুৰ এগৰাকী ৪৬ বছৰীয়া চিকিৎসক। নিজৰ অভিজ্ঞতাৰে তেওঁ কৈছে— এই ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ একমাত্ৰ উপায় হ'ল— ধৈৰ্য ধৰা, শান্ত হৈ থাকা, আন লোকৰ সংস্পৰ্শৰ পৰা নিজকে দূৰত ৰাখা, পৰীক্ষা কৰোৱা আৰু চিকিৎসকৰ পৰামৰ্শ মানি চলা। উদ্বেগ আৰু অস্থিৰতা এৰাই চলিব পাৰিলে অমিক্ৰন-আক্ৰান্তই হেনো সহজে নিৰাময় লাভ কৰিব পাৰে।

সেই বুলি অমিক্ৰনৰ ভয়াৱহতা নিচেই সামান্য বুলি চিকিৎসা বিজ্ঞানীসকল নিশ্চিত হ'ব পৰা নাই; কিন্তু ইতিমধ্যে অমিক্ৰনৰ সংক্ৰমণৰ ভয়তে ভালেমান উন্নত ৰাষ্ট্ৰতো 'লকডাউন' ঘোষণা কৰা হৈছে, কে'বাখনো দেশে বিদেশলৈ বিমানৰ আহ-যাহ বন্ধ কৰি দিছে। ৰাষ্ট্ৰসংঘৰ মতে এনে তৎকালীন প্ৰতিক্ৰিয়া উচিত হোৱা নাই। এনেবোৰ ব্যৱস্থাই একোখন দেশৰ অৰ্থনীতি ধ্বংস কৰে, সাধাৰণ লোকৰ জীৱন দুৰ্বিষহ কৰি তোলে; আৰু সেয়েহে পূৰ্বৰ অভিজ্ঞতাৰ আধাৰত স্বাভাৱিক জীৱন যাত্ৰা অক্ষুণ্ণ ৰাখি পৰিস্থিতি সাপেক্ষে 'কোৱাৰেণ্টাইন'ৰ কথাহে ভাবিব লাগে।

ঐতিহাসিক তথ্যৰ আধাৰত ক'ব পাৰি, একোটা ভাইৰাছ আক্ৰমণৰ লহৰ তিনি-চাৰি বছৰলৈ ছেগাচোৰোকাকৈ চলি থাকে; ১৯১৭-১৯ ৰ কালছোৱাত 'স্পেনিছ ফ্লু'ৰে লাখ লাখ লোকৰ মৃত্যু ঘটাইছিল সংক্ৰমণৰ তৃতীয় লহৰত। অমিক্ৰনৰ সঞ্চাৰণে আতংকৰ সৃষ্টি কৰিছে সেই কাৰণতে; কিন্তু এইটো নিশ্চিত যে ক'ভিড-১৯, ডেল্টা আৰু অমিক্ৰনকে ধৰি আটাইবোৰ ৰূপান্তৰিত ভাইৰাছেই মূৰকত পৰাজয় বৰণ কৰিব বৈজ্ঞানিক গৱেষণাৰ ফলত উপলব্ধ ছিটা আৰু ঔষধৰ সমুখত।



এই ক্ষেত্ৰত মানৱ সভ্যতাৰ গৌৰৱোজ্জ্বল অধ্যায় আছে। খ্ৰীঃ পূঃ ১৫০০ ত উদ্ভৱ হোৱা বৰ আইৰ ছিটা প্ৰস্তুত কৰিব পৰা হৈছিল ১৭৯৬ খ্ৰীঃ ত, অৰ্থাৎ ৩২৯৬ বছৰৰ পাছত। একেদৰে পলিঅ'ৰ প্ৰতিষেধক ৩৩৪৮ বছৰৰ পাছত ১৯৪৮ খ্ৰীঃ ত আৰু কলেৰাৰ প্ৰতিষেধক ২৩৪৫ বছৰৰ পাছত ১৮৮৫ খ্ৰীঃত আৱিষ্কাৰ হৈছিল। আকৌ মাজু আই, ৰুবেলা, এইডছ আৰু ইব'লাৰ ছিটা আৱিষ্কাৰ হ'বলৈ লাগিছিল ক্ৰমে ১৪৭১ বছৰ (১৯৭১ খ্ৰীঃ), ৩৫২ বছৰ (১৯৭১ খ্ৰীঃ), ১৫ বছৰ ১৯৯৫) আৰু পাঁচ বছৰ (২০১৯ খ্ৰীঃ); কিন্তু ক'ভিড-১৯ ৰ ছিটা ২০২০ৰ মাৰ্চত প্ৰস্তুত হ'ল, অৰ্থাৎ চাৰি মাহৰ পাছতে।

ইয়াৰ পৰা স্পষ্ট হৈ পৰে যে আধুনিক চিকিৎসা বিজ্ঞানে অতি কম সময়ৰ ভিতৰতে একোবিধ ৰোগ নিৰাময়ৰ উপায় উলিয়াব পাৰে। এই ক্ষেত্ৰত ইতিবাচক ইংগিতটো হ'ল, দক্ষিণ আফ্ৰিকাৰ চিকিৎসা বিজ্ঞানীসকল অতি সচেতন। তেওঁলোকে অমিক্ৰনৰ সংক্ৰমণ সম্পৰ্কীয় যিকোনো তথ্য অহৰহ সদৰী কৰি আছে; ফলত ভাইৰাছবিধৰ বিৰুদ্ধে গোলকীয় সজাগতাৰ সৃষ্টি হ'ল তৎকালীনভাৱে। তাৰ বিপৰীতে কমিউনিষ্ট চীনে ক'ভিড-১৯ সন্দৰ্ভত সকলো তথ্য গোপনে ৰাখিছিল; আনকি ক'ভিড সংক্ৰমণৰ বাতৰি বিশ্বস্বাস্থ্য সংস্থালৈ প্ৰেৰণ কৰা প্ৰথম দেশখন আছিল চুবুৰীয়া টাইৱানহে। পাছলৈও চীনে ক'ভিডৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় অধ্যয়নত সহযোগ কৰা নাই যদিহে কমিউনিষ্ট দেশখনে ক'ভিড-১৯ সংক্ৰমণৰ তথ্য তৎকালীনভাৱে প্ৰকাশ কৰিলেহেঁতেন, তেনেহ'লে একোখন দেশত লাখ লাখ লোকৰ মৃত্যু নঘটিলহেঁতেন।

সি যিয়েই নহওক, শেহতীয়াভাৱে ক'ভিড সংক্ৰমণৰ কালছোৱাতে চীনৰ আৰ্থিক উত্থান ঘটিছে; কিন্তু 'ডেল্টা' ভাইৰাছৰ পৰা মুক্তি পাবলৈ বিভিন্ন প্ৰান্তত কঠোৰ 'লকডাউন' ব্যৱস্থা প্ৰৱৰ্তন কৰিবলগীয়াত পৰিছে 'শূন্য ক'ভিড' লক্ষ্যৰ আধাৰত। তদুপৰি দেশখনে উদ্ভাৱন কৰা



অৱলোকন

ড° জয়কান্ত শৰ্মা

দুয়োটা ছিটাৰ ডেল্টা-প্ৰতিৰোধী ক্ষমতা কম বুলি প্ৰতিপন্ন হৈছে। আনকি ব্ৰাজিলকে ধৰি কে'বাখনো দেশে চীনৰ পৰা ছিটা লৈও মূৰকত ঘূৰাই দিছে। তাৰ বিপৰীতে ক'ভিড সংক্ৰমণৰ জটিল পৰিস্থিতিৰ মাজতে ভাৰতে থলুৱাভাৱে প্ৰস্তুত কৰি উলিয়ালে দুটাকৈ ছিটা, 'কোভেক্সিন' আৰু 'ক'ভিশ্বিল্ড' দুয়োটা ছিটাই আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছে। ভাৰতে বিশ্বৰ ৯৫ খন দেশলৈ ছিটাৰ যোগান ধৰিছে, তাকো প্ৰায়বোৰ দেশলৈ বিনামূলীয়াকৈ। সেয়েহে আন্তঃৰাষ্ট্ৰীয় মঞ্চত ভাৰত আজি প্ৰশংসাৰ পাত্ৰ।

এতিয়া বিশ্বজুৰি একডজনমান ক'ভিড প্ৰতিৰোধী ছিটাৰ ব্যৱহাৰ হৈ আছে। এই ছিটাবোৰে অমিক্ৰন প্ৰতিৰোধ কৰিব পাৰক বা নোৱাৰক, মানৱ দেহত ভাইৰাছৰ বিৰুদ্ধে সুৰক্ষা ব্যৱস্থাৰ সৃষ্টি কৰে, সেইটো অস্বীকাৰ কৰিব নোৱাৰি। সেয়েহে বিশ্ব স্বাস্থ্য সংস্থাই পৰামৰ্শ দিছে, দেশে দেশে এশ শতাংশ প্ৰাপ্তবয়স্ক নাগৰিকৰ টিকাকৰণ সম্পূৰ্ণ কৰি তোলাটোৱেই হ'ল ভাইৰাছৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ উপায়। আনহাতে, ৰাজহুৱা জীৱনত নাগৰিকসকলে পাৰস্পৰিক সংস্পৰ্শ এৰাই চলাটো নিশ্চিতভাৱে সমস্যা লাঘৱ কৰাৰ অন্যতম উপায়।

পিছে বিশ্ব স্বাস্থ্য সংস্থাৰ পৰামৰ্শ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত হেঙাৰ নথকা নহয়। প্ৰথম হেঙাৰটোৱেই হ'ল, ৰাষ্ট্ৰসমূহৰ মাজৰ অৰ্থনৈতিক বৈষম্য। চহকী দেশসমূহে এশ শতাংশ লোকৰ টিকাকৰণ সম্পূৰ্ণ কৰি তোলাৰ দিশত অগ্ৰসৰ হৈছে ঠিকেই, কিন্তু ৫০ শতাংশ নাগৰিকৰ টিকাকৰণো সম্পূৰ্ণ কৰিব পৰা নাই উন্নয়নশীল দেশসমূহে। দৰিদ্ৰ দেশসমূহৰ স্থিতি আৰু পুতৌজনক।

অক্টোবৰৰ শেষৰ সপ্তাহত পেৰিছত অনুষ্ঠিত জি-২১ৰ শীৰ্ষ সন্মিলনত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে সকলো দেশৰ বাবে ক'ভিডৰ ছিটা সহজলভ্য কৰি তুলিবলৈ উন্নত দেশসমূহে ছিটা প্ৰস্তুতকৰ্তা কোম্পানীসমূহক ধনৰ বিনিময়ত সংৰক্ষিত স্বত্ব ত্যাগ কৰিবলৈ সৈমান কৰা উচিত, যাতে ধনী-দুখীয়া নিৰ্বিশেষে বিশ্বৰ সকলো নাগৰিকে ছিটা গ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব পাৰে। নিঃসন্দেহে প্ৰস্তাৱটো মানৱ জাতিৰ চৰম বিপৰ্যয়ৰ মাজত মানৱীয় অধিকাৰ ৰক্ষাৰ দিশত দিক্‌নিৰ্ণয়কাৰী আছিল; কিন্তু ৰূপায়ণৰ বাবে কোনোখন দেশ আগবাঢ়ি অহা নাই। ফলত আজি অৰ্থৰ অভাৱতে দৰিদ্ৰ আৰু উন্নয়নশীল দেশবোৰত সাৰ্বজনীন টিকাকৰণ কাৰ্যসূচীৰ ভৱিষ্যত অনিশ্চিত। অথচ সকলো দেশে টিকাকৰণ সম্পূৰ্ণ কৰি নোতোলালৈকে কোনোৱেই সুৰক্ষিত নহয়।

সাৰ্বজনীন টিকাকৰণৰ ক্ষেত্ৰত আন এটা হেঙাৰ হ'ল, জনসাধাৰণৰ মাজত ছিটাৰ গ্ৰহণযোগ্যতা। গণতান্ত্ৰিক দেশসমূহত ছিটা লোৱাটো বাধ্যতামূলক কৰিব নোৱাৰি; নাগৰিক সকলৰ দায়বদ্ধতা আৰু সুবুদ্ধিৰ ওপৰতে টিকাকৰণ কাৰ্যসূচীৰ সাফল্য নিৰ্ভৰশীল। অৱশ্যে চৰকাৰী প্ৰচাৰ আৰু সমাজৰ বিশিষ্ট লোকসকলৰ দৃষ্টান্তই সাধাৰণ নাগৰিকসকলক ছিটা ল'বলৈ আগ্ৰহী কৰি তোলে; কিন্তু ভাৰতৰ দৰে দেশত ৰাজনৈতিক ন্যস্ত স্বাৰ্থ পূৰণ কৰিবলৈকে এচাম বিৰোধী নেতাই টিকাকৰণৰ বিৰুদ্ধে অপপ্ৰচাৰ চলায়, সেইটো কম দুৰ্ভাগ্যজনক নহয়।

**বিশ্ব স্বাস্থ্য সংস্থাই পৰামৰ্শ দিছে, দেশে দেশে এশ শতাংশ প্ৰাপ্তবয়স্ক নাগৰিকৰ টিকাকৰণ সম্পূৰ্ণ কৰি তোলাটোৱেই হ'ল ভাইৰাছৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ উপায়। আনহাতে, ৰাজহুৱা জীৱনত নাগৰিকসকলে পাৰস্পৰিক সংস্পৰ্শ এৰাই চলাটো নিশ্চিতভাৱে সমস্যা লাঘৱ কৰাৰ অন্যতম উপায়।**

শেহতীয়াভাৱে সৰ্বোচ্চ ন্যায়ালয়ে এখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনৰ ভিত্তিত বিচাৰ কৰিবলৈ লৈছে, ভাৰতত এতিয়ালৈকে ছিটা লোৱাৰ ফলত কিমান সংখ্যক নাগৰিকৰ জীৱন বিপন্ন হ'ল? কেন্দ্ৰীয় চৰকাৰে স্পষ্ট ভাষাত এই শুনানিৰ বিৰোধিতা কৰিছে। নগণ্য সংখ্যক লোকৰ দেহত ছিটাৰ বিৰূপ প্ৰতিক্ৰিয়া পৰিলক্ষিত হ'লেও ভাইৰাছ সংক্ৰমণৰ এই আপদকালত টিকাকৰণত দ্বিধাগ্ৰস্ততা সৃষ্টি কৰিব পৰা বাৰ্তা ন্যায়পালিকাই নিদিয়া ভাল। চৰকাৰৰ এই স্থিতি আদৰণীয়; কাৰণ এয়া হ'ল সম্পূৰ্ণ টিকাকৰণ কাৰ্যসূচী ৰূপায়ণৰ সময়।


ইতিমধ্যে ভাৰতৰ প্ৰাপ্তবয়স্ক লোকৰ ৮৫ শতাংশতকৈ অধিক সংখ্যকে এপালিকৈ হ'লেও ছিটা গ্ৰহণ কৰি দায়বদ্ধতাৰ পৰিচয় দিছে; দুয়োপালি ছিটা লোৱা লোকৰ সংখ্যা ৫০ শতাংশতকৈও বেছি। পাঁচ ডিচেম্বৰ (২০২১)ৰ তথ্য অনুসৰি বিগত এটা পষেকতে দহ কোটি লোকক ছিটা দিয়া হৈছে, যিটো এক অভিলেখ। সদ্যহতে ৰাজ্যসমূহত আৰু ২১ কোটি লোকৰ টিকাকৰণৰ বাবে ছিটা মজুত আছে। এতিয়া ৰাজ্যসমূহত ঘৰে ঘৰে গৈ ছিটা দিয়াৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। এনে পটভূমিত ৰাষ্ট্ৰীয় ভাইৰাছ পৰীক্ষণ গৱেষণাগাৰসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে দাবী জনাইছে, চল্লিছ বছৰৰ উৰ্ধ্বৰ যিসকল লোকে দুয়োপালি ছিটা গ্ৰহণ কৰিছে তেওঁলোকক অধিক সক্ৰিয় ছিটাৰ পালি ল'বলৈ দিয়া উচিত। পিছে এই সময়তে প্ৰশ্ন উঠিছে, শিশুসকলৰ টিকাকৰণ কেতিয়াকৈ আৰম্ভ হ'ব?

নক'লেও হয় যে কৰ'না সংক্ৰমণৰ পৰিস্থিতিত শিশুসকলৰ শৈক্ষিক জীৱন বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছে। মোটামুটিভাৱে প্ৰায়বোৰ ৰাজ্যত বিদ্যালয়ৰ শিক্ষাৰ সলনি অনলাইন শিক্ষাহে চলিছে। পিছে অনলাইন শিক্ষা গ্ৰহণত শিশুসকল কিমান অভ্যস্ত! তদুপৰি সকলোতে 'নেটৱৰ্ক' আছেনে বা সকলোৰে হাতে-হাতে 'স্মাৰ্টফোন' আছেনে? শেহতীয়াভাৱে বিভিন্ন প্ৰান্তত ক্ষেত্ৰবিশেষে স্কুলীয়া পাঠদান আৰম্ভ হ'লেও সংকোচৰ অন্ত পৰা নাই। এনে পৰিস্থিতিত কম পক্ষেও বাৰ বছৰৰ উৰ্ধ্বৰ শিশুসকলৰ টিকাকৰণ আৰম্ভ হোৱা উচিত।

অমিক্ৰনে বিশ্বক বাৰুকৈয়ে সন্ত্ৰস্ত কৰি তুলিছে। ভাৰততো অমিক্ৰনৰ লহৰ ক্ৰমে তীব্ৰ হ'ব লাগিছে। ভাৰতীয় চিকিৎসা বিজ্ঞান গৱেষণা সংসদ আৰু ৰাষ্ট্ৰীয় 'ভাইৰাছ গৱেষণা কেন্দ্ৰ'ই ভাইৰাছবিধৰ গঠন-প্ৰকৃতিৰ বিষয়ে অধ্যয়ন চলাইছে, যাতে ছিটাৰ কাৰ্যকাৰিতা সম্পৰ্কে নিশ্চিত হ'ব পৰা যায়। ৰাষ্ট্ৰীয় পৰামৰ্শদাতা সমিতিয়ে শীঘ্ৰেই সিদ্ধান্ত ল'ব, দুয়োপালি ছিটা গ্ৰহণ কৰা লোকক তৃতীয় পালি দিব পৰা যায় নেকি? অৱশ্যে চৰকাৰেও 'অমিক্ৰন'ৰ সংক্ৰমণৰ সন্দৰ্ভত চোকা দৃষ্টি ৰাখিছে বুলি কৈছে। শীঘ্ৰেই 'অতি সক্ৰিয় ছিটা' আৰু শিশুৰ ছিটা ব্যৱহাৰ কৰাৰ বিষয়ে সিদ্ধান্ত লোৱা হ'ব বুলিও চৰকাৰে সদৰী কৰিছে। পিছে ভাইৰাছৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ উপায়টো যে জনসাধাৰণৰ সজাগতা তথা সচেতনতা, সেই বিষয়ে সন্দেহ নাই। *ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

খোলা মঞ্চ

## অসমীয়াৰ বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই যাব নেকি?



**অসমীয়া** বৰ্ণাঢ্য সাজপাৰ অসমীয়া কৃষ্টি-সংস্কৃতিৰ অবিচ্ছেদ্য অংগ, অসমৰ পৰম্পৰাগত আৰু বৈশিষ্ট্যপূৰ্ণ ঐতিহ্যৰ বাহক। অসমীয়া ভাষা যেনেকৈ অসমীয়া জাতিৰ সুকীয়া পৰিচয় অসমীয়া সাজপাৰো অসমীয়াৰ স্বকীয় পৰিচয়, গৌৰৱৰ আধাৰ। নিজস্ব সাজপাৰ, নিজস্ব ভাষা, নিজস্ব সংস্কৃতিৰ বাবে আমি আমাৰ পৰিচয়, এটা সমৃদ্ধ জাতি হিচাপে বিশ্বৰ আগত দাঙি ধৰিব পাৰিছো। এই পৰিচয় আমি যিকোনো মূল্যৰ বিনিময়ত চিৰন্তন পৰিচয় হিচাপে ৰক্ষা কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰা উচিত। আমাৰ অকৰ্মণ্যতাৰ বাবে যেনেকৈ আমাৰ পথাৰ আমাৰ বজাৰ লাহে লাহে একাংশ পমুৱা মুছলমানৰ হাতলৈ গৈছে বা গৈ আছে ঠিক তেনেকৈ অসমীয়া সাজপাৰো আমাৰ অনাদৰ অৱহেলাৰ বাবে সময়ৰ গতিত বিলীন হ'ব পাৰে বুলি ভবাটো অমূলক বা অবান্তৰ কথা নহয়।

অসমীয়া সাজপাৰ বুলিলে সাধাৰণতে আমি বুজো মতা মানুহৰ বাবে শিৰত গোজা টুপী বা পাগুৰি, ডিঙিত গলবস্ত্ৰ-গামোচা, চেলেং, চাদৰ, চুৰিয়া, কিংখাপ, খনীয়া চোলা, হাত দীঘল অথবা হাত চুটি দীঘল চোলা, পাঞ্জাৱী চোলা, কঁকালত ধুতি-টঙালি, পায়জামা। নাৰীৰ বাবে ৰিহা চাদৰ-মেখেলা-পেটিকোট। আ-অলংকাৰ আছেই। ইয়াৰ উপৰি জনজাতীয় লোকসকলৰ চকু টানি নিয়া বৰ্ণাঢ্য সাজপাৰ আছেই। বিশ্ব দৰবাৰতো অসমীয়া সাজপাৰৰ এক সুকীয়া পৰিচয় আছে। অসমীয়া সাজপাৰৰ সুন্দৰতা অনন্য। ই অতি মাৰ্জিত। শালীনতাও সুন্দৰভাৱে দেখা যায়। এক কথাত ক'বলৈ হ'লে অসমীয়া সাজপাৰত শান্তি আছে, সম্প্ৰীতি আছে, আনন্দ আছে সভ্যতা আছে আৰু আছে সংস্কৃতি। কিছুমান পোছাক যেনে চুৰিয়া, চেলেং, কিংখাপ, খনীয়া চোলা আদিৰ প্ৰচলন যথেষ্ট পৰিমাণে সীমিত হৈছে। আজিৰ প্ৰজন্মই এনেকি আমি বহুতে এই বিলাক পোছাক দেখা নাই বা পৰিধান কৰা নাই। ইয়াৰে কিছুমান বৰ্ণাঢ্য হিচাপে সাঁচতীয়া সাজপাৰৰ ৰূপ ধৰি সবাহ-সমিতি, বিবাহ-পাৰ্বণ, ধৰ্মীয় অনুষ্ঠান আদিতহে বিশেষভাৱে সাজি-কাচি পিন্ধা হয় আৰু সৰহভাগ দৈনন্দিন জীৱনত ব্যৱহৃত। গতিকে যি পোছাক পৰিধান কৰিলে সময় কম লাগে আৰু আৰামদায়ক হয়, তেনেবোৰ পোছাকৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িছে। এয়া সময়ৰ আহ্বান। আধুনিক জীৱন ধাৰণৰ লগত খাপ খুৱাই সকলোৱে পিন্ধিব পৰাকৈ বিভিন্ন আকৰ্ষণীয় ডিজাইনেৰে তৈয়াৰ কৰা মেখেলা-চাদৰ বৰ্তমান প্ৰচলিত হৈছে। এয়াও সময়ৰে আহ্বান। অসমীয়া বৰ্ণাঢ্য সাজপাৰৰ ভিতৰত গামোচা আৰু মেখেলা-চাদৰ সৰ্বজনবিদিত, বিশ্ব মঞ্চত প্ৰতিষ্ঠিত। গামোচা সন্মান আৰু ভালপোৱাৰ প্ৰতীক। গামোচা অসমীয়াৰ ট্ৰেডমাৰ্ক বুলি জনাজাত হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ গলত গামোচাখন দেখিলে আমাৰ মন আহ্লাদিত হৈ উঠে। সকলো প্ৰকাৰৰ অসমীয়া বৰ্ণাঢ্য সাজপাৰ একেই ৰূপত বৰ্তি থাকিব বুলি আশা কৰিব নোৱাৰি। ৰূপান্তৰ ঘটিব। সময়ৰ সোঁতত যেনেকৈ যিকোনো জীৱিত ভাষাৰ কিছুমান শব্দ বিলুপ্ত হয় আৰু নতুন শব্দৰ জন্ম হয়, ঠিক তেনেকৈ যিকোনো জাতিৰে জাতীয় পোছাকৰ অংশ বিশেষ বিলুপ্ত হ'ব পাৰে আৰু নতুন ৰূপত প্ৰকাশিত হ'ব পাৰে। অসমীয়া বৰ্ণাঢ্য সাজপাৰৰ ক্ষেত্ৰতো একেই উপপাদ্য প্ৰযোজ্য।

অসম চৰকাৰে বিধানসভাত আৰু কাৰ্যালয়ত অসমীয়া পৰম্পৰাগত সাজপাৰ পৰিধান কৰাৰ এটা প্ৰথা আৰম্ভ কৰিছিল। ফলপ্ৰসু হোৱা যেন নালাগিল। স্কুল-কলেজতো মাহেকত চাৰি/পাঁচদিন হ'লেও পৰম্পৰাগত অসমীয়া সাজপাৰ পৰিধান কৰাত জোৰ দিব লাগে। অসমীয়া বৰ্ণাঢ্য সাজপাৰ আ-অলংকাৰ সংৰক্ষণৰ বাবে সমগ্ৰ অসমবাসী আগবাঢ়ি আহিব লাগিব।

**দিলীপ কুমাৰ শৰ্মা,** *লেখক*

ফোন ঃ ৯৮৫৯৯৪৪৪৮৫

## এনে অনিশ্চয়তাৰ অৱসান কেতিয়া?

**ছয়** ডিচেম্বৰ সোমবাৰে 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'এনে অনিশ্চয়তাৰ অৱসান কেতিয়া?' শীৰ্ষক নিৱন্ধটোৰ নিৱন্ধকাৰ, সম্পাদক প্ৰাঞ্জলসেন ডেকাই অসমৰ জনসাধাৰণৰ বৰ্তমানৰ বাস্তৱ চিত্ৰ এখন এই লিখনিটোৰ জৰিয়তে দাঙি ধৰিছে।

অনিশ্চয়তাৰ কৰাল গ্ৰাসত পৰি সাধাৰণ জনতাই কক্‌বকাই থাকি উপায়ৰ পথ বিচাৰি ফুৰিছে; কিন্তু সকলো পথ বন্ধ। কি কৰিব, ক'ত যাব উৱাদিহ হেৰাই জীয়াই থাকিও অনুভৱ হৈছে মৰা যেন। বজাৰত জুই ছাই দাম, কাম বিচাৰি কাম নাপায়, হাতত টকা নাই, কোনে কৰিব সহায়? থকা বিলাকে মৰাক মাৰি খায়, উপায় নাপায়, ভগৱানৰ ফালে মুখ কৰি কৰে হায়! হায়! ঘৰত শান্তি নাই, বাহিৰলৈ ওলাব নোৱাৰে, জানোচা কৰ'নাই লগ পায়। এনেকৈ হেজাৰ হেজাৰজনে অনিশ্চয়তাত দিন অতিবাহিত কৰিছে। সম্পাদক ডেকাই মৃতপ্ৰায় জীয়াই থকা মানুহখিনিৰ বেদনা সুন্দৰ ভাষা সংযোজনেৰে উপস্থাপন কৰিছে।

কোন ক'ত হেৰাই গ'ল? কিমানজনী মাতৃৰ বুকু উদং হ'ল? কাৰ কপালৰ ফোঁট মচা গ'ল? কিমানজন পিতৃ-মাতৃহীন হ'ল? কিমানৰ হাঁহি-খিকিন্দালিৰে ভৰি থকা ঘৰখন নিমিষতে ছাৰখাৰ হ'ল? তাৰ লেখ-জোখ ল'বলৈ মানুহ নোহোৱা হ'ল।

কোনো কাৰো ঘৰলৈ নোযোৱা হ'ল। দামী দামী চোফাবোৰ সুসজ্জিত ৰূপসজ্জা কোঠালিত পৰি ৰ'ল। বহিবলৈ মানুহ নোহোৱা হ'ল। কোনোবা আহিলেও বাৰাণ্ডাতে কথা পতা হ'ল। কৰ'নাৰ ভয়ত অভিজাত্যৰ ভেম নোহোৱা হ'ল। মৃত্যুৰ ভয়ে খেদি ফুৰিছে; কিন্তু জীয়াই থকাৰ তাড়নাতে ক্ষন্তেকৰ বাবে মৃত্যুৰ ভয় পাহৰি খাদ্যবস্তু বিচাৰি যায়। ভোকে মৃত্যুৰ জ্বালা পাহৰাই ৰাখে। এফালে মৃত্যুদূত কৰ'না, আনফালে জীয়াই থকাৰ তাড়না। অনিশ্চয়তাই চতুৰ্দিশ আৱৰি ধৰিছে।

অভিমত

কৰ'না কালত কিমানজনৰ চাকৰি গ'ল, তাৰ লেখজোখ নাই। জীয়াই থকাৰ একমাত্ৰ সমল নাইকিয়া হ'ল। বৃদ্ধ মাক-দেউতাকৰ মুখলৈ চাই হুমুনিয়াহ কাঢ়ে, উপায় বিচাৰি নাপায়। খাদ্যৰ যোগান ধৰিবলৈ ব্যৱস্থা নাই, মদৰ যোগান দিনে-দিনে বাঢ়ি যায়। মদ খাই দুখৰ উপশম কৰিবলৈ উপায় পায়। নিৰ্বাচিত প্ৰতিনিধিয়ে চৰকাৰ চলায়। জনসাধাৰণৰ দুখৰ দিনত সঁহাৰি নাই। উন্নয়নৰ ফটাঢোল বজায়, আনে প্ৰশংসা নকৰিলেও নিজে নিজক জহায়। জনতাৰ পেটৰ তাড়না, নেতাৰ ক্ষমতাৰ ভাৱনা। ভাল দিন আহিব নে আকৌ? অনিশ্চয়তাৰ অৱসান হ'ব নে?

বাতৰি কাকত, বৈদ্যুতিন মাধ্যম আদিত প্ৰচাৰিত আৰু প্ৰকাশিত মৃত্যুৰ বাতৰিয়ে জনসাধাৰণৰ মনত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। হায়! জীৱৰ বিলাই! উগ্ৰ জনতাই আইনৰ কথা পাহৰি নিজকে বিচাৰকৰ্তাৰ জ্ঞান কৰি নিৰীহজনক হত্যা কৰিছে। ক্ষমতাৰ অপপ্ৰয়োগ কৰি ন্যায়ালয়ক ভেঙুচালি কৰি, নাটক ৰচনা কৰি, নায়কৰ ভাও লৈ নৰপিশাচক হত্যা কৰিছে। মানুহ জীৱ শ্ৰেষ্ঠ। মানুহৰ গুণবোৰ ক'ত হেৰাই গ'ল? অভয়দান, আত্মা শুদ্ধিকৰণ, জ্ঞান যোগৰ অনুশীলন, দয়া, ক্ষমা, দান, ইন্দ্ৰিয় দমন, আত্মসংযম, সহিষ্ণুতা, সৰলতা, অহিংসা, সত্য, ক্ৰোধহীনতা, কৰুণা আদি কিতাপৰ পাতত থাকি গ'ল। মানুহৰ আচৰণত বিপৰীত প্ৰতিচ্ছবি প্ৰতিফলিত হ'ল। মানুহে মানৱৰ গুণবোৰ মনত ৰাখি কৰ্মত অগ্ৰসৰ হোৱা উচিত। নেতা হোৱাৰ আগতেও মানুহ, নেতা হৈ থাকোতেও মানুহ আৰু শেষ পৰিণতিও জীৱৰ অন্তিম সত্য মৃত্যু। গতিকে সত্যক অসত্য সাজি, ঢাকনিৰে ঢাকি অসত্যৰ প্ৰচাৰ কৰি, অৰ্ধমৰ্ক ধৰ্ম মানি, প্ৰকৃত ধৰ্মক গুপ্ত কৰি বগলী ভকতৰ ভাও জুৰি, কিছুদিনৰ বাবে নিজক মহান সাজি ঈশ্বৰৰ আসনত অধিষ্ঠিত হ'ব পাৰি, কিন্তু ই ক্ষণস্থায়ী। সত্য প্ৰকাশ হ'বই, অৰ্ধমৰ বিনাশ হৈ ধৰ্ম প্ৰতিষ্ঠা হ'বই। সেইদিনা, সেই মহান ঈশ্বৰজনৰ আচল স্বৰূপ ওলাই পৰিব। ঘৃণাত সকলোৱে নাক কোচাব। লেই লেই, ছেই ছেই কৰিব। গতিকে সময়ৰ আঁত ধৰি সময় থাকোতে প্ৰথমে মানবীয় গুণবোৰ আহৰণ কৰি আচৰণত মানুহ হ'ব লাগিব, তাৰ পাছত দৈৱিক গুণবোৰ আহৰণ কৰি দেৱতাৰ আসনত বহিব পাৰিব। তেতিয়া সকলোৱে পূজা কৰিব।

সম্পাদক প্ৰাঞ্জলসেন ডেকাৰ বাস্তৱধৰ্মী চিন্তাধাৰা প্ৰশংসনীয়। ভৱিষ্যতে এনেধৰণৰ লিখনী শ্ৰদ্ধাৰে কামনা কৰিলো।

**জ্যোতিষ চন্দ্ৰ দত্ত**

হাতীগাঁও, গুৱাহাটী

ফোন ঃ ৯৮৫৪০৪১৮১৫

## বিশ্ব ৰেকৰ্ড কৰিবলৈ গৈ বিশ্বৰ মজিয়াত অসমক লজ্জিত নকৰিব

**শিল্পী** শব্দটো শুনিবলৈ শুৱলা; কিন্তু তাক হৃদয়ংগম কৰাটো অতি জটিল, পৃথিৱীৰ ভিন্ন প্ৰান্তৰ মানুহৰ সংস্কৃতিৰ ভিন্নতা আছে; কিন্তু সাংস্কৃতিক চেতনা একেই, জীৱন ধাৰণৰ প্ৰণালী বেলেগ বেলেগ; কিন্তু জীয়াই থকাৰ তাড়না একেই, খাদ্য সম্ভাৰ বেলেগ বেলেগ; কিন্তু পেটৰ ভোকৰ যন্ত্ৰণা একেই, ধৰ্ম বেলেগ বেলেগ; কিন্তু নেদেখা জনৰ প্ৰতি শ্ৰদ্ধা একেই, এই কথাবোৰ এজন শিল্পীয়ে যেতিয়া বুজি নুঠিব, তেতিয়া প্ৰকৃত অৰ্থত তেওঁ এতিয়া শিল্পী নহয়, এতিয়া পদূলিয়ে পদূলিয়ে একাংশ শিল্পীৰ ৰেকৰ্ড বুকত নাম উজ্বলোৱাৰ দৌৰ আৰম্ভ হৈছে, ইয়াৰে অধিকাংশ শিল্পীয়েই প্ৰচাৰ কেন্দ্ৰিক, পাবত গজা, অপৰিপক্ক, এই কথা সেইসকল শিল্পীক সন্মুখত বহুৱাই প্ৰমাণ কৰিব পাৰো,



নিজৰ নিৰলস সাধনাৰে বিখ্যাত হোৱা আৰু বিখ্যাত হ'বৰ বাবে শিল্পী হোৱা দুয়োটাৰ পাৰ্থক্য এতিয়া জনসাধাৰণে বুজা হৈছে,— এই মন্তব্য আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন, এছিয়াৰ প্ৰথমগৰাকী ইলুছনিষ্ট শুচিব্ৰত ৰয়ৰ, উল্লেখযোগ্য যে শৈশৱৰ পৰাই কৃষ্ণগুৰু দৰ্শন, মহাভাৰত, ৰামায়ণৰ দ্বাৰা অনুপ্ৰাণিত শিল্পীগৰাকীয়ে প্ৰকৃত শিল্পীৰ বাবে আধ্যাত্মিকতাৰ চৰ্চা খুবেই জৰুৰী বুলি মন্তব্য কৰে, তেওঁ কয় যে বিশ্ব ৰেকৰ্ড কৰিবলৈ গৈ বিশ্বৰ বুকুত অসমক লজ্জিত কৰাতকৈ আমাৰ শিল্পীয়ে অভিজ্ঞতাৰ মুকুতা বুটলি সেই মুকুতাৰে অসমখনক সজাব আৰু বিশ্বৰ মজিয়াত অসমক উজ্বলাব......

## আমাৰ পৃথিৱী এতিয়া ধংসৰ পথত

**আমাৰ** সমাজখন এতিয়া বহুতো উন্নতিৰ পথত আগবাঢ়িছে যদিও এফালৰ পৰা চাবলৈ গ'লে পৃথিৱীখন ধংসৰ পথত গৈ আছে। মানুহে নিজৰ ভৰিত নিজে কুঠাৰ মাৰিবলৈ গৈ আছে।

মানুহে নিজৰ উপাৰ্জনত ইমান মগ্ন যে মানুহে নিজে নিজক বিপদৰ সন্মুখলৈ ঠেলি দি আছে। মানুহে নিজৰ কৰ্মৰ কাৰণে, নিজৰ উপাৰ্জনৰ কাৰণে গছ-গছনি কাটি তহিলং কৰি বহুতো ডাঙৰ ডাঙৰ কল-কাৰখানা স্থাপন কৰিছে। যাৰ ফলত সেই কল-কাৰখানাৰ পৰা ওলোৱা ধোঁৱা, বিষাক্ত গেছ আদিয়ে বায়ুমণ্ডল প্ৰদূষণ কৰিছে। আনফালে যিমান গাড়ী-মটৰৰ সংখ্যা বাঢ়িছে সিমান বায়ুৰ লগতে পৰিবেশ প্ৰদূষণ হৈ গৈ আছে। গাড়ী-মটৰৰ পৰা ওলোৱা ধোঁৱা, বিষাক্ত গেছ আদিয়ে বায়ু প্ৰদূষণ কৰিছে। ফলস্বৰূপে মানুহৰ বিভিন্ন বেমাৰৰ লগতে বহুতো সমস্যা বাঢ়িছে।

এই বায়ু প্ৰদূষণৰ ফলত মানুহৰ লগতে জীৱ-জন্তু, উদ্ভিদ জগততো বহুতো সমস্যা সৃষ্টি কৰিছে। যাৰ ফলত মানুহে বিভিন্ন ৰোগত ভুগিছে, যেনে— সোনকালে ভাগৰ লগা, হাওঁফাওঁৰ ৰোগ, ব্ৰংকাইটিছ, ছালৰ ৰোগ আদি



বিভিন্ন ৰোগত আক্ৰান্ত হোৱা দেখা গৈছে। কল-কাৰখানাৰ ওচৰত বাস কৰা প্ৰাণীবোৰৰ ফ্ল'ৰিন সেৱনৰ বাবে ফ্ল'ৰিছিছ ৰোগত আক্ৰান্ত হোৱা দেখা গৈছে। প্ৰদূষিত পানী আৰু বায়ুয়ে নদ-নদী, খাল-বিল, পুখুৰী, আনকি সাগৰৰ পানী প্ৰদূষিত কৰে যাৰ ফলত সাগৰত বাস কৰা প্ৰাণীবোৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু সেই সাগৰৰ মাছ খাই মানুহে বিভিন্ন ৰোগত আক্ৰান্ত হৈছে।

আনফালে মানুহে গছ-বন কাটি তহিলং কৰি ডাঙৰ ডাঙৰ অট্টালিকা সাজিছে আৰু নিজৰ নিজৰ উপাৰ্জনৰ কাৰণে বননী ধ্বংস কৰিছে। গতিকে স্বাভাৱিকতে বৰষুণৰ পৰিমাণ কমিছে; ফলত মানুহৰ মাজত পানীৰ অভাৱ দেখিবলৈ পোৱা গৈছে।

মানুহে ভৱিষ্যতৰ কথা নাভাবি যদি গছ-বন কাটি পৃথিৱীক ধ্বংস পথত লৈ গৈ থাকে, কল-কাৰখানা স্থাপন কৰি লগতে বিভিন্ন ধৰণৰ গেছ ব্যৱহাৰ কৰি বায়ু প্ৰদূষণ কৰে তেতিয়া মানুহৰ মাজত অক্সিজেনৰ অভাৱ হ'ব; লগতে আমি এটোপাল পানীৰ কাৰণে হাহাকাৰ কৰিব লাগিব। এদিন নহয় এদিন সঁচাকৈ আমাৰ পৃথিৱী ধ্বংস হ'ব।

**ৰিজুমণি ৰাভা**

ফোন ঃ ৮১৩৪০১৪২৩১

## আমাক চিটিবাছ লাগে

**মহানগৰৰ** অন্তৰ্গত মাদাৰ টেৰেছা পথত থকা জনসাধাৰণে চিটিবাছৰ অভাৱত যমৰ যাতনা ভুগিবলগীয়া হৈছে। বহুবছৰ আগতে এই পথটোত চিটিবাছ চলাচল কৰিছিল। যাৰ বাবে সাধাৰণ জনসাধাৰণৰ কিছু সকাহ হৈছিল। তেতিয়া কি চক্ৰত পৰি চিটিবাছৰ অহা-যোৱা বন্ধ হ'ল বুজি পোৱা নহ'ল। যোৱা এবছৰ আগৰ পৰা দিছপুৰ ছুপাৰ মাৰ্কেটৰ উৰণীয়া সেঁতুৰ কাম আৰম্ভ হোৱাৰ পাছত পাঞ্জাবাৰীৰ পৰা চিটিবাছসমূহ ছয়মাইল, নাৰেংগী, গীতানমন্দিৰ হৈ চলাই আছিল। উৰণীয়া সেঁতুখন উদ্বোধন হোৱাৰ পাছতো গাড়ীসমূহ চলি আছিল। কিন্তু হঠাৎ এই চিটিবাছসমূহ বন্ধ কৰি দিয়া হ'ল। ইয়াত কিবা ৰহস্য থকা যেন অনুমান হয়। যাহওক এই ঘন জনবসতিপূৰ্ণ এটা অঞ্চলৰ ৰাইজে যাতায়াতৰ ভীষণ অসুবিধাৰ সন্মুখীন হৈছে। বিশেষকৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী বাৰুকৈয়ে অসুবিধাত পৰিছে। কাৰণ অট', মেজিক আদিৰ ভাড়া আগৰ তুলনাত দুগুণ আদায় কৰি আছে। এই অঞ্চলত কিছুমান অতি দুখীয়া ল'ৰা-ছোৱালী আছে।



সেয়েহে, এই অঞ্চলৰ প্ৰতি লক্ষ্য ৰাখি পথটোত চিটিবাছেৰে অহা-যোৱাৰ এটা উচিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো।

**অনিল দাস,** ফোন ঃ ৯৪৩৫০১৫৯৪৫


# মহাত্মা গান্ধীৰ সুষম আহাৰ আৰু তেওঁৰ ৰন্ধন প্ৰণালী



১৯৩১ত লণ্ডনৰ এখন পশুমেলাত বগা ছাগলী এজনীৰ স'তে গান্ধীজী

'গৌতম বুদ্ধ আৰু যীশুখ্ৰীষ্টৰ বাণীৰ দৰেই গান্ধীজীৰ অহিংসা আৰু মানৱতাবাদৰ বাণীও যুগে যুগে অমৰ হৈ থাকিব। পাৰ্থক্য এয়ে যে গান্ধীৰ বাবে সত্যই ঈশ্বৰ'— ৰোমাঁ ৰোলা।

সৌৰাষ্ট্ৰ উপকূলত অৱস্থিত পোৰবন্দৰ চহৰৰ দেৱান কৰম চাঁদ গান্ধী আৰু পত্নী পুতলী বাইৰ নুমলীয়া সন্তান মোহনদাসক দেশৰ পৰম্পৰা মানি ১৩ বছৰ পূৰ নৌহওঁতেই সমবয়সীয়া কস্তুৰ মাকাঞ্জি কাপাডিয়া নামৰ কন্যাটিৰ লগত বিবাহ সম্পন্ন কৰা হৈছিল। 'প্ৰখৰ স্মৃতিৰ মোহনে কোনোবাদিনা লণ্ডনত উচ্চ শিক্ষা ল'ব পাৰিব' বুলি কৰা পিতৃৰ মন্তব্যৰ পাছত যেতিয়া পিতৃ কৰমচাঁদৰ দেহাৱসান হ'ল, তেতিয়া পিতৃ বাক্য কাৰ্যত পৰিণত কৰিবলৈ মাতৃ পুতলী বাই সাজু হ'ল। কিন্তু তেওঁলোকৰ মধ সম্প্ৰদায়ৰ আত্মীয়সকলে মোহন লণ্ডনলৈ যোৱাৰ বিষয়ত অনেক বাধা বিঘিনি আৰোপ কৰিলে। মোহনৰ লণ্ডনলৈ যোৱা প্ৰচণ্ড আগ্ৰহ দেখি মাতৃ পুতলী বায়ে তেওঁক বিদেশত মদ-মাংস আৰু নাৰীৰ সংস্পৰ্শৰ পৰা আঁতৰি থাকিবলৈ শপত খুৱালে। এবাৰ সিদ্ধান্ত লোৱাৰ পাছত মোহনে কিন্তু সেই সিদ্ধান্ত এৰি দিয়া বিধৰ ব্যক্তি নাছিল। সকলো বাধা অতিক্ৰম কৰি ১৮৮৮ৰ ছেপ্টেম্বৰত মোহনে CLYDE নামৰ যাত্ৰীবাহী জাহাজখনত আৰোহণ কৰি সমুদ্ৰ যাত্ৰা আৰম্ভ কৰিলে। ২৫দিন সমুদ্ৰযাত্ৰাৰ পাছত ২৯ ছেপ্টেম্বৰৰ দিনা জাহাজ বিদেশৰ নিৰ্দিষ্ট বন্দৰত লাগি লণ্ডন পালেহি। লণ্ডনলৈ আহিয়েই মোহনদাসে পৰিয়ালৰ কাথিয়াৰী বন্ধু জ্যেষ্ঠ ডাঃ প্ৰাণ জীৱন মেহতা আৰু দলপত্ ৰায় শুক্লাক লগ পালেহি। তেওঁলোক দুজনেও লণ্ডনত আইনৰ উচ্চ শিক্ষা লৈ আছিল। ডাঃ মেহতাই মোহনক প্ৰথমে ইংলিছ শিষ্টাচাৰ শিকিবলৈ দলপত্ ৰায় শুক্লাৰ লগত থাকিবলৈ দিহা লগাই দিলে। এই সময়তে মোহনদাসে তেওঁৰ ঊনবিংশ জন্মদিনটো পৰিয়াল অবিহনেই পাৰ কৰিলে। প্ৰথমেই তেওঁ আইনৰ বেৰিষ্টাৰী শিক্ষাৰ বাবে The Inner Temple ত নামভৰ্তি কৰি ল'লে যদিও আহাৰ খোৱাৰ দিশত বিপদত পৰিল। লণ্ডনত নিৰামিষ আহাৰ বুলি যি আহাৰ তেওঁক খাবলৈ দিয়া হয়, সেইবোৰ স্বাদহীন আৰু সেৰেকা, তেওঁৰ পেট নভৰে। মোহনদাসে ৰাস্তাত খোজ কাঢ়িবলৈ অভ্যাস কৰাৰ পাছত এদিন হঠাৎ এখন নিৰামিষ আহাৰৰ ৰেস্তোৰাঁ দেখি হাততে সৰগ ঢুকি পোৱা যেন লাগিল। বিদেশত প্ৰথম তেওঁ মন-প্ৰাণ ভৰা এসাঁজ জুতি লগা আহাৰ খাবলৈ পালে। পাছত খোজকাঢ়ি ফুৰোতে যিমানবোৰ নিৰামিষ ৰেস্তোৰাঁ দেখিলে প্ৰতিখনতে তেওঁ আহাৰৰ জুতি লৈছিল। এদিন একেলগে বাস কৰা শুক্লাই মোহনক ইংলিছ শিষ্টাচাৰ শিকাবলৈ 'হলবোৰ্ণ' নামৰ এখন উচ্চমানৰ জকমকীয়া ৰেস্তৰাঁত ডিনাৰ খাবলৈ লৈ গৈছিল। ৰেস্তোৰাঁৰ খাদ্য তালিকা অনুযায়ী প্ৰথমে চুৰুহা পৰিবেশন কৰোতে তেওঁ কৰ্মচাৰীজনক চুৰুহাখন নিৰামিষ হয় নে নহয় বুলি প্ৰশ্ন কৰোতেই শুক্লাৰ খঙে মূৰৰ চুলি পালেগৈ। 'মাৰ্জিত সমাজৰ তুমি যোগ্য নোহোৱা' বুলি মোহনক ৰেস্তোৰাঁৰ বাহিৰলৈ যাবলৈ কৈ তেওঁৰ কাৰণে অপেক্ষা কৰিবলৈ ক'লে। ভোকে-পিয়াহে মোহনে ৰেস্তোৰাঁৰ বাহিৰৰ শুক্লালৈ অপেক্ষা কৰি থাকিল। এনে আজৰ কাণ্ডৰ পাছত মোহনে শিষ্ট সমাজত খাপ খাব পৰাকৈ তেওঁৰ নিৰামিষ ভোজী মতবাদ সংস্কৃতভাৱে গঢ়ি তুলিব বুলি সংকল্প ল'লে। ছমাহৰ পাছত তেওঁ বাসস্থান সলনি কৰি নিজাববীয়াকৈ থাকিবলৈ ল'লে। এটা ষ্টোভত নিজে আহাৰ ৰান্ধি খাবলৈ লৈ পুৱা অ'টমিল পৰিজ আৰু গধূলিৰ সাঁজত ৰুটি আৰু ককোৱা খাই দিনৰ আহাৰ তেওঁ নিৰামিষ ৰেস্তোৰাঁত খাবলৈ ল'লে। এনে সময়তে লণ্ডনৰ দুগৰাকী 'থিয়চফিষ্ট' ভাই-ককাইৰ দৃষ্টি আকৰ্ষণ কৰিলে শান্ত স্বভাৱৰ মোহনদাসে। সেই কালত লণ্ডনত চিন্তাবিদসকলৰ মাজত ঈশ্বৰতত্ত্ব আৰু নিৰীশ্বৰবাদ দুয়োটা বিষয়ৰ চৰ্চাই গুৰুত্ব পাইছিল। ব্ৰিটিছ লেখিকা এনি বেচান্ত-এ থিয়'চফীলৈ আকৰ্ষিত হৈ তেওঁলোকৰ দলত যোগ দিছিল। থিয়'চফিষ্ট ভ্ৰাতৃদ্বয়ে মোহনদাসক এইগৰাকী লেখিকাৰ বক্তৃতাবোৰ শুনিবলৈ পৰামৰ্শ দিয়াত তেওঁ এনি বেচান্তৰ সান্নিধ্যত ছমাহকাল কটাই হিন্দু ধৰ্মৰ গ্ৰন্থ পঢ়িবলৈ প্ৰেৰণা পালে। লণ্ডনৰ নিৰামিষভোজী আন্দোলন আৰু থিয়'চফিৰ চৰ্চাতো তেওঁ নামি পৰিল। লণ্ডনৰ নিৰামিষভোজী আন্দোলনটো পাশ্চাত্যৰ সাহিত্যিক ইমাৰ্চন, হেন্ৰি থ'ৰোৰ নিচিনা মনীষীসকলৰ অতিন্দ্ৰীয়বাদ আৰু প্ৰাকৃতিবাদী চিন্তাধাৰাৰে উদ্বুদ্ধ আছিল। ক্ৰমে নিৰামিষভোজী আন্দোলনত ওতঃপ্ৰোতভাৱে জড়িত হৈ মোহন দাস লণ্ডন ভেজিটেৰিয়ান ছ'চাইটিৰ কাৰ্যকৰী সমিতিৰ সদস্যৰূপে নিৰ্বাচিত হ'ল। ইতিমধ্যে তেওঁ আইনৰ অন্তিম পৰীক্ষাতো উত্তীৰ্ণ হ'ল। বৃত্তিধাৰী বেৰিষ্টাৰ হ'বলৈ Inner Temple ত জুনলৈকে তেওঁ শিক্ষা ল'ব লাগিব। ভেজিটেৰিয়ান ছ'চাইটিৰ সভা অনুষ্ঠিত কৰাৰে পৰা সভাৰ অতিথিসকলৰ ৰাতিৰ নিৰামিষ ছাপাৰৰ যোগাৰো ভাৰ পৰিল মোহনদাসৰ ওপৰত। ইয়াৰ বাবে তেওঁ ছাপাৰৰ কাৰণে ভ্ৰাতৃৰ লগত মচুৰ মাহৰ চুৰুহা আৰু শেষৰ মিঠা আহাৰৰ বাবে মনাক্কাৰ ব্যৱস্থা কৰিলে। ক্ৰমে মোহনদাস এজন খ্যাতি সম্পন্ন ব্যক্তিৰূপে স্বীকৃত হ'ল। পাছত বেৰিষ্টাৰী আইন পৰীক্ষাত সফলতা লাভ কৰি ভাৰতলৈ ফিৰি অহাৰ সিদ্ধান্ত ল'লে। ইয়াৰ বাবে তেওঁ এখন বিদায়কালীন



**অৱলোকন**

**অহল্যা গগৈ**

ভোজমেল অনুষ্ঠিত কৰিলে। তিনি বছৰ পূৰ্বে যিখন জকমকীয়া 'হলবোৰ্ণ' ৰেস্তোৰাঁত দলপত ৰায় শুক্লাই তেওঁক ইংলিছ শিষ্টাচাৰ বিৰোধী বুলি ৰেস্তোৰাঁৰ বাহিৰত অপেক্ষা কৰিবলৈ কৈছিল, সেই অভিজাত 'হলবোৰ্ণ' ৰেস্তোৰাঁতে মোহনদাস বিদায় সভাৰ আয়োজন কৰিলে আৰু হলবোৰ্ণ ৰেস্তোৰাঁই প্ৰথমবাৰৰ বাবে নিৰামিষ ভোজ আয়োজন কৰিবলৈ বিনা প্ৰতিবাদে মানি ল'লে। খাদ্য তালিকাত অৰ্ডাৰ দিয়া হ'ল মচুৰ মাহৰ চুৰুহা, ভাতৰ লগত পাচলিৰ ব্যঞ্জন আৰু শেহত মিঠা আহাৰৰূপে মনাক্কা। ইংৰাজসকলৰ দৰে ভোজৰ শেহত সংগীত আৰু ভাষণৰো আয়োজন কৰা হ'ল। ইংৰাজ অতিথিসকলে এনে ভোজমেলৰ আহাৰ উপভোগ কৰি আমোদিত হ'ল। মোহনদাসৰো সংকল্প পূৰা হ'ল। ১৮৯১ত বেৰিষ্টাৰৰ যোগ্যতা অৰ্জন কৰি নিজ মাতৃভূমি ভাৰতলৈ যাত্ৰা কৰিলে। ঘৰলৈ আহি মাতৃৰ মৃত্যুৰ বাতৰিয়ে তেওঁক মৰ্মাহত কৰিলে। পৰিয়াল আৰু স্ত্ৰী-পুত্ৰৰ সান্নিধ্যই মনত আনন্দ দিলেও কিন্তু পোৰবন্দৰ চহৰত জনসাধাৰণে বেৰিষ্টাৰৰ মোল বুলি নোপোৱা বাবে ককায়েক লক্ষীদাসৰ পৰামৰ্শ অনুসাৰে তেওঁ বোম্বে চহৰত থাকিবলৈ ল'লে। কিন্তু এই চহৰৰ মক্কেলসকলৰ দৃষ্টি তেওঁ আকৰ্ষণ কৰিব নোৱাৰি পুনৰ পোৰবন্দৰৰ ৰাজকোট চহৰলৈ ফিৰি আহিল। উকীল ককায়েক লক্ষী দাসৰ স'তে মিলি আদালতৰ আৰ্জি আৰু খচৰা প্ৰস্তুত কৰি যি উপাৰ্দন কৰিলে তাৰেই টুকটাককৈ শান্তিৰে চলি থাকিব পৰা হ'ল। কিন্তু এনে শান্তিৰ জীৱন কালত এটা অঘটন ঘটিল। স্থানীয় ইংৰাজ ৰাজবিষয়া 'চাৰ্লি অলিভেণ্ট', যিজনে ইংলণ্ডত তেওঁৰ বন্ধু আছিল, সেই গৰাকীক অফিচত লগ ধৰিবলৈ যাওঁতে এনে এটা পৰিস্থিতিৰ সৃষ্টি হ'ল যে, চাহাবৰ পিয়নজনে তেওঁক ডিঙিত ধৰি অফিচ কোঠাৰ পৰা বাহিৰ কৰি দিলে। এই মোক্ষম আঘাতে মোহনদাসৰ জীৱনৰ পথ সলনি কৰিলে। প্ৰথমবাৰৰ বাবে গান্ধীয়ে প্ৰত্যক্ষ কৰিলে বৰ্ণভিত্তিক দম্ভ আৰু উদ্ধত্যৰ ৰূপ। এই

> **তিনি বছৰ পূৰ্বে যিখন জকমকীয়া 'হলবোৰ্ণ' ৰেস্তোৰাঁত দলপত ৰায় শুক্লাই তেওঁক ইংলিছ শিষ্টাচাৰ বিৰোধী বুলি ৰেস্তোৰাঁৰ বাহিৰত অপেক্ষা কৰিবলৈ কৈছিল, সেই অভিজাত 'হলবোৰ্ণ' ৰেস্তোৰাঁতে মোহনদাস বিদায় সভাৰ আয়োজন কৰিলে আৰু হলবোৰ্ণ ৰেস্তোৰাঁই প্ৰথমবাৰৰ বাবে নিৰামিষ ভোজ আয়োজন কৰিবলৈ বিনা প্ৰতিবাদে মানি ল'লে**

হতাশাজনক অৱস্থাত তেওঁ আত্মীয়-স্বজন এৰি ১৮৯৩ত সুদূৰ দক্ষিণ আফ্ৰিকাৰ 'দাদা আব্দুল্লা এণ্ড কোম্পানী' নামৰ ব্যৱসায় প্ৰতিষ্ঠান এখনৰ কৰ্মচাৰীৰ কামত সোমাল আৰু লগতে বিদেশতো বৰ্ণ বৈষম্যৰ দম্ভ আৰু উদ্ধত্যৰ স্বৰূপ অধ্যয়ন কৰিবলৈ ল'লে। যুৱ বেৰিষ্টাৰজন দক্ষিণ আফ্ৰিকালৈ অহাৰ ১১দিনৰ ভিতৰতে মাৰ ধৰ, গতিওৱা আদি বৰ্ণবৈষম্যৰ নাৰকীয় আক্ৰমণৰ তেওঁ সন্মুখীন হ'ল। ইয়াৰ পৰিমাণ স্বৰূপে গান্ধীয়ে জীৱনৰ ২১টা বছৰ দক্ষিণ আফ্ৰিকাত বাস কৰি বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে প্ৰবাসী ভাৰতীয়সকলক একত্ৰিত কৰি যি অহিংস আন্দোলন চলালে, সেই কৰ্মপন্থাৰ মূলমন্ত্ৰ আজিলৈ 'সত্যাগ্ৰহ'। ১৯১০ত ভাৰতৰ কে'বাজনো সম্পদশালী লোকৰ অৰ্থ সাহায্যৰে তেওঁ দক্ষিণ আফ্ৰিকাৰ 'ট্ৰান্সভাল'ত টলষ্টয় ফাৰ্ম নামৰ এখন কৃষিপাম প্ৰতিষ্ঠা কৰিলে, য'ত হিন্দু, মুছলমান, খ্ৰীষ্টান, পাৰ্চী আৰু ধনী-দুখীয়া সকলো শ্ৰেণীৰ আন্দোলনৰ সত্যাগ্ৰহীয় একেলগে বসবাস কৰি ইজনে-সিজনৰ সহায়ৰ হাত আগবঢ়াবৰ পৰিৱেশ গঢ় লৈ উঠিল। গ্ৰেপ্তাৰ কৰা সত্যাগ্ৰহীসকলক আৰু জেলৰ পৰা খালাচ পোৱা লোকৰ পৰিয়ালবৰ্গৰ ভৰণ-পোষণৰ উদ্দেশ্যে পতা এই কৃষিপামখনত সত্যাগ্ৰহীসকলে জেলৰ কয়দীৰ আৰ্হিৰে পেণ্ট-ছাৰ্ট পৰিধান কৰিছিল। চৰকাৰৰ প্ৰত্যাহ্বানৰূপে সত্যাগ্ৰহীসকলে জেইলত থকাৰ কঠোৰ জীৱন অভ্যাস কৰিছিল। কৃষিপামখনত খাদ্য শস্য উৎপাদনৰ বিষয়ে গান্ধীজীয়ে এজন ভাৰতীয় বন্ধুলৈ লিখিছিল এনেদৰে— 'ফাৰ্মৰ বাবে প্ৰয়োজনীয় ৰুটী মই নিজেই তৈয়াৰ কৰো। কৃষি পামৰ উৎপাদিত লাগতিয়াল আটাইখিনি ঘেঁহু গুড়ি কৰি ৰুটী প্ৰস্তুত কৰোতে বেকিং পাউদাৰ দিয়া নহয়। পামৰ উৎপাদিত কমলা টেঙাৰ পৰা মিঠা মাৰ্মেলেড তৈয়াৰ কৰো। 'কেৰামেল' কফি তৈয়াৰ কৰিবলৈও শিকিলো। ঘেঁহু প্ৰথমতে বিশেষ ধৰণে সেকি তাক গুড়ি কৰি 'কেৰামেল কফি' প্ৰস্তুত কৰো। বৰ্তমান আমি নিৰ্মাণ কৰ্মৰ একো একোজন শ্ৰমিকৰ দৰে কাম কৰি আছো। আৱাসী সত্যাগ্ৰহীসকলৰ দিনটোৰ নিৰামিষ আহাৰৰ খাদ্য তালিকা হ'ল— পুৱা ছয় বজাত ৰুটী আৰু ঘেঁহুৰ পৰা তৈয়াৰ কৰা কফি, ১১বজাত ভাত, দাইল আৰু শাক-পাচলিৰ আঞ্জাৰে স'তে দুপৰীয়াৰ সাঁজ আৰু সন্ধিয়া ৬-৩০ বজাৰ আহাৰত আছিল আটাৰ ৰুটী, গাখীৰ আৰু কেৰামেল কফি। জেলৰ কয়দীয়ে খোৱাৰ দৰে একেটা পাত্ৰতে আটাইকেইবিধ খাদ্য বাঢ়ি দিয়া হয় আৰু আশ্ৰমত তৈয়াৰী কাঠৰ চামুচ ব্যৱহাৰ কৰে। গান্ধীজীয়ে খায় কল, খাজুৰ, কমলা, কাঠবাদাম আৰু জলফাই তেল। ভাৰতত খীৰতী গৰু, ম'হৰ গাখীৰখিনি পোৱালিয়ে খাবলৈ নোপোৱাকৈ শেষ টোপাললৈকে খীৰোৱা হয় কাৰণে তেওঁ এই অভ্যাস নিষ্ঠুৰ বুলি গণ্য কৰি গাখীৰ নাখাইছিল। ১৯১৮ত গান্ধীজীয়ে এবাৰ ভাৰতৰ গাঁৱে-গাঁৱে খোজকাঢ়ি ঘূৰি ফুৰোতে আহাৰৰূপে মাত্ৰ চীনা বাদাম, মাখন আৰু নেমুটেঙা খোৱাৰ ফলত ডিচেণ্ট্ৰী হৈ অসহ্য পেটৰ বিষ আৰু সঘন পায়খানা হৈ যোৱা-থোৱা অৱস্থা হৈছিল। ডাক্তৰে শক্তি পাবলৈ গাখীৰ খাবলৈ পৰামৰ্শ দিওঁতে তেওঁ গাখীৰ স্পৰ্শ নকৰাৰ পূৰ্বৰ প্ৰতিজ্ঞা সোঁৱৰালে। তেনেতে কস্তুৰবাঈ ক'লে, 'গৰু গাখীৰ নোখোৱাৰ বাবেহে আপুনি প্ৰতিজ্ঞা লৈছিল; ছাগলীৰ গাখীৰ খাবলৈতো আপত্তি দৰ্শাব নোৱাৰে। গান্ধীয়ে তেতিয়াৰ পৰাই প্ৰিয় পত্নীৰ কথা মতে নিয়মীয়াকৈ ছাগলী গাখীৰ খাবলৈ ল'লে আৰু পাছত আৰোগ্য লাভ কৰিলে।... ১৯৪৮ৰ ৩০ জানুৱাৰী শুকুৰবাৰ দিনটো আছিল মহাত্মা জনৰ জীৱনৰ অন্তিম দিন। সেইদিনা পুৱা ৩-৩০ বজাত শুই উঠি প্ৰাৰ্থনা কৰাৰ পাছত নাতিনী মানু আৰু আভাই প্ৰস্তুত কৰা মৌজোল, নেমুৰস, এগিলাচ গৰমপানী আৰু এগিলাচ মোচম্বি ৰস খাই মহাত্মাই ছয় বজালৈকে কংগ্ৰেছৰ নতুন সংবিধানখনৰ খচৰাত চকু ফুৰালে। পুৱা সাত বজাত দৰ্শনাৰ্থীৰ লগত কথা পাতিলে। মালিচ আৰু স্নানৰ শেহত তেওঁ পুৱা ৯-৩০ ত আগবেলাৰ ঘাই আহাৰ ১২ আউন্স ছাগলী গাখীৰ, সিজোৱা শাক-পাচলি, বিলাহী, মূলা আৰু কমলা খালে। পুৱা ১০ বজাত তেওঁ কিছু সময় জিৰণি লোৱাৰ পাছত নেমু আৰু মৌজোলৰ চৰ্বত খাই অন্য দিনৰ দৰে কংগ্ৰেছ নেতাসকলৰ পৰা দিল্লীৰ পৰিস্থিতিৰ বুজ ল'লে। দুপৰীয়া ৰ'দত গা টঙাই তলপেটত বোকাৰ লেও লওঁতে এজন সতীৰ্থই খবৰ কাগজ পঢ়ি শুনালে। চাৰি বজাত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু গৃহমন্ত্ৰী চৰ্দাৰ পাটেলৰ লগত কথা পাতি যঁতৰত সূতা কাটিলে। আভাই পিছবেলাৰ ঘাই আহাৰ ছাগলীৰ গাখীৰ, সিজোৱা শাক-পাচলি আৰু তিনিটা কমলাটেঙা দিলেহি। কোনেও নাজানিলে হায়! এই ধৰাধামত সেয়াই যে মহাত্মাজনৰ অন্তিম আহাৰ। যঁতৰত হাত ফুৰাই তেওঁ ঘূৰঘূৰণিৰ প্ৰিয় শব্দও শুনিলে শেষ বাৰলৈ।.. শেহত সন্ধিয়া নাথুৰামৰ গুলিত মহাত্মাৰ ৰক্তাক্ত শৰীৰ ধৰাত ঢলি পৰাৰ আগতেই আভাই তেওঁৰ পৱিত্ৰ শিৰ কোলাত তুলি ল'লে, মহাত্মাৰ নিথৰ দেহ পৰি ৰ'ল, ধূলি-ধূসৰিত ধৰাৰ বুকুত!

*ফোন ঃ ৯৯৫৪০৩৮৭০৪*

# খঙে আমাৰ মনক জ্বালামুখীলৈ ৰূপান্তৰিত কৰিছে

## স্বচ্ছল জীৱনত যেতিয়া মানুহৰ কৰিবলৈ একো নাথাকে তেতিয়া মানুহক ভোগ-বিলাসেও আমুৰায়


**ৰীণা বিশ্বাস**

কোনোবা এজন লেখকে কৈছে --- 'মানুহবোৰ একোটা নিৰ্জন দ্বীপ।' ইমান উল্লাস, ইমান সংগ্ৰাম আৰু ইমান উদ্‌যাপনৰ মাজতো এজন মানুহ কেনেকৈ নিৰ্জন দ্বীপলৈ ৰূপান্তৰিত হয় সেই কথা সহজে বুজিব নোৱাৰি। দ্বীপ শব্দটোৰ অৰ্থ হৈছে ---চাৰিওফালে পানী আৰু পানীৰ মাজত গছ-গছনি, মানুহ আৰু জীৱ-জন্তু বসতি কৰিব পৰা ভূখণ্ড। কিন্তু মানুহক যেতিয়া লেখকে একোটা নিৰ্জন দ্বীপ বুলি কয় তেতিয়া নিশ্চয় মানুহৰ মনটোক ইংগিত কৰা হয়। মানুহৰ বাহ্যিক ৰূপটো বিভিন্ন সাজ-পোছাকেৰে ঢাকি আটকধুনীয়াকৈ সজাই-পৰাই ৰাখিব পাৰি। কিন্তু মনটো সম্পূৰ্ণ তাৰ বিপৰীত। মনৰ কোনো আকাৰ নাথাকে। বৰং মনৰ উৎকৰ্ষহে সাধন কৰিব পাৰি। দয়া-মমতা, ধৈৰ্য, সহনশীলতা আৰু আত্মসংযম এইবোৰেই আমাৰ মনটোৰ পোছাক। এই পোছাক পৰিধান কৰি মানুহে মনৰ উৎকৰ্ষ সাধন কৰিব পাৰে। ঈশ্বৰে অপৰূপ মানুহ সৃষ্টি কৰি তাৰ মাজত মনটোক কিয় সংস্থাপন কৰিলে সেই কথা হয়তো আমি সাধাৰণ নৰমনিচে শুদ্ধকৈ ঠাৱৰ কৰিব নোৱাৰো, কিন্তু মানুহৰ কায়াটোৰ আঁৰত থিতাপি থকা মনটোৰেই হৈছে মানুহৰ আচল পৰিচয়। এই মনটোত কলুষ-কালিমা থাকে আৰু লগতে দয়া, মমতা, প্ৰেম ভ্ৰাতৃত্ববোধ আৰু খং, ক্ষোভ, ঈৰ্ষা, হিংসা, প্ৰতিযোগিতা আদিও থাকে। মনৰ এইবোৰ স্বভাৱৰ ভিতৰত খং, ক্ষোভ, ঈৰ্ষা, হিংসা আদি নেতিবাচক দিশ। এইবোৰ গুণ প্ৰয়োজনাধিক হ'লেই মানুহ আনৰ বাবে আৰু লগতে সমাজখনৰ বাবেও ক্ষতিকাৰক হয়।

ভূগৰ্ভৰ অন্তৰ্ভাগত জমা হোৱা চূণশিল আৰু বিভিন্ন গেছীয় পদাৰ্থত ভূগৰ্ভৰ কোনো ফাট-ফুটাৰে পানী সোমালে জ্বালামুখীৰ উদ্‌গীৰণ হয়। সেই জ্বালামুখী তিনি প্ৰকাৰৰ। সুপ্ত, লুপ্ত আৰু জাগ্ৰত। লুপ্ত জ্বালামুখীৰ পৰা প্ৰাণীকুলৰ জীৱনৰ কোনো ভয়-শংকা নাথাকে, কাৰণ সেই জ্বালামুখী জীৱনলৈ লুপ্ত হৈ গৈছে। ঠিক তেনেকৈ জাগ্ৰত জ্বালামুখীৰ পৰা জুই-লাভা আৰু ছাই প্ৰতিনিয়ত নিৰ্গত হৈ থাকে বাবেই সেই নিৰ্দিষ্ট ঠাইৰ পৰা মানুহ আৰু অন্যান্য প্ৰাণীকুলে সম দূৰত্ব বজাই ৰাখে । কিন্তু সুপ্ত জ্বালামুখীৰ কোনো ঠিক নাই। ই কেতিয়া আৰু কোন ক্ষণত হঠাতে অগ্নিগৰ্ভা ৰূপ ধাৰণ কৰি প্ৰচণ্ড বেগে জুই-ধোঁৱা আৰু ছাইলৈ নিৰ্গমন হয় কোনেও ক'ব নোৱাৰে। সেয়ে এইবিধ জ্বালামুখীৰ প্ৰকৃত স্বৰূপ স্বচক্ষে সকলোৱে প্ৰত্যক্ষ নকৰিলেও তাৰ পৰা হঠাৎ অপকাৰ হোৱাৰ সম্ভাৱনা বেছি। আমাৰ মনত উদয় হোৱা খং, ক্ষোভ আৰু ঈৰ্ষাও একপ্ৰকাৰ সুপ্ত জ্বালামুখীস্বৰূপ। কাৰণ খং, ক্ষোভ আৰু ঈৰ্ষাৰ বহ্নি হৃদয়ত উমি উমি তুঁহগুৰিৰ জুইৰ দৰেই জ্বলি থাকে। অলপ বতাহৰ বা পালেই উমি উমি জ্বলি থকা জুইকুৰা দাবানললৈ ৰূপান্তৰিত হোৱাৰ দৰে ঈৰ্ষাৰ পৰাও প্ৰচণ্ড শক্তিৰে খং-ক্ষোভ নিৰ্গমন হ'ব পাৰে। সেই খং আৰু ক্ষোভৰ জুই ইমানেই ভয়ংকৰ যে মানুহৰ হৃদয় ভস্মীভূত কৰি পেলাবলৈ খুব বেছি সময় নালাগে।

খং, ক্ষোভ, ঈৰ্ষা এইবোৰ মানুহৰ জন্মগত প্ৰবৃত্তি। মানুহৰ উপৰি অন্যান্য জীৱ-জন্তুৰ মাজতো এই প্ৰবৃত্তিসমূহ বিৰাজমান। কিন্তু মানুহ যিহেতু শক্তিশালী মগজু আৰু প্ৰকাশিকা শক্তিৰ অধিকাৰী জীৱ শ্ৰেষ্ঠ প্ৰাণী, সেয়েহে মানুহৰ খং, ক্ষোভ আৰু ঈৰ্ষাৰ প্ৰকোপৰ প্ৰতিফল ভয়ংকৰ হ'ব পাৰে। কাৰণ মানুহৰ বিবেক আৰু বিবেচনা কৰা শক্তি আছে। বিবেকেৰে বিবেচনা কৰি মানুহে যেতিয়া এজনে আনজনৰ ওপৰত খং, ক্ষোভ পুহি ৰাখে তাৰ ফল মাৰাত্মক হয়। বৰ্তমান সমাজত হত্যা, ধৰ্ষণ আৰু নানা অসামাজিক কামৰ মূলতেই হৈছে মানুহৰ মনত সুপ্ত হৈ থকা ঈৰ্ষা আৰু খং, ক্ষোভ।

স্বচ্ছল জীৱনত যেতিয়া মানুহৰ কৰিবলৈ একো নাথাকে তেতিয়া মানুহক ভোগ-বিলাসেও আমুৰায়। বিশেষকৈ বৰ্তমান যিসকল ডেকা-গাভৰুৱে উচ্চ শিক্ষা লোৱাৰ পাছতো কোনো ধৰণৰ দায়িত্ব পূৰ্ণ কামত নিজকে নিয়োজিত কৰিব পৰা নাই কিন্তু তেওঁলোকৰ পিতৃ-মাতৃ আঢ্যৱন্ত হোৱা হেতুকে তেওঁলোকৰ পৰিয়ালৰ দায়িত্বও কম তেনে ডেকা-গাভৰুসকলে নিজৰ অৱস্থা আৰু সৰু সৰু প্ৰয়োজনত ঘৰৰ অভিভাৱকৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব লগা হোৱাৰ বাবে তেওঁলোকৰ



মনত একপ্ৰকাৰ প্ৰতিবাদ অহৰহ চলি থাকে। ক্ৰমান্বয়ে সময় আগবাঢ়ি যায় কিন্তু এইসকল ডেকা-গাভৰুৱে নিজৰ জীৱনৰ নিশ্চিতি নিজেই নিৰ্ধাৰণ কৰিব নোৱাৰি হতাশাত ভোগে আৰু জীৱনটো ৰসাল কৰি তুলিবলৈ বিভিন্ন নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্ত হয়। নিচাৰ ৰাগিত তেওঁলোকে এটা সময়ত ঘৰৰ জ্যেষ্ঠজনকো মান-সন্মান নকৰে। কাৰোবাক স্বচ্ছল আৰু চাকৰি-বাকৰি কৰি দায়বদ্ধ জীৱন যাপন কৰা দেখিলে তেওঁলোকৰ মনত প্ৰথমে ঈৰ্ষা হয় তাৰ পাছত ক্ৰমান্বয়ে ক্ষোভ আৰু শেষত সেই ক্ষোভৰ পৰাই খঙে বহ্নিৰূপ ধাৰণ কৰে। ফলত তেওঁলোকে ডাঙৰ-সৰু কাকো নামানে আৰু সুবিধা পালেই মানুহক অপদস্থ কৰে।

ভোগে আমুৰালেই বিৰক্তি ওপজে। এই বিৰক্তিৰ উপশম ক'ত লুকাই থাকে সেই কথা তৰল মনৰ মানুহে অনুধাৱন কৰিব নোৱাৰে বাবেই কিজানি বিৰক্তিয়ে মনৰ মাজত ক্ৰমান্বয়ে এটা ডাঠ চামনিৰ সৃষ্টি কৰে। একেবাৰে সাধাৰণ শব্দ আৰু কোনো ধৰণৰ জটিলতা প্ৰয়োগ নকৰি ক'বলৈ গ'লে কষ্টোপাৰ্জিত ধনেৰে ভোগৰ সামগ্ৰী ক্ৰয় কৰি পৰিমিতভাৱে কৰা ভোগে কেতিয়াও আমুৰাব নোৱাৰে। কৰ্ম আৰু দায়িত্বলৈ পিঠি দি অনায়াসে অহা ধনৰ পৰা ক্ৰয় কৰা ভোগৰ সামগ্ৰীয়ে এচাম মানুহক দায়িত্বহীন কৰি তোলে। অনায়াসে লাগ বুলিয়েই হাতৰ কাষত পোৱা প্ৰৱণতাই সম্পদৰ অপব্যৱহাৰ বুজায়। সম্পদ এপদ ঘটিবলৈ যে কিমান কষ্ট কৰিব লগা হয়, সেই কথা কষ্টৰে উপাৰ্জন নকৰি ভোগ কৰা মানুহে বুজি নাপায়।

নিজে বিচৰা ধৰণে হ'লেই সন্তুষ্টি আৰু বিচৰা ধৰণে নহ'লেই অসন্তুষ্টি। অসন্তুষ্টিয়েই খঙৰ ইন্ধন। দৈনন্দিন জীৱনত বহুতো কাৰকে আমাক ইমান প্ৰভাৱিত কৰি ৰাখে যে আমি ইচ্ছা কৰিলেই মনটো মুকলি কৰি ৰাখিব নোৱাৰো। কোনো এটা বিষয় সদায় নিজৰ দৃষ্টিকোণেৰে চাই আত্মপক্ষ সমৰ্থনত নিজকে সদায় শুদ্ধ ঠাইত আৱিষ্কাৰ কৰো। এনে আত্মপক্ষ সমৰ্থনত আমি ইমানেই একপক্ষীয় হৈ পৰো যে আমি বিপৰীতজনৰ অৱস্থা আৰু অৱস্থিতিৰ প্ৰতি অলপো দয়াবান হ'ব নোৱাৰো। ফলত লাহে লাহে বিপৰীত জনৰ প্ৰতি আমাৰ মনত ক্ষোভৰ কণিকা গঢ় লৈ যেতিয়া ই তৰল ৰূপলৈ বৈ যাবলৈ লয় তেতিয়াই সময় আৰু সুবিধা মতে সুপ্ত হৈ থকা জ্বালামুখীৰ দৰে হঠাতে উদ্‌গীৰণ হ'বলৈ ধৰে। ফলত বিপৰীত পক্ষ থকা-সৰকা হয়।

কনফুচিয়াছে কৈছিল --'আমাৰ জীৱনটো তেনেই সৰল, অথচ আমি ইচ্ছা কৰিয়েই ইয়াক জটিল কৰি লওঁ।' কনফুচিয়াছৰ এই মহৎ বাণী কিমান সত্য সেই কথা আমি ক'ব নোৱাৰো বা কিমানৰ ক্ষেত্ৰত এই কথাষাৰৰ শুদ্ধ ৰূপ প্ৰকাশ পায় সেই কথাও আমি নাজানো। কিন্তু একপ্ৰকাৰ চাবলৈ গ'লে আমি যেতিয়া বিনা অধ্যৱসায় আৰু কম পৰিশ্ৰমে প্ৰয়োজনীয়তকৈ অধিক সম্বল বিচাৰো তেতিয়াই কিজানি আমাৰ সৰল জীৱনটো জটিললৈ পৰিণত হ'বলৈ বেছি পৰ নালাগে। কিন্তু এই কথাটোৰ অৰ্থ আকৌ এনেকুৱাও নহয় যে আজিৰ আধুনিক যুগত মানুহৰ 'ভঁৰালো নাই আকালো নাই।' এনেকৈ জীয়াই থাকিব। কিন্তু ভঁৰাল থাকক বা নাথাকক আকাল হ'বলৈয়ো বেছি পৰ নালাগে যদি উচিত পৰিশ্ৰম আৰু সুযোগ সন্ধানী হৈ ভাল কামৰ আগত গৈ থিয় দিব নোৱাৰি। বাংলাত এষাৰ কথা আছে ---'বাজাৰেৰ আগ দৰবাৰেৰ (কাজিয়া) পাছ।' অৰ্থাৎ বজাৰত সদায় আগতে গ'লে ভাল বস্তু পোৱা যায় আৰু দৰবাৰ মানে য'ত কাজিয়া-পেচাল হয় তালৈ আগতে নগৈ ঘটনাৰ ভু আলেঙে আলেঙে লোৱাই ভাল। কিন্তু আজি কালি উঠি অহা যুৱ চামে বজাৰলৈ যায় শেষত অৰ্থাৎ ভাল কামৰ শেষত আৰু য'ত দৰবাৰ বা কাজিয়া - পেচাল হয় তালৈ আগ-পিছ নুগুণি ইমান তৰিৎ গতিত উপস্থিত হয় যে এটা সময়ত এটা সৰু সাধাৰণ ঘটনাৰ বাবে এজন সহোদৰ স্বৰূপ উদীয়মান যুৱকক মৰিয়াই মৰিয়াই হত্যা কৰি পেলাবলৈ বেছি সময় নালাগে। ভুল-শুদ্ধ লৈয়ে মানুহ। হয়তো জনসমাগমত যিকোনো মানুহৰে ভুল হ'ব পাৰে; কিন্তু সেই বুলি সুপ্ত জ্বালামুখীৰ দৰে উদ্‌গীৰণ হৈ এজন নিৰীহ মানুহক কিয় মানুহে মৰিয়াই মৰিয়াই নৃশংসভাৱে হত্যা কৰিব? ভালদৰে মন কৰিলে দেখা যায় যে এনেকুৱা ঘটনা সংঘটিত কৰে বেছিভাগ যুৱ চামে। ভাবিলে আচৰিত লাগে, এইসকল যুৱকৰ মনৰ ভিতৰত ইমান খং-ক্ষোভ কিয়!

*ফোন ঃ 7002734962*

# কটন গৌৰৱ নে অসম গৌৰৱ? সমন্বয়ৰ প্ৰতীক তৈয়বউল্লা চাহাব

অসমৰ জাতীয় জাগৰণত অতুলনীয় বৰঙণি যোগোৱা কটন কলেজ আজি এশ বছৰীয়া জন্মজয়ন্তীৰ দুৱাৰডলিত ভৰি দিলেহি। মাত্ৰ এটা বছৰৰ পাছতেই এই কলেজৰ এশ বছৰ পূৰ্ণ হ'ব। পূব ভাৰতৰ এই ঐতিহ্যপূৰ্ণ শিক্ষা অনুষ্ঠানটো অসমবাসী ৰাইজে সেই সময়ৰ ইংৰাজ চৰকাৰৰ পৰা পোৱা সহজলভ্য উপহাৰ নহয়— ইয়াৰ বাবে অসমবাসী বহু বছৰ আবেদন-নিবেদন, যুক্তি-তৰ্ক আদিত লিপ্ত হ'বলগীয়া হৈছিল। 'অসমীয়া ছাত্ৰক কলিকতাত পঢ়িবলৈ বৃত্তি দিব নালাগে, অসমতহে কলেজ লাগে।' ৰাইজৰ এই ন্যায্য দাবী চৰকাৰে এযুগৰো ওপৰ কাল গাপ দি ৰাখিছিল। ১৮৬৬ খ্ৰীষ্টাব্দত গুৱাহাটী স্কুলত (বৰ্তমান কটন কলেজিয়েট স্কুল) কলেজৰ প্ৰথম দুটা শ্ৰেণী খোলাত অসমৰ ৰাইজে কলেজীয়া শিক্ষাৰ পোহৰৰ এচমকা ৰেঙণি দেখিবলৈ পাইছিল। কিন্তু সেয়া আছিল ক্ষন্তেকীয়া। যিয়েই নহওক, কটন কলেজৰ জন্মৰ লগত বহু ব্যক্তি প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত আছিল। এনে এজন ব্যক্তি যিজনে কটন কলেজতে পঢ়িছিল, যি আছিল ধৰ্মনিৰপেক্ষতাৰ প্ৰতীক, এইজন ব্যক্তিয়েই হ'ল মৌলানা তৈয়বউল্লা চাহাব।

গোৱালপাৰা চহৰৰ সমীপৱৰ্তী নয়াপাৰাৰ কাজী পৰিয়ালত ১৮৫৪ত মৌলানা তৈয়ৱউল্লা চাহাবৰ পিতাকৰ জন্ম হয়। তৈয়বউল্লা চাহাবৰ পিতাসহ চৌকত্উল্লা গোৱালপাৰা হাইস্কুলৰ ফাৰ্চী শিক্ষক আছিল। তেওঁৰ ফাৰ্চীৰ দৰে সংস্কৃততো জ্ঞান আছিল। ১৮৭৩ মানত চৌকতউল্লা গোৱালপাৰাৰ পৰা গুৱাহাটীলৈ আহি দীঘলীপুখুৰীৰ পূব পাৰে স্থায়ীভাৱে থাকিবলৈ লয়।

আজিৰ কটন কলেজিয়েট হাইস্কুলতে আছিল তাহানিখন কলেজৰ এফ এ (First-Arts) ক্লাছ। তৈয়বউল্লা চাহাবৰ দেউতাকে entrance পৰীক্ষাত সদৌ অসমত প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক পাইছিল। স্কুলত তেওঁ সংস্কৃত পঢ়িছিল আৰু এম-ই-পৰীক্ষাত তেওঁ সংস্কৃত ভাষা-সাহিত্যত বিশেষ দক্ষতাৰে উত্তীৰ্ণ হৈছিল। এফ এ পাছ কৰাৰ পাছত মাক-বাপেকে তেতিয়াৰ পাঁচদিনীয়া কলিকতালৈ বি এ পঢ়িবলৈ আৰু নপঠালে। প্ৰবল ইচ্ছা থকা সত্ত্বেও তেওঁৰ পঢ়া-শুনা সিমানতেই অন্ত হ'ল। তাৰ পাছত তেওঁ স্কুলৰ ডেপুটী ইন্সপেক্টৰৰ পদ পাই ছিলেটলৈ বদলি হৈ গৈছিল। অলপ দিনৰ ভিতৰত ছাব ডেপুটি মেজিষ্ট্ৰেট (ই-এ-চি) হৈ ক্ৰমে মঙলদৈ, গোলাঘাট আৰু শিৱসাগৰলৈ আহে। ১৯০৩ৰ ১৯ এপ্ৰিলত শিৱসাগৰত তেওঁৰ আকস্মিক বিয়োগ ঘটে।

তৈয়বউল্লা চাহাবে গোলাঘাটৰ বেজবৰুৱা হাইস্কুলত শিক্ষা আৰম্ভ কৰি শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা এনট্ৰেন্স পৰীক্ষা পাছ কৰে। ছাত্ৰাৱস্থাৰে পৰা তেওঁৰ প্ৰফেছৰ আৰু নেতা হোৱাৰ অদম্য হেঁপাহ আছিল। কলিকতা ইউনিভাৰ্ছিটিৰ শেষ এনট্ৰেন্স পৰীক্ষা এইটোৱেই আছিল। তৈয়বউল্লা চাহাবে ২০ টকাৰ বৃত্তি পাই কটন কলেজত আই এছ চি পঢ়িবলৈ ল'লে। অসমত প্ৰথম স্থান অধিকাৰ কৰাত তেওঁ বেথাৰাম ঠাকুৰীয়া স্বৰ্ণ মেডেল লাভ কৰে। সেই ২০ টকীয়া বৃত্তি লাভ কৰিয়েই কটন মহাবিদ্যালয়ৰ পৰা আই এছ টি প্ৰথম শ্ৰেণীত পাছ কৰি ২৫ টকীয়া বৃত্তি পাই কলিকতাৰ প্ৰেচিডেন্সী কলেজলৈ পঢ়িবলৈ যায়। তাতো তেওঁ 'হাজী মুহছিন মেম'ৰিয়েল ফাণ্ড'ৰ পৰা বিনা মাচুল বৃত্তিও লাভ কৰিছিল।

এতিয়া আকৌ উভতি যাওঁ। তেওঁ কটন কলেজত আই এছ চি কেনেকৈ পঢ়িবলৈ পালে তাৰ ৰহস্য বহুত। মাকৰ তত্বাৱধানত স্কুলত লিখা-পঢ়া কৰা ভোদা ল'ৰাটি আছিল তেওঁ। কথাবোৰৰ হেনো সিমান ভূ-ভা পোৱা নাছিল। তেওঁ ভৰ্তি হোৱা দৰখাস্তত লিখিছিল বিষয়সমূহ— ইংৰাজী, অসমীয়া, ইতিহাস, লজিক আৰু কেমিষ্ট্ৰি। মানে Science লৈছে নে Arts লৈছে গমকে পোৱা নাছিল। কেমিষ্ট্ৰি বিষয় পঢ়িবলৈ মন কৰাৰো ইতিহাস আছে। তেওঁ হেনো স্কুলত পঢ়োতেই সদায়েই কটন কলেজৰ কেমিষ্ট্ৰি ক্লাছত ছাত্ৰসকলে বহা কলেজৰ 'থিয়েটাৰ' অৰ্থাৎ বেঞ্চ আৰু ডেস্ক খাপে খাপে (গেলাৰী) মাটিৰ প্ৰায় মূধচত লগা; মাজেৰে ছিড়ি থকা, বহা ঠাইৰ ওপৰত নজৰ দিছিল কেতিয়ালৈ যে তাত বহিবলৈ পাব!.. কেমিষ্ট্ৰিৰ যন্ত্ৰপাতিয়ে হেনো তেওঁক স্কুলীয়া দিনৰে পৰা মন আকৰ্ষণ কৰিছিল। এইখিনিতে এটা কথা কওঁ মই নিজেও কটন কলেজত নপঢ়াৰ বাবে এই সুন্দৰ শ্ৰেণীৰ গেলাৰীবোৰ দেখা নাছিলো। পাছত এদিন আমাৰ ভগ্নীপতি তাপসে (তেওঁ কেমিষ্ট্ৰিৰ প্ৰৱক্তা) ক্লাছ লৈ থাকোতে এই গেলাৰীত ল'ৰা-ছোৱালীবোৰ বহি একান্ত মনে ব'ৰ্ডলৈ চাই থকা দেখি বৰ ভাল লাগিছিল। বৰ বিজ্ঞানসন্মতভাৱে চাহাবসকলে এই গেলাৰীবোৰ বনোৱাইছিল। এতিয়া পাছে নতুন পকী ঘৰ হৈছে হয়তো এই গেলাৰীবোৰ ভাঙি পেলাব—বিলীন হৈ যাব বহুতৰ স্মৃতি।

এতিয়া আকৌ তৈয়বউল্লা চাহাবৰ কথালৈ আহো। তেওঁ হেনো পাছত বিষয় সলাই গণিত, পদাৰ্থ বিজ্ঞান আদি ল'লে। ইয়াৰ পাছত তেওঁ ২৫টকীয়া বৃত্তি লাভ কৰি কলিকতাৰ প্ৰেচিডেন্সী কলেজৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত পদাৰ্থ বিজ্ঞানত সৰ্বোচ্চ স্থান লাভ কৰি বি এছ চি পাছ কৰে আৰু লগে লগে কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীত ভৰ্তি হৈ অমিশ্ৰ গণিত বিষয়ত এম এছ চি পঢ়িবলৈ লয়। লগতে আইন পাছ কৰি ১৯৯৯ত ওকালতি আৰম্ভ কৰে। কলিকতাত পঢ়োতে তৈয়বউল্লা চাহাব 'বেকাৰ হোষ্টেলত' আছিল সেই সময়ৰ কলিকতাৰ মাদ্ৰাছ ইনষ্টিটিউটৰ ওচৰতে। উক্ত ইনষ্টিটিউতত বক্তৃতা দিবলৈ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন, পণ্ডিত, বিজ্ঞানী, গৱেষক, ইতিহাসবিদসকলক আমন্ত্ৰণ কৰি অনা হৈছিল। যিসকলৰ ভিতৰত ছাৰ আশুতোষ মুখাৰ্জী, আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়, জগদীশ চন্দ্ৰ বসু, ছাৰ গুৰুদাস বেনাৰ্জী, মৌলানা মহম্মদ আলী, গোপাল কৃষ্ণ গোখলে, সৰোজনী নাইডু, লালা ৰাজপত ৰায়, সুৰেন্দ্ৰ নাথ বেনাৰ্জী, বিপিন চন্দ্ৰ পাল আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই মনীষীসকলৰ ৰাজনীতি, অৰ্থনীতি, শিক্ষা পৰিক্ৰমা সম্পৰ্কীয় ভাষণ, জগদীশ চন্দ্ৰ বসু আৰু প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ বিজ্ঞানৰ বক্তৃতাই কলেজীয়া ছাত্ৰ তৈয়বউল্লা চাহাবৰ মন আকৰ্ষণ কৰিছিল আৰু দিবাস্বপ্নক বাস্তৱ ৰূপ দিয়াৰ বাটত তেওঁ অগ্ৰসৰ হৈছিল।



**ড° অৰূপ কুমাৰ হাজৰিকা**

তৈয়বুল্লাৰ আইন ব্যৱসায়ৰ আৰম্ভ হয় ১৯১৯ত। ১৯২০ৰ ছেপ্টেম্বৰত কলিকতাৰ লালা ৰাজপত ৰায়ৰ পৌৰোহিত্যত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ বিশেষ অধিবেশনত মহাত্মা গান্ধীয়ে আগবঢ়োৱা অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গৃহীত হয়। লগে লগে কংগ্ৰেছে খিলাফৎ আন্দোলনকো পূৰ্ণ সমৰ্থন জনালে। ভাৰতবৰ্ষক স্বাধীন কৰাৰ প্ৰথমখন ৰণ এনেদৰে মহাত্মা গান্ধীৰ সেনাধ্যক্ষত আৰম্ভ হ'ল। তৈয়বউল্লা চাহাব অসহযোগ আন্দোলনত নমাত ওকালতি সেৰেঙা হৈ পৰিল।

১৯২১ৰ আঠ আগষ্টত মহাত্মা গান্ধী অসমলৈ আহি দেশভক্ত তৰুণৰাম ফুকনৰ হাউলিত বিদেশী কাপোৰৰ দ'মত জুই দিলে। তেওঁৰ বৰ্ণনাত পোৱা যায়— 'মহাত্মাই সভাৰ মঞ্চৰ পৰা উঠি পৌৰোহিত্য কৰি আনন্দ প্ৰকাশ কৰিছিল — একেবাৰে বাউল হৈ পৰিছিল; সেই হাঁহি, সেই অপৰূপ আনন্দৰ ছবি আজিও মোৰ চকুৰ আগত জিলিকি আছে। মই ওচৰতে আছিলো। বহুতো দুখীয়া লোকে নিজৰ পৰিধানৰ চোলা আদি গাৰ পৰা সোলকাই জুইত নিক্ষেপ কৰা দৃশ্য দেখি মহাত্মাই আত্মহাৰা হৈ চিঞৰি কৈ উঠিল, 'দেখ দেখ!' মোৰ মনত আছে এজন কামৰূপীয়া দুখীয়া মানুহে তাৰ বুকুৰ চোলাটো জুইত জাপি দি প্ৰতিজ্ঞা কৰি পেলালে আৰু চোলাকে নিপিন্ধো কেতিয়াওঁ।' আজিও সি জাৰেই হওক জহেই হওক, সুদা গাৰে থাকে আৰু সুধিলে কয়, 'মহাত্মাৰ আগত ৰাখি যাতে কিৰা খাইছো, বুঢ়াই বাকীকেইটা দিন এৰী পছৰাখনৰ বাহিৰে আৰু চোলা-তোলা নিপিন্ধো দেউতা; আৰু যিয়েই নহওক।'

তৈয়বউল্লা চাহাবৰ খেলাত পোৱা যায় মহাত্মাৰ যেতিয়া আমাৰ নিচিনাকৈ চুটিকৈ-টুটিকৈ চুলি কটা, দাঢ়ি-খুৰোৱা, গোঁফ চুটিকৈ কটা, এটা বগা গান্ধী টুপী মূৰত, খদ্দৰৰ দীঘল পাঞ্জাবী চোলা আৰু দীঘল ধুতি পিন্ধিছিল, ভৰিত এযোৰ ছেণ্ডেল। ডিব্ৰুগড়ত ইংৰাজ চাহ খেতিয়কসকলৰ নিমন্ত্ৰণক্ৰমে যাওতে মূৰৰ চুলি (টিকনিৰ বাহিৰে) খুৰাই যোৱাত আমি আচৰিত হৈছিলো। অসমৰ পৰা যেতিয়া ওড়িশা হৈ মাদ্ৰাজালৈ যায়, বাটৰ মানুহৰ ভীষণ অন্ন কষ্ট আৰু হৃদয় বিদাৰক বস্ত্ৰহীনতা দেখি ব্ৰত ল'লে যে তেওঁ আজীৱন দুখীয় বেশ, আঁঠুমূৰীয়া চুৰীয়া পৰিধান কৰি থাকিব।

১৯২৬ৰ পৰা ১৯৩০লৈ পাঁচ বছৰ তৈয়বউল্লা চাহাবে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক আছিল। একে সময়তে গান্ধী আইন চুক্তিও স্বাক্ষৰিত হয়। সাময়িকভাৱে দেশৰ কিছু শান্তিৰ পৰিৱেশ গঢ়ি উঠাতো পাৰিবাৰিক অসুবিধাৰ কাৰণে তেওঁ কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব চলাই যাবলৈ অক্ষম হোৱাত তেওঁৰেই পৰম বন্ধু ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা ১৯৩১ত কংগ্ৰেছৰ সাধাৰণ সম্পাদক হয়। ত্যাগবীৰ বৰুৱা একেৰাহে ১৯৩৫লৈ পাঁচ বছৰ কাল কংগ্ৰেছৰ সাধাৰণ সম্পাদক হৈ থাকে।

'৪২ৰ গণ আন্দোলনৰ সময়তো দেশৰ আন আন নেতাসকলৰ লগতে তৈয়বউল্লা চাহাবৰো ফাটেক হয়। সেইবাবে তেওঁ বৰপেটা জেলত আছিল। একে জেলতে হেনো গোপীনাথ বৰদলৈ। ফকৰুদ্দিন আলী আহমেদ আদিও আছিল। বৰপেটা জেলত থাকোতে ধলপুৱাতে হঠাৎ এটি ডাঙৰ ভূমিকম্প আহি ধ্বংসলীলা ঘটালে। সেই সময়ত তৈয়বউল্লা চাহাবে আজান দি আছিল। তেওঁ কোৱাৰ দৰে - 'আজানৰো শেষ; ভূমিকম্পৰো শেষ। পুৰা চাৰি মিনিট।'

ভূমিকম্পত গোপীনাথ বৰদলৈ কথমপি ৰক্ষা পৰিছিল। তৈয়বউল্লা চাহাবৰ ভাষাত — 'বৰদলৈ' ফকৰুদ্দিন থকা সৰু ঘৰ এটাৰ দেৱালবোৰ ফাটি-ছিটি গৈছে। আঁঠুৱাৰ ওপৰত পৰিল ইটাৰ বৃহৎ এটা খণ্ড; পৰো পৰো অৱস্থাত ঘৰটো। ভূমিকম্প শেষ হৈ যোৱাৰ বহুখিনি পাছত, হেড ওৱাৰ্ডাৰে আহি তলা খুলি বৰদলৈক যেনিবা উলিয়াই আনি আমাৰ ৱাৰ্ডত থাকিবলৈ দিহা কৰি দি গ'ল আৰু দুই-এক ছেকেণ্ডমান ভূমিকম্প থকাহেঁতেন! ৰাতি পুৱালত ৱাৰ্ড, ইটাবোৰ সুলকি পৰিছে; এটাৰ ওপৰত আন এটা ইটা ৰৈ আছে কোনোমতে। 'ৰাখে হৰি মাৰে কোনে?'

১৯৪৫ৰ ২৭ মাৰ্চ। চাহাবৰ কাৰাদণ্ডৰ ম্যাদ উকলিবলৈ আৰু কিছুদিন বাকী আছিল। এনেতে 'ছাদুল্লা, বৰদলৈ, চৌধুৰী ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰিত হোৱা চুক্তিৰ চৰ্ত অনুসৰি সকলো ৰাজনৈতিক বন্দীয়ে খালাচ পালে। তৈয়বউল্লা চাহাবেয়ো খালাচ পালে। কিন্তু তেওঁ ত্ৰিপাক্ষিক চুক্তি সৰ্বান্তঃকৰণে মানি ল'বলৈ টান পাইছিল আৰু অসময়ত পোৱা খালাচেও তেওঁক অকণো আনন্দ দিব পৰা নাছিল। তেওঁ সেই আবতৰীয়া খালাচ সম্পৰ্কে এটা প্ৰেছ বৰ্ণনাত চমুকৈ কৈছিল— 'মই এই অযাচিত খালাচৰ সোৱাদ একো পোৱা নাই, I did not relish this unwanted release!'

১৯৪৭ৰ তিনি জুনৰ কথা - অকস্মাত গৱৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্টবেটেন কংগ্ৰেছ আৰু লীগ উভয়ৰে সমৰ্থন লাভ কৰি ভাৰতবৰ্ষক দ্বিখণ্ডিত কৰাৰ আঁচনি ৰূপায়ণ কৰাত সন্তুষ্ট হৈ নাটকীয়ভাৱে লণ্ডনলৈ উৰা মাৰিলে। ১৯৪৭ৰ ১৫ আগষ্টৰ দিনা ভাৰতবৰ্ষই স্বাধীনতা পালে; কিন্তু তাৰেই কেইঘণ্টামান আগতে মহাকাব্যৰ ভাৰতবৰ্ষৰ অংগছেদন কৰি পাকিস্তানৰ জন্ম হ'ল।

১৯৪৭ৰ ১৫ আগষ্টৰ দিনা ছাৰ আকবৰ হায়দৰী স্বাধীন অসমৰ ৰাজ্যপালৰ আসন অলংকৃত কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈক মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ কৰালে। ৰাজ্যপালৰ ১৪ আগষ্টৰ 'অসম ৰাজপত্ৰ' ঘোষণা অনুসৰি দৰং সমষ্টিৰ পৰা বিনা প্ৰতিদ্বন্দ্বিতাই তৈয়বউল্লা চাহাব অসম বিধানসভাৰ সদস্য নিৰ্বাচিত হ'ল। ১৯৪৮ৰ পাঁচ মাৰ্চত মন্ত্ৰিত্বৰ শপত গ্ৰহণ কৰি আৱকাৰী, প্ৰচাৰ আৰু জেল বিভাগৰ দায়িত্ব গ্ৰহণ কৰিলে। ১৯৫০ৰ ২০ জানুৱাৰীত তেওঁ মন্ত্ৰী পদ ইস্তফা দি অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ ধনভঁৰালী হ'ল। তাৰ পাছত ১৯৫২ আৰু ১৯৫৭ত একেৰাহে দুবাৰ ৰাজ্যসভাৰ সদস্য মনোনীত হৈ নিঃস্বাৰ্থভাৱে অসমৰ স্বাৰ্থৰ হকে কাম কৰিলে।

অসমৰ হিন্দু-মুছলমানৰ মাজত স্থায়ী সম্প্ৰীতি-সমন্বয় স্থাপন কৰাৰ পথত এইজন উদাৰমনা পুৰুষে বহুখিনি কাম কৰি থৈ গৈছে। এইজন মহান অসমপ্ৰাণা ব্যক্তিৰ ১৯৬০ৰ ৩০ অক্টোবৰ তাৰিখে ৭০ বছৰ বয়সত মৃত্যু হয়।

*ফোন ঃ ৯৮৬৭০-৪৪৪৫৩*

## ২৪ ঘণ্টাত দেশত বৃদ্ধি পালে কৰ'নাত মৃতকৰ সংখ্যা, সুস্থ হৈছে অ'মিক্ৰন আক্ৰান্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ ডিচেম্বৰ ঃ** অ'মিক্ৰন আতংক অব্যাহত থকাৰ মাজতে দেশত এদিনতে যথেষ্ট বৃদ্ধি পালে কৰ'নাত মৃতকৰ সংখ্যা। বৃহস্পতিবাৰৰ তুলনাত শুকুৰবাৰে দেশত ক'ভিডত মৃত্যুৰ সংখ্যা প্ৰায় চাৰিগুণ বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত এই মাৰণ ভাইৰাছে প্ৰাণ কাঢ়িলে ৬২৪ জন লোকৰ। আনহাতে, বিগত এদিনত দেশত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ৮,৫০৩ জন লোক। সম্প্ৰতি দেশত ৯৪,৯৪৩ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

## সাত লাখটকীয়া হীৰাৰ আঙঠি পিন্ধাই কেটৰিনাক পত্নীবৰণ ভিকিৰ

**নিউজ ব্যুৰ', মুম্বাই, ১০ ডিচেম্বৰ ঃ** ৰাজস্থানৰ যোধপুৰত সম্পন্ন হ'ল বলিউডৰ অভিনেতা যুগল ভিকি কৌশল আৰু কেটৰিনা কাইফৰ বহুচৰ্চিত বিবাহ। অতি আড়ম্বৰপূৰ্ণ এই বিবাহৰ আয়োজনে বিগত এসপ্তাহৰো অধিক ধৰি সংবাদ মাধ্যমত বিশেষ চাঞ্চল্যৰ সৃষ্টি কৰি আহিছিল। বিবাহপৰ্ব যোৱা নিশা সম্পন্ন হোৱাৰ পাছত সামাজিক মাধ্যমত বিবাহৰ ফটো প'ষ্ট কৰি বিয়াৰ আনুষ্ঠানিক ঘোষণা কৰিলে নৱ দম্পতীয়ে। বিখ্যাত ফেশ্বন ডিজাইনাৰ সব্যসাচীয়ে তৈয়াৰ কৰা পোছাক পৰিধান কৰি বৈবাহিক নীতি-নিয়মৰ আনুষ্ঠানিকতা পালন কৰিলে ভিকি-কেটৰিনাই। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, ভিকিয়ে কেটৰিনাক এটা হীৰাখচিত প্লেটিনামৰ আঙঠি পিন্ধাই পত্নীবৰণ কৰে। টিফানি এণ্ড কোঙৰ এই ব্ৰেণ্ডেড আঙঠিৰ মূল্য আছিল ৯,৮০০ ডলাৰ অৰ্থাৎ



ভাৰতীয় মূল্যত সাত লাখ ৪১ হেজাৰ টকা। একেদৰে কেটেও ভিকিক টিফানিৰ এটা আঙঠি পিন্ধাই দিছিল আৰু এই আঙঠিৰ মূল্য আছিল ১,৭০০ ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত এক লাখ ২৮ হেজাৰ ৫৮০ টকা।

## ইউৰোপৰ কে'বাখনো দেশত টিকাকৰণৰ হাৰ ৫০ শতাংশৰ তলত



**নিউজ ব্যুৰ', বাৰ্লিন, ১০ ডিচেম্বৰ ঃ** প্ৰথম বিশ্বৰ একাধিক দেশত টিকাকৰণৰ গতি যথেষ্ট মন্থৰ হৈছে। কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণৰ পাছতো ইউৰোপৰ কে'বাখনো দেশত টিকা গ্ৰহণৰ প্ৰতি নাগৰিকসকলে অনীহা প্ৰকাশ কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি, ইউৰোপৰ কে'বাখনো আগশাৰীৰ দেশত মুঠ টিকাকৰণৰ হাৰ ৫৫ শতাংশৰ তলত আছে। ইয়াৰ বাবে মূলত জগৰীয়া হৈছে এইসমূহ দেশৰ নাগৰিকৰ টিকা গ্ৰহণৰ প্ৰতি অনীহা। অলপতে জাৰ্মানী, ইটালীসহ কে'বাখনো দেশৰ চৰকাৰে ঘোষণা কৰি কৈছে যে ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ নকৰা ব্যক্তিয়ে গৃহবন্দী হৈ থাকিব লাগিব। জাৰ্মানীত ইতিমধ্যে টিকাকৰণ বাধ্যতামূলক ঘোষণা কৰা হৈছে। ক'ভিড প্ৰতিষেধক গ্ৰহণ নকৰা ব্যক্তিৰ ৰাজহুৱা স্থানত প্ৰৱেশতো জাৰ্মানীত নিষেধাজ্ঞা আৰোপ কৰিছে। পোলেণ্ডত স্বাস্থ্যকৰ্মী আৰু শিক্ষকসকলৰ ক্ষেত্ৰত ক'ভিড প্ৰতিষেধক গ্ৰহণ ইতিমধ্যে বাধ্যতামূলক ঘোষণা কৰা হৈছে।

## দুৰ্বলসকলক প্ৰথমে বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ পৰামৰ্শ হুৰ




**নিউজ ব্যুৰ', জেনেভা, ১০ ডিচেম্বৰ ঃ** অৱশেষত বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ বিশেষজ্ঞই ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ পোষকতা কৰিলে। বৃদ্ধৰ লগতে শাৰীৰিকভাৱে অসুস্থ তথা দুৰ্বল ব্যক্তিসকলক সৰ্বপ্ৰথমে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰা উচিত বুলি আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৱে পৰামৰ্শ দিলে। উল্লেখ্য যে হুৱে বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ পূৰ্বে বিৰোধিতা কৰিছিল যদিও কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি সংস্থাটোৰ বিশেষজ্ঞই শাৰীৰিকভাৱে দুৰ্বল ব্যক্তিক ক'ভিডৰ তৃতীয় তথা বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ পোষকতা কৰিলে। বিশ্বৰ কে'বাখনো দেশে ইতিমধ্যে বুষ্টাৰ প্ৰতিষেধক প্ৰদান আৰম্ভ কৰিছে।

### বাইডেন-পুটিনে ভাৰ্চুৱেল বৈঠকত অংশ লোৱাৰ পাছত আমেৰিকা-ৰাছিয়াৰ সম্পৰ্ক কিছু উন্নত হ'বলৈ ধৰিছে

# ইউক্ৰেইনৰ ভূমিত নিয়োগ নকৰে মাৰ্কিন সেনা ঃ বাইডেনৰ ঘোষণা

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১০ ডিচেম্বৰ ঃ** ইউক্ৰেইন সংকট সমাধানৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে যোৱা মঙলবাৰে ভাৰ্চুৱেল বৈঠকত অংশ লোৱাৰ পাছত উভয় দেশৰ সম্পৰ্ক কিছু উন্নত হ'বলৈ ধৰিছে। বাইডেনে কালি কয় যে ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণৰ শংকাৰ প্ৰতি লক্ষ্য ৰাখি এই মুহূৰ্তত আমেৰিকাই ইউক্ৰেইনলৈ মাৰ্কিন সেনাক প্ৰেৰণ কৰিব বিচৰা নাই। ইফালে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনেও কয় যে তেওঁৰ দেশখনে ইউক্ৰেইন সংকটৰ সমাধানৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে অচিৰে আমেৰিকাক অৱগত কৰিব। হোৱাইট হাউছৰ সংবাদমেলত অংশ লোৱাৰ সময়ত বাইডেনে আশা প্ৰকাশ কৰি কয় যে শুকুৰবাৰৰ ভিতৰতে ৰাছিয়া আৰু নাটোৰ স'তে উচ্চস্তৰীয় বৈঠক আয়োজনৰ কথা ঘোষণা হ'ব পাৰে। এনে বৈঠকৰ জৰিয়তে ইউক্ৰেইনক লৈ দেখা দিয়া উত্তেজনাময় পৰিস্থিতিৰ লগতে নাটোক লৈ সৃষ্টি হোৱা



ৰাছিয়াৰ শংকাও দূৰ কৰা সম্ভৱ হ'ব বুলি মাৰ্কিন ৰাষ্ট্ৰপতিয়ে মত প্ৰকাশ কৰিছে। বাইডেনে লগতে কয় যে ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ কৰিলে নাটোৰ সহযোগী দেশ হিচাপে ইউক্ৰেইনক ৰক্ষা কৰাটো আমেৰিকাৰ নৈতিক আৰু আইনী দায়িত্ব, কিন্তু এই মুহূৰ্তত মাৰ্কিন সেনাই ইউক্ৰেইনক সহযোগিতা আগবঢ়াব নোৱাৰিব। সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰ দি বাইডেনে কয়, 'ইউক্ৰেইনত মাৰ্কিন সেনা নিয়োগ কৰাৰ সিদ্ধান্ত এই কথাত নিৰ্ভৰ কৰিব নাটোৰ অন্যান্য সদস্য দেশসমূহৰ ইচ্ছাৰ ওপৰত। আমেৰিকাই ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে একপক্ষীয়ভাৱে নিজ দেশৰ সেনাক ইউক্ৰেইনলৈ প্ৰেৰণ নকৰে। নাটোৰ অন্যান্য সদস্য ৰাষ্ট্ৰই বিচাৰিলেহে মাৰ্কিন সেনাক ইউক্ৰেইনলৈ আমি প্ৰেৰণ কৰাৰ সিদ্ধান্ত ল'ম।' উল্লেখ্য যে দুদিন পূৰ্বে মাৰ্কিন ৰাষ্ট্ৰপতিয়ে ৰাছিয়াক হুংকাৰ দি কৈছিল যে ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰিলে আমেৰিকাই ইউক্ৰেইনলৈ সেনা প্ৰেৰণ কৰিব। নাটোৰ সদস্য ৰাষ্ট্ৰ হিচাপে ইউক্ৰেইনক ৰাছিয়াৰ সম্ভাব্য আক্ৰমণৰ পৰা ৰক্ষা কৰাটো আমেৰিকাৰ দায়িত্ব বুলিও বাইডেনে মন্তব্য কৰিছিল।



## মেক্সিকোত ট্ৰাক বাগৰি ৫৩ জন প্ৰব্ৰজনকাৰীৰ মৃত্যু, আহত কমেও ৫৮

**নিউজ ব্যুৰ' মেক্সিকো চিটি, ১০ ডিচেম্বৰ ঃ** এইবাৰ মেক্সিকোত এখন ট্ৰাক বাগৰি পৰাৰ ফলত প্ৰাণ হেৰুৱালে কমেও ৫৩ জন প্ৰব্ৰজনকাৰীয়ে। এই দুৰ্ঘটনাত আহত হৈছে ৫৮ জন লোক। আহতসকলৰ কে'বাজনৰো অৱস্থা সংকটজনক। মধ্য আমেৰিকাত অব্যাহত থকা অশান্তি আৰু দাৰিদ্ৰৰ পৰিণতিত প্ৰতি বছৰে হণ্ডুৰাছৰ দৰে দেশৰ পৰা হেজাৰ হেজাৰ প্ৰব্ৰজনকাৰীয়ে মেক্সিকো হৈ আমেৰিকালৈ প্ৰব্ৰজন কৰি আহিছে। এইদৰে প্ৰব্ৰজন কৰাৰ সময়তে মেক্সিকোত প্ৰব্ৰজনকাৰীক কঢ়িয়াই নিয়া এখন ট্ৰাক হঠাতে নিয়ন্ত্ৰণ হেৰুৱাই মাজ পথত বাগৰি পৰে। ফলত ঘটনাস্থলীতে কে'বাজনো যাত্ৰীৰ মৃত্যু হয়। মৃতকৰ মাজত কেঁবাজনো শিশু আৰু মহিলাও আছে।



## পুনৰ পিতৃত্ব অৰ্জন ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ, পত্নীয়ে জন্ম দিলে কন্যা

**নিউজ ব্যুৰ' লণ্ডন, ১০ ডিচেম্বৰ ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে পুনৰ পিতৃত্ব অৰ্জন কৰিলে। বৃহস্পতিবাৰে লণ্ডনৰ এখন চিকিৎসালয়ত এটি কন্যা সন্তান জন্ম দিলে জনছনৰ পত্নী কেৰি ছাইমণ্ডছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে জনছন দম্পতীৰ প্ৰথম সন্তান উইলফ্ৰেডৰ জন্ম হৈছিল ২০২০ৰ এপ্ৰিলত। এবছৰ পূৰ্বে মে'ত কেৰিৰ স'তে বিবাহৰ আনুষ্ঠানিকতা সম্পন্ন কৰিছিল ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে। ২০১৯ত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী নিযুক্ত হোৱাৰ পাছৰে পৰা ডাউনিং ষ্ট্ৰীটত একেলগে বসবাস কৰি আহিছে ৫৬ বছৰীয়া জনছন আৰু কেৰিয়ে। ইয়াৰ পূৰ্বে দুবাৰকৈ বিবাহ বিচ্ছেদ হৈছিল জনছনৰ।



## বিজেপিক প্ৰতিৰোধৰ বাবে মমতাক বিচাৰে কংগ্ৰেছ নেতা চিদাম্বৰমে

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ ডিচেম্বৰ ঃ** বিজেপিক প্ৰতিৰোধ কৰিবলৈ মমতা বেনাৰ্জীৰ সংগ বিচাৰিলে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পি চিদাম্বৰমে। কালি গোৱাত এই মন্তব্য প্ৰকাশ কৰিলে দেশৰ প্ৰাক্তন বিত্তমন্ত্ৰীজনে। চিদাম্বৰমে কয়, 'মমতা মোৰ বন্ধু, মই তেওঁক ২০-২৫ বছৰ ধৰি চিনি পাওঁ। তেওঁ এক বিশেষ দৃষ্টিভংগীৰে অগ্ৰসৰ হৈছে। ইফালে আমাৰ এক পদ্ধতি আছে। দুটি পন্থা একত্ৰিত হ'ব পাৰিলে দেশৰ বাবে ভাল হ'ব।' উল্লেখ্য যে কিছুদিন পূৰ্বে তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতাই ইউপিএৰ অস্তিত্বক লৈ প্ৰশ্ন উত্থাপন কৰাৰ লগতে কংগ্ৰেছকো কঠোৰভাৱে সমালোচনা কৰিছিল। মমতাই এইদৰে হঠাতে কংগ্ৰেছ বিৰোধী ভূমিকাত অৱতীৰ্ণ হোৱাৰ সময়তে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা চিদাম্বৰমে বিজেপিক প্ৰতিৰোধৰ স্বাৰ্থত মমতাৰ সহযোগিতাৰ প্ৰয়োজন আছে বুলি মত প্ৰকাশ কৰিলে।

## ধূমপান নিষিদ্ধকৰণৰ কঠোৰ পদক্ষেপ নিউজিলেণ্ড চৰকাৰৰ


**নিউজ ব্যুৰ', ৱেলিংটন, ১০ ডিচেম্বৰ ঃ** নিউজিলেণ্ডৰ যুৱ প্ৰজন্মক ধূমপানৰ ক্ষতিকাৰক আসক্তিৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। নিউজিলেণ্ড চৰকাৰে দেশখনত ১৪ বছৰ আৰু ইয়াৰ অনূৰ্ধ্ব বয়সৰ যুৱ প্ৰজন্মক চিগাৰেট ক্ৰয়ৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰিছে। অহা বছৰতে দেশখনত ধূমপান বিৰোধিতাৰে কঠোৰ আইন প্ৰৱৰ্তনৰ সম্ভাৱনা আছে। নতুন আইনৰ অধীনত চিগাৰেট ক্ৰয়ৰ ন্যূনতম বয়স প্ৰতি বছৰে বৃদ্ধি কৰা হ'ব। চৰকাৰে যুক্তি প্ৰদৰ্শন কৰি কয় যে এই আইন প্ৰৱৰ্তন হ'লে ৬৫ বছৰৰ পাছত নিউজিলেণ্ডত ব্যৱসায়ীয়ে কেৱল



৮০ বছৰ ঊৰ্দ্ধৰ বয়সৰ লোককহে চিগাৰেট বিক্ৰী কৰিব পাৰিব। নিউজিলেণ্ড চৰকাৰৰ লক্ষ্য হৈছে ২০২৫ বৰ্ষলৈকে দেশখনত ধূমপান কৰাৰ লোকৰ সংখ্যা পাঁচ শতাংশ হ্ৰাস কৰা। নিউজিলেণ্ডত প্ৰতি বছৰে ধূমপানৰ আসক্তিৰ ফলত পাঁচ হেজাৰ লোকৰ মৃত্যু হৈ আহিছে।


নিউজিলেণ্ডৰ সহযোগী স্বাস্থ্যমন্ত্ৰী আয়েছা ভেৰালে কয়, 'আমি এই কথা নিশ্চিত কৰিব বিচাৰিছো যে যুৱ প্ৰজন্মই কেতিয়াও ধূমপানৰ অভ্যাস আৰম্ভ নকৰে। সেয়েহে আমি যুৱ প্ৰজন্মক ধূমপানত ব্যৱহাৰ কৰা ধপাত জাতীয় সামগ্ৰী বিক্ৰী কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিব বিচাৰিছে। বিগত দশকত দেশখনত ধূমপানৰ হাৰ হ্ৰাস পাইছে। আমি দেশত ধূম্ৰপায়ীৰ সংখ্যা সৰ্বনিম্ন কৰিব বিচাৰিছো।' উল্লেখ্য যে বৰ্তমানে নিউজিলেণ্ডত ১৮ ঊৰ্দ্ধৰ বয়সৰ লোকেহে ধপাত জাতীয় সামগ্ৰী ক্ৰয় কৰিব পাৰে। দেশখনত ১৫ বছৰ বয়সৰ ঊৰ্দ্ধৰ ১১.৬ শতাংশ জনসংখ্যাই সম্প্ৰতি ধূমপান কৰি আহিছে।

## পুৰণি পেঞ্চন আঁচনি প্ৰৱৰ্তনৰ চিন্তা-চৰ্চা চৰকাৰৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে একাংশ কৰ্মচাৰীক পুৰণি পেঞ্চন আঁচনিৰ সুবিধা প্ৰদান কৰাৰ সন্দৰ্ভত চিন্তা-চৰ্চা অব্যাহত ৰাখিছে। যিসকল কেন্দ্ৰীয় কৰ্মচাৰীৰ নিয়োগৰ বাবে বিজ্ঞাপন ৩১ ডিচেম্বৰ ২০০৩ অথবা ইয়াৰ পূৰ্বে প্ৰকাশ কৰা হৈছিল, সেইসকল কৰ্মচাৰীক চৰকাৰে পুৰণি পেঞ্চন আঁচনিৰ সুবিধা ওভতাই দিব পাৰে। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিঙে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি এই বিষয়ত ইতিমধ্যে আইন মন্ত্ৰণালয়ৰ পৰা ৰায় বিচৰা হৈছে। আইন মন্ত্ৰণালয়ে অনুমতি দিলে ৩১ ডিচেম্বৰ ২০০৩ বা ইয়াৰ পূৰ্বে প্ৰকাশিত চাকৰিৰ বিজ্ঞাপনৰ জৰিয়তে নিযুক্তিপ্ৰাপ্ত কৰ্মচাৰীক পুৰণি পেঞ্চন আঁচনিৰ সুবিধা চৰকাৰে প্ৰদান কৰিব পাৰে বুলি মন্ত্ৰীজনে জানিবলৈ দিয়ে।

## হংকঙৰ আদালতত পুনৰ দোষী সাব্যস্ত 'মিডিয়া টাইকুন' জিমি লাইক



**নিউজ ব্যুৰ', হংকং, ১০ ডিচেম্বৰ ঃ** নিয়মীয়াভাৱে চীন বিৰোধী বা-বাতৰি প্ৰকাশ কৰাৰ অপৰাধত হংকঙৰ প্ৰশাসনে 'মিডিয়া টাইকুন' জিমি লাইকক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। এইবাৰ হংকঙৰ এখন আদালতে টিয়েনআনমেন হত্যাকাণ্ডৰ প্ৰতিবাদত অংশ লোৱাৰ অভিযোগত দোষী সাব্যস্ত কৰিলে জিমিক। ৭৪ বছৰীয়া জিমিৰ লগতে একেটা গোচৰত হংকঙৰ আন দুজন গণতন্ত্ৰকামী আন্দোলনকাৰীকো আদালতে দোষী সাব্যস্ত কৰিলে। এই দুই ব্যক্তি হৈছে প্ৰাক্তন সাংবাদিক গাইনেথ হু আৰু প্ৰাক্তন মানৱাধিকাৰ বিষয়ক অধিবক্তা চাও হাংটুং। চীন বিৰোধী বা-বাতৰি প্ৰচাৰৰ অভিযোগত জিমিৰ মালিকানাধীন সংবাদপত্ৰ 'এপল ডেইলী' ইতিমধ্যে হংকং প্ৰশাসনে বন্ধ কৰি দিছে। ইয়াৰ পাছতে উক্ত সংবাদপত্ৰৰ কে'বাজনো সাংবাদিক, বিষয়াৰ লগতে স্বত্বাধিকাৰী জিমিক হংকং প্ৰশাসনে গ্ৰেপ্তাৰ কৰিছিল।

## ২০২২-২৩ শিক্ষাবৰ্ষত সলনি হ'ব পাৰে দিল্লী বিশ্ববিদ্যালয়ৰ নামভৰ্তি প্ৰক্ৰিয়া ঃ বিকল্প পদ্ধতিৰ সন্ধান

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ ডিচেম্বৰ ঃ** দিল্লী বিশ্ববিদ্যালয়ে ২০২২-২৩ শিক্ষাবৰ্ষৰ পৰা নামভৰ্তিৰ ক্ষেত্ৰত নতুন পদ্ধতি অৱলম্বন কৰাৰ সম্ভাৱনা আছে। বিশ্ববিদ্যালয়খনে নামভৰ্তিৰ ক্ষেত্ৰত ব'ৰ্ড আৰু প্ৰৱেশ পৰীক্ষাত লাভ কৰা নম্বৰক আধাৰ হিচাপে গ্ৰহণ কৰিব পাৰে। এই পদ্ধতি গ্ৰহণ কৰিলে ব'ৰ্ডৰ পৰীক্ষা আৰু প্ৰৱেশ পৰীক্ষাৰ নম্বৰৰ ৫০-৫০ শতাংশ যোগ কৰা হ'ব। অৱশ্যে এতিয়াও প্ৰৱেশ পৰীক্ষাক লৈ চূড়ান্ত সিদ্ধান্তত বিশ্ববিদ্যালয় কৰ্তৃপক্ষ উপনীত হোৱা নাই। দিল্লী বিশ্ববিদ্যালয়ৰ নৱ নিযুক্ত উপাচাৰ্য অধ্যাপক যোগেশ সিঙে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ২০২২-২৩ শৈক্ষিক বৰ্ষৰ পৰা বিশ্ববিদ্যালয়খনে নামভৰ্তিৰ ক্ষেত্ৰত বিকল্প পদ্ধতি অৱলম্বন কৰিব পাৰে। এই সন্দৰ্ভত শৈক্ষিক পৰিষদৰ বৈঠকত চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি জানিবলৈ দি অধ্যাপক সিঙে কয়,



'আমাৰ হাতত নামভৰ্তিৰ বাবে কে'বাটাও বিকল্প পদ্ধতি আছে। প্ৰথমটো হৈছে বৰ্তমানৰ পদ্ধতি বাহাল ৰখা। দ্বিতীয়টো হৈছে বিভিন্ন ব'ৰ্ডৰ নম্বৰৰ সামান্যকৰণৰ আধাৰত নামভৰ্তিৰ ব্যৱস্থা কৰা। তৃতীয়তে আমি নামভৰ্তিৰ বাবে প্ৰৱেশ পৰীক্ষাৰ আয়োজন কৰিব পাৰো আৰু চতুৰ্থতো হৈছে প্ৰৱেশ পৰীক্ষা আৰু ব'ৰ্ডৰ ৫০ শতাংশ নম্বৰ যোগ কৰি নামভৰ্তিৰ সুযোগ প্ৰদান কৰা।'

## বিশ্ব শাসন ব্যৱস্থাই গণতান্ত্ৰিক নীতি পালন কৰা উচিত ঃ মোদীৰ মত

**নিউজ ব্যুৰ' নতুন দিল্লী, ১০ ডিচেম্বৰ ঃ** বিশ্ব শাসন ব্যৱস্থা গণতান্ত্ৰিক নীতিসমূহে পথ প্ৰদৰ্শন কৰা উচিত। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ উদ্যোগত আয়োজিত গণতন্ত্ৰৰ শীৰ্ষ ভাৰ্চুৱেল সন্মিলনত অংশ লৈ এই মন্তব্য প্ৰকাশ কৰিলে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। সন্মিলনত মোদীয়ে কয়, 'বিশ্ব



শাসন ব্যৱস্থাৰ ক্ষেত্ৰত গণতান্ত্ৰিক নীতিসমূহৰ বিশেষ ভূমিকা থকা উচিত। প্ৰযুক্তিয়ে গণতান্ত্ৰিক ব্যৱস্থাক ইতিবাচক বা নেতিবাচক প্ৰভাৱ পেলাব পাৰে। সেয়েহে প্ৰযুক্তি সংস্থাসমূহক উন্মুক্ত আৰু গণতান্ত্ৰিক সমাজ সংৰক্ষণত সক্ৰিয় কৰি ৰাখিব লাগিব। গণতন্ত্ৰৰ ধাৰণাৰ অন্যতম উৎস ভাৰতীয় সভ্যতাৰ আচাৰ-বিচাৰ। ভাৰতীয়ৰ মাজত বহু পূৰ্বৰে পৰা গণতান্ত্ৰিক চেতনা আছে। আইনৰ শাসনৰ প্ৰতি শ্ৰদ্ধা আৰু বহুত্ববাদী আচাৰৰ প্ৰতি আস্থা আছে। প্ৰবাসী ভাৰতীয়সকলেও এই চেতনাকে অনুসৰণ কৰে। সেই কাৰণে আন দেশৰ সমাজ কল্যাণ আৰু সম্প্ৰীতিতো ইয়াৰ প্ৰভাৱ প্ৰত্যক্ষ হয়।' কালি আয়োজিত এই ভাৰ্চুৱেল সন্মিলনত মোদীসহ বিশ্বৰ ১২খন দেশৰ ৰাষ্ট্ৰনেতাই গণতান্ত্ৰিক সমাজ ব্যৱস্থা সন্দৰ্ভত ভাষণ ৰাখে।

## ছিংগাপুৰত বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰা দুই ব্যক্তি হ'ল অ'মিক্ৰন আক্ৰান্ত



**নিউজ ব্যুৰ', ছিংগাপুৰ, ১০ ডিচেম্বৰ ঃ** ছিংগাপুৰত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত দুজন ৰোগীক চিনাক্ত কৰা হ'ল। উল্লেখ্য যে অ'মিক্ৰনত আক্ৰান্ত এই দুই ব্যক্তিয়ে কৰ'নাৰ বুষ্টাৰ প্ৰতিষেধকো গ্ৰহণ কৰিছিল। বুষ্টাৰ প্ৰতিষেধক লোৱাৰ পাছতো ক'ভিডৰ নতুন প্ৰজাতিত দুই ব্যক্তি আক্ৰান্ত হোৱাত ক'ভিড প্ৰতিষেধক অ'মিক্ৰন প্ৰতিৰোধত কিমান কাৰ্যকৰী তাক লৈ প্ৰশ্ন উত্থাপিত হৈছে। চলিত সপ্তাহৰ আৰম্ভণিতে ফাইজাৰ আৰু বায়'এনটেকে কৈছিল যে প্ৰাৰম্ভিক পৰীক্ষণত লাভ কৰা তথ্য অনুসৰি, কৰ'নাৰ তৃতীয় পৰ্যায়ৰ প্ৰতিষেধক অৰ্থাৎ বুষ্টাৰ পালিয়ে অ'মিক্ৰনক প্ৰতিৰোধৰ ক্ষেত্ৰত সফল হ'ব পাৰে। ছিংগাপুৰত অ'মিক্ৰনত আক্ৰান্ত প্ৰথমগৰাকী ৰোগী হৈছে ২৪ বছৰীয়া এগৰাকী মহিলা আৰু তেওঁ বিমানকোঠত কাম কৰে। আনহাতে, আক্ৰান্ত দ্বিতীয়জন লোকে যোৱা ছয় ডিচেম্বৰত জাৰ্মানীৰ পৰা উভতি আহিছিল। দুয়োজন লোকে ইতিমধ্যে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰিছে। সম্প্ৰতি আক্ৰান্ত দুই ব্যক্তি নেচনেল চেণ্টাৰ ফৰ ইনফেকচন্স ডিজিজত চিকিৎসাধীন হৈ আছে।

## দেশত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ২৫ জনলৈ বৃদ্ধি, গুজৰাটত দুজন আক্ৰান্ত



**নিউজ ব্যুৰ', আহমেদাবাদ, ১০ ডিচেম্বৰ ঃ** কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ আতংকত ভুগিছে সমগ্ৰ বিশ্ব। উদ্বেগ বৃদ্ধি পাইছে ভাৰততো। এইবাৰ গুজৰাটত পুনৰ দুজন অ'মিক্ৰন আক্ৰান্ত ৰোগীৰ সন্ধান লাভ কৰা হ'ল। বৰ্তমানলৈকে ভাৰতত ২৫ জন লোক ক'ভিডৰ এই নতুন প্ৰজাতিত আক্ৰান্ত হৈছে। গুজৰাটত এইবাৰ এজন প্ৰবাসী ভাৰতীয়ৰ পত্নী আৰু খুলশালিয়েক অ'ক্ৰিমনত আক্ৰান্ত হ'ল। যোৱা সপ্তাহত গুজৰাটৰ জাম নগৰৰ বাসিন্দা উক্ত প্ৰবাসী ভাৰতীয় ব্যক্তিজন অ'মিক্ৰনত আক্ৰান্ত হৈছিল। বিদেশৰ পৰা ভাৰতলৈ উভতি অহাৰ পাছতে তেওঁৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰিছিল। ব্যক্তিজনৰ পৰাই তেওঁৰ পত্নী আৰু খুলশালি অ'মিক্ৰনত আক্ৰান্ত হ'ল বুলি ধাৰণা কৰা হৈছে।

## প্ৰিয়ংকাৰ ভ্ৰমণতে গোৱাৰ কে'বাজনো কংগ্ৰেছ নেতাৰ দলত্যাগ



**নিউজ ব্যুৰ', পানাজি, ১০ ডিচেম্বৰ ঃ** ২০২২ত অনুষ্ঠিত হ'ব লগা গোৱা বিধানসভাৰ নিৰ্বাচনৰ বাবে ইতিমধ্যে ৰাজনৈতিক দলসমূহে কুছকাৱাজ আৰম্ভ কৰিছে। কিন্তু প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ পূৰ্বে অঘটন সংঘটিত হ'ল কংগ্ৰেছৰ। আজি কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰাই পানাজিত উপস্থিত হৈ দলৰ নেতা-কৰ্মীৰ স'তে মত বিনিময় কৰে। প্ৰিয়ংকা গোৱাত উপস্থিত হোৱাৰ পূৰ্বে পুখ'ৰিন বিধানসভা সমষ্টিৰ কে'বাজনো কংগ্ৰেছী নেতাই ইস্তফা দিলে। কংগ্ৰেছ ত্যাগ কৰি জিলা পঞ্চায়তৰ প্ৰাক্তন সদস্য গুপেশ নায়তে কয়, 'ৰাজ্যৰ নিৰ্বাচনক লৈ কংগ্ৰেছ দল আগ্ৰহী নহয় যেন অনুভৱ হয়। দলটোৱে এতিয়ালৈকে কোনো প্ৰস্তুতি আৰম্ভ কৰা নাই। সেয়েহে আমি পদত্যাগৰ সিদ্ধান্ত ল'লো।' নায়তৰ লগতে কংগ্ৰেছৰ আন কে'বাজনো স্থানীয় নেতাই আজি দলত্যাগৰ কথা ঘোষণা কৰে।

## আমিষ নিষেধাজ্ঞাক লৈ আহমেদাবাদ পৌৰসভাক ধমক উচ্চ ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', আহমেদাবাদ, ১০ ডিচেম্বৰ ঃ** গুজৰাটৰ ভদোদৰা আৰু ৰাজকোটত পথৰ দাঁতিত থকা বিপণী আৰু ৰেস্তোৰাঁক কণীসহ বিভিন্ন আমিষ খাদ্য ঢাকি ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছিল। ইয়াৰ পাছতে আহমেদাবাদতো আমিষ খাদ্য ঢাকি ৰাখিবলৈ প্ৰশাসনে নিৰ্দেশ দিছিল। আহমেদাবাদ পৌৰসভাৰ এনে নিৰ্দেশনাৰ বিৰুদ্ধে আদালতত গোচৰ তৰা হৈছিল আৰু এই গোচৰৰে শুনানিত পৌৰসভাক ধমক দিলে গুজৰাট উচ্চ ন্যায়ালয়ে। আদালতে পৌৰসভাক প্ৰশ্ন কৰি কয়, 'মানুহে কি খোৱা উচিত, আপুনি কিদৰে এই বিষয়ত সিদ্ধান্ত ল'ব পাৰিব? হঠাতে ক্ষমতাত থকা কোনোবাই নিজৰ ইচ্ছা মতে সিদ্ধান্ত ল'ব পাৰে নেকি? কাইলৈ আপুনি নিৰ্ণয় কৰিব আমি আমাৰ ঘৰৰ বাহিৰত কি খাম? আপোনালোকে ক্ষমতাত থকা চৰকাৰৰ নিৰ্দেশত কাম কৰিছে? তেন্তে কাইলৈ আপোনালোকে আমাক ক'ব যে কুঁহিয়াৰৰ ৰস পান নকৰিব, কিয়নো মধুমেহ হ'ব পাৰে। অথবা কফি খাবলৈকো বাধা দিব পাৰে কিয়নো ই শৰীৰৰ বাবে ক্ষতিকাৰক?' উল্লেখ্য যে আমিষ খাদ্য মুকলিকৈ বিক্ৰী কৰাত পৌৰসভাই আৰোপ কৰা নিষেধাজ্ঞাৰ বিৰুদ্ধে ২০ জন লোকে গুজৰাট উচ্চ ন্যায়ালয়ত অভিযোগ দাখিল কৰিছিল।

■ গলিয়া প্ৰাথমিক বিদ্যালয়ৰ দুৰৱস্থা ■ শ্ৰেণী কোঠাৰ অভাৱত হাহাকাৰ

# বাৰাণ্ডাত বহি পাঠগ্ৰহণ কৰিছে শিক্ষাৰ্থীয়ে

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১০ ডিচেম্বৰ ঃ** দেশে স্বাধীনতা লাভৰ দুবছৰ পাছতে অনগ্ৰসৰ অঞ্চল এটাৰ শৈক্ষিক উত্তৰণৰ বাবে কেইগৰাকীমান ব্যক্তিৰ উদ্যোগত স্থাপন হৈছিল গলিয়া প্ৰাথমিক বিদ্যালয়। এই বিদ্যালয়খন নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গলিয়া কটকীয়া গাঁৱত অৱস্থিত। বিদ্যালয়খন স্থাপন কৰাৰ আঁৰৰ মূল ব্যক্তিজন আছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ককাক প্ৰয়াত বিশ্বনাথ শৰ্মা। বিদ্যালয়খন মুখ্যমন্ত্ৰীৰ পিতৃভূমিৰ পৰা মাত্ৰ দুই কিলো'মিটাৰ আঁতৰত অৱস্থিত। বিদ্যালয়খনত বৰ্তমান তিনিজন শিক্ষকৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৭০ ৰ অধিক। সেই অনুপাতে বিদ্যালয়খনত আন্তঃগাঁথনি, শ্ৰেণী কোঠাৰ অভাৱ বুলি অভিযোগ উঠিছে। উল্লেখ্য যে তদানীন্তন অসম গণ পৰিষদ চৰকাৰৰ প্ৰথমটো আমোলত ৪৮ ফুট দৈৰ্ঘ্যৰ এটি পকী গৃহ নিৰ্মাণ কৰিছিল যদিও সেইটোও এতিয়া তথৈবচ হৈছে। ফলত ছাত্ৰ-ছাত্ৰীৰ একাংশই বাৰাণ্ডাত বহি পাঠ গ্ৰহণ কৰিব লগা হৈছে। সৰ্বশিক্ষাৰ দৰে ব্যয়বহুল আঁচনিও বিদ্যালয়খনক স্পৰ্শ কৰিব নোৱাৰাটো এক সাঁথৰ হৈ ৰৈছে। বিদ্যালয়খনৰ এনেবোৰ সমস্যাৰ কথা তদানীন্তন বিধায়ক অশোক শৰ্মাই বিদ্যালয়খনে আয়োজন কৰা এখন সভালৈ আহি বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ মাতৃ, সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱীৰ সন্মুখতে সমাধান কৰিম বুলি কৈছিল যদিও কাৰ্যক্ষেত্ৰত একো নহ'ল। এই ক্ষেত্ৰত বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী বিনীতা তালুকদাৰ আৰু প্ৰধান শিক্ষক গিৰীন্দ্ৰ কাশ্যপে উল্লেখ কৰা মতে, বিগত বৰ্ষৰ শেষৰ ফালে ৰাইজৰ চহী সম্বলিত এখন স্মাৰকপত্ৰ সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালকক দি তাৰ প্ৰতিলিপি মুখ্যমন্ত্ৰীলৈও প্ৰেৰণ কৰা হৈছিল যদিও কোনো সঁহাৰি লাভ কৰা নাই। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী আৰু নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে।



## চিৰাঙৰ ভূটান সীমান্তত গঢ়ি উঠিব ৰেচম শিল্প, হস্ততাঁত-বস্ত্ৰ শিল্পৰ বজাৰ

■ সীমান্ত অঞ্চলৰ ৰাইজৰ স'তে মত বিনিময় জিলা উপায়ুক্তৰ

**অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা**

**বঙাইগাঁও/কাজলগাঁও, ১০ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ মালিভিটা, পাটাবাৰী অঞ্চলত ৰেচমৰ লগতে হস্ততাঁত আৰু বস্ত্ৰ শিল্পৰ প্ৰচুৰ সম্ভাৱনা থকা হেতুকে বৃহত্তৰ অঞ্চলটোত উল্লিখিত শিল্প বৈজ্ঞানিক ভিত্তিত গঢ়ি তোলাৰ লক্ষ্যৰে চিৰাং জিলা প্ৰশাসনে গুৰুত্ব আৰোপ কৰিছে। যোৱা সাত ডিচেম্বৰত চিৰাঙৰ জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে দুগৰাকী অতিৰিক্ত উপায়ুক্ত, চিদলী-চিৰাং খণ্ড উন্নয়ন বিষয়া, ৰেচম বিভাগৰ বিষয়া, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ বিষয়া-কৰ্মচাৰী সহিতে ভূটান সীমান্তৰ মালিভিটা অঞ্চলত পৰিদৰ্শন কৰি অতি পিছপৰা অঞ্চলটোৰ আন্তঃগাঁথনিৰ উন্নয়নত স্থানীয় বিভিন্ন পৰ্যায়ৰ লোকৰ স'তে মত বিনিময় কৰে। উক্ত অঞ্চলটোত এৰী, পলুৰ উৎপাদন কৰাৰ লক্ষ্যৰে পৰৱৰ্তী সময়ত চৰকাৰী পৃষ্ঠপোষকতাত কাম কৰি পুৰুষৰ লগতে মহিলাসকলক স্বাৱলম্বী হোৱাৰ বাবে প্ৰচেষ্টা লোৱাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে। উল্লেখ্য যে চিৰাং জিলাৰ মালিভিটা ভিচিডিচি অঞ্চলত পূৰ্বৰ পৰাই এৰী, পলু পালন কৰি বহু পৰিয়ালে জীৱিকা নিৰ্বাহ কৰি আহিছে। বিগত দীৰ্ঘদিন ধৰি এবছুৰ উদ্যোগত সুকীয়া বড়ো ৰাজ্য গঠনৰ দাবীত চলা আন্দোলন আৰু এনডিএফবিৰ উদ্যোগত পৃথক বড়োলেণ্ড ৰাষ্ট্ৰ গঠনৰ দাবীত চলোৱা সশস্ত্ৰ সংগ্ৰামৰ ফলত বৃহত্তৰ অঞ্চলটোৰ উন্নয়ন স্থবিৰ হৈ পৰিছিল। সম্প্ৰতি বড়ো শান্তি আলোচনাৰ পাছত অঞ্চলটোত শান্তিৰ পৰিৱেশ বিৰাজ কৰাত জনসাধাৰণে মুক্ত মনেৰে জীৱিকা নিৰ্বাহৰ হকে আত্মপ্ৰকাশ কৰিছে। ইয়াৰ বাবে মূলসুঁতিলৈ উভতি অহা প্ৰাক্তন এনডিএফবিৰ সদস্যসকলে অঞ্চলটোত অৰ্থনৈতিক উন্নয়নৰ লগতে পৰিয়ালসমূহ স্বাৱলম্বী হোৱাৰ লক্ষ্য ৰাখি আগুৱাই আহিছে। মালিভিটা ভিচিডিচি কাৰ্যালয়ত চিৰাং জিলাৰ উপায়ুক্ত শ্বাহৰ উপস্থিতিত ৰেচম বিভাগৰ সহকাৰী সঞ্চালক মনোজ চক্ৰৱৰ্তীয়ে ৰেচম শিল্প গঢ়িবলৈ হ'লে এক একৰ মাটিত কেছেৰু গছ ৰোপণ কাৰ্যসূচীত গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে। তেওঁ ৰাইজৰ সহযোগিতা আশা কৰে। একেদৰে হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ সহকাৰী সঞ্চালক দ্বিজেন্দ্ৰ কছাৰীয়ে এৰী, পলু পালন কৰাৰ ক্ষেত্ৰত বৰ্তমান উন্নতমানৰ যন্ত্ৰ ব্যৱহাৰ কৰি ব্যৱসায় ভিত্তিত কাম কৰিলে পৰিয়ালসমূহ আৰ্থিকভাৱে লাভান্বিত হ'ব পাৰিব বুলি মত ব্যক্ত কৰে। প্ৰাক্তন এনডিএফবিৰ নেতা মাৰ্টিন নাৰ্জাৰীয়ে আঁত ধৰা অনুষ্ঠানটোত চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত অজিত কুমাৰ শৰ্মা, খনিন্দ্ৰ দাস, চিদলী-চিৰাং খণ্ড উন্নয়ন বিষয়া কুমুদ নাৰ্জাৰী, ৰেচম বিভাগৰ সহকাৰী প্ৰবন্ধক জলিকুৰ ৰহমান, ৰাণা বসুমতাৰী, ক্ষেত্ৰ বিষয়া ৰমেন দাস, সুবোধ ৰায়, সুস্মিতা নাথ উপস্থিত থাকে। এতিয়ালৈ ক'ভিড-১৯ৰ প্ৰথম পালি প্ৰতিষেধক টিকা লোৱা নাই তেওঁলোকক প্ৰতিষেধক টিকা ল'বলৈ আহ্বান জনায়। ইপিনে, মালিভিটাবাসী ৰাইজে দীৰ্ঘ বছৰৰ পৰা যাতায়াতৰ দিশত সমস্যাত ভুগি অহা ৰাষ্ট্ৰীয় ঘাইপথ ছাপাগুৰি সংযোগী মূল গড়কাপ্টানী পথ আমগুৰি, কয়লা-ময়লা, আমটেকা, আনন্দ বজাৰ আকু মালিভিটা গড়কাপ্টানী পথৰ কয়লা-ময়লা আৰু নালিভিটাৰ মাজত পকীকৰণ কৰিবলৈ চৰকাৰলৈ দাবী জনায়।

## অসম কবি সন্মিলনৰ সপ্তদশ মধ্যকালীন অধিবেশনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১০ ডিচেম্বৰ ঃ** অসম কবি সন্মিলনৰ আগন্তুক সপ্তদশ মধ্যকালীন অধিবেশনখন অহা ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নলবাৰী জিলাৰ চামতাত অনুষ্ঠিত হ'ব। এই উপলক্ষে ধৰ্মপুৰৰ স্থানীয় বিধায়ক তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক মুখ্য পৃষ্ঠপোষক, সমাজসেৱী হিৰণ্য বৰ্মনক সভাপতি, দীপক কুমাৰ শৰ্মাক কাৰ্যকৰী সভাপতি, দিলীপ তালুকদাৰ, নৱৰত্ন পাটোৱাৰী, এম হাছান আলী, হৰেন বৰ্মন অঞ্জলি দত্তক উপ-সভাপতি, দ্বীপেন মেনাক মুখ্য সম্পাদক, বিনয় শৰ্মা, ৰাজেন বৈশ্যক যুটীয়া সম্পাদক, বিশ্বজিৎ শৰ্মা, প্ৰাণজিৎ ঠাকুৰীয়াক সহকাৰী সম্পাদক, বিনয় ভূষণ দত্তক কোষাধ্যক্ষ, গৌতম বৰ্মন, বুবুল কুমাৰ শৰ্মাক হিচাপ পৰীক্ষক, দ্বিজেন কাকতি, নৱজ্যোতি মিশ্ৰ, নিৰুজউদ্দিন আহমেদ, সোণতৰা দেৱী, নিবেদিতা ডিম্পল, বৰষা বৰ্মন, নয়নমণি বৰ্মন, জয়ন্ত তালুকদাৰ, পুৰুযোত্তম দাস, হলধৰ বৰ্মন আদিক সদস্য হিচাপে লৈ গঠন হোৱা আদৰণি সমিতিখনে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। ইফালে, হিতেশ ডেকাক সভাপতি, গণেশ বৰ্মন, জোন কুমাৰ হালৈক সম্পাদক, ৰাজীৱ দত্ত, প্ৰবীণ বৰ্মনক সহযোগী সম্পাদক, মনীষা তালুকদাৰ, নিজৰা ডেকা, অৰ্পণা দেৱী, প্ৰিয়ম ৰাগিনী, নিতা শৰ্মা, জয়ন্ত কুমাৰ শৰ্মা, প্ৰতুল শৰ্মা, মৃগেন শৰ্মা, প্ৰণীতা হালৈক সদস্য হিচাপে লৈ গঠন কৰা হৈছে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি।



বড়মপুৰৰ কন্দলিত হাতী পোৱালিৰ কৰুণ মৃত্যু, শুকুৰবাৰে।

## গ্ৰামোন্নয়নৰ ৱেবছাইটত অন্তৰ্ভুক্ত কটপুহা ৰাজহুৱা শ্মশান

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১০ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগত যোৱা পাঁচ ডিচেম্বৰত গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনি পৰিদৰ্শন কৰে জিলাখনৰ মুখ্য কাৰ্যবাহী বিষয়াজনে। এম জি এনৰেগা, চতুৰ্দশ বিত্তীয় আয়োগ আদিৰ কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ লগতে পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত ৰাজহুৱা কামবোৰৰ অনুমোদন অচিৰেই বিভাগীয়ভাৱে কৰিব বুলি প্ৰকাশ কৰে জিলাখনৰ মুখ্য কাৰ্যবাহী বিষয়া জয়ন্ত কুমাৰ গোস্বামীয়ে।

■ বৰভাগত পঞ্চায়ত আঁচনি পৰিদৰ্শন মুখ্য কাৰ্যবাহী বিষয়াৰ

বিষয়াজনে ৫০(৪) নম্বৰ উপৰ বৰভাগ গাঁও পঞ্চায়তৰ অধীনৰ আটকধুনীয়া কটপুহা ৰাজহুৱা শ্মশানখন পৰিদৰ্শন কৰে। শ্মশান পৰিদৰ্শন কৰি বিষয়াজনে কয় যে গ্ৰামোন্নয়নৰ আঁচনিসমূহৰ সঠিক ৰূপায়নত ৰাইজে আগভাগ ল'ব লাগে যাতে আঁচনিসমূহৰ জৰিয়তে ৰাইজৰ হিতসাধন হয়। উক্ত স্থানত বিষয়াজনক সংগ দিয়ে বৰভাগ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব কুমাৰ চক্ৰৱৰ্তী, পঞ্চায়ত সভানেত্ৰী পদুমী কলিতা, কাৰ্যবাহী অভিযন্তা বিকাশ কাকতিকে ধৰি অন্যান্য বিষয়া-কৰ্মচাৰীসকলে। কিশোৰ কলিতাই আঁত ধৰা অনুষ্ঠানত গ্ৰামোন্নয়নৰ প্ৰতিনিধি দলটোক ৰাইজৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

## আত্মসহায়ক গোটসমূহক লৈ ই-কমাৰ্চ ম'বাইল এপ মুকলি

**অগ্ৰদূত বাৰ্তা**

**বকো, ১০ ডিচেম্বৰ ঃ** জনজাতি লোকসকলৰ আত্মসহায়ক গোটসমূহৰ উৎপাদিত সামগ্ৰীসমূহ সমগ্ৰ দেশতে ম'বাইল অনলাইনযোগে বিক্ৰীৰ বাবে দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ অন্তৰ্গত বনগাঁও উন্নয়ন খণ্ডই গ্ৰহণ কৰিছে এক অভিলাষী পদক্ষেপ। উন্নয়ন খণ্ডটোৰ তত্ত্বাৱধানত আত্মসহায়ক গোটসমূহক লৈ গঠিত ই-কমাৰ্চ অনলাইন ম'বাইল এপ' পৰহি এটা মুকলি কৰে ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে। এই উপলক্ষে বনগাঁও খণ্ডৰ কাৰ্যালয় প্ৰাংগণত খণ্ড উন্নয়ন বিষয়া গুলচানা চুলতানাৰ সভাপতিত্বত এখন উদ্বোধনী সভা অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত বিধায়ক আহমেদে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অনুষ্ঠানিকভাৱে www.shgstore নামৰ অনলাইন ম'বাইল এপ'টো মুকলি কৰে। এপ' মুকলি কৰি বিধায়ক আহমেদে পাহাৰ-ভৈয়ামেৰে আগুৰা বিভিন্ন জাতি-জনজাতি অধ্যুষিত বনগাঁও অঞ্চলৰ পাঁচশটা আত্মসহায়ক গোটে প্ৰস্তুত কৰা জনজাতীয় সাজপাৰকে ধৰি হস্তনিৰ্মিত বিভিন্ন সা-সামগ্ৰী আৰু খাদ্য সামগ্ৰী গোটেই দেশজুৰি বিক্ৰী কৰিব পাৰিব বুলি প্ৰকাশ কৰে। লগতে এই অভিলাষী ই-কমাৰ্চ এপে মহিলা আত্মসহায়ক গোটসমূহক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তুলিব বুলিও আশা প্ৰকাশ কৰে। ইফালে, বনগাঁও উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া গুলচানা চুলতানাই নিজৰ ভাষণত কয় যে এই ম'বাইল এপৰ জৰিয়তে বিশেষকৈ মহিলাসকলৰ জীৱিকাৰ পথ বিচাৰি পাব বুলি আশা প্ৰকাশ কৰে। বনগাঁও উন্নয়ন খণ্ডৰ কম্পিউটাৰ পৰিচালক প্ৰাণকৃষ্ণ দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত পাঁচটা আত্মসহায়ক গোটক উল্লেখনীয় কাম-কাজৰ স্বীকৃতি পত্ৰও প্ৰদান কৰা হয়। অনুষ্ঠানটোত বনগাঁও ব্লক কংগ্ৰেছৰ সভাপতি ছবিন বড়ো, আঞ্চলিক পঞ্চায়তৰ সভাপতি সিদ্ধাৰ্থ ৰাভা, আঞ্চলিক সদস্য লিটিল আহমেদৰ লগতে উন্নয়ন খণ্ডৰ কৰ্মচাৰী আৰু পঞ্চায়ত প্ৰতিনিধিসকল উপস্থিত থাকি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ শোভাবৰ্ধন কৰে।

## ৰামদিয়াত নিৰ্মাণ শ্ৰমিক সন্মিলন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১০ ডিচেম্বৰ ঃ** তীৰ্থনগৰী হাজোৰ ৰামদিয়াত নিৰ্মাণ শ্ৰমিক শাখাৰ সন্মিলনখন পৰহি ৰামদিয়াৰ নামপাৰা হাতভঙা সত্ৰত অনুষ্ঠিত হৈ যায়। পুৱা নামপৰা হাতভঙা সত্ৰ প্ৰাংগণত পতাকা উত্তোলন কৰে শাখাৰ সভাপতি গিৰিশ দাসে, ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰে চিআইটিইউৰ জিলা সম্পাদক মজাফৰ আলীয়ে। সন্মিলনত গিৰিশ দাস আৰু মহিম ডেকাক সভাপতি মণ্ডলী হিচাপে নিৰ্বাচিত কৰি লৈ সন্মিলনৰ কামৰ শুভাৰম্ভ কৰে। উদ্বোধনী বক্তব্য আগবঢ়ায় মজাফৰ আলীয়ে। প্ৰতিবেদন দাখিল কৰে সম্পাদক মহেশ ডেকাই। এই সভাতে পৰৱৰ্তী কাৰ্যকালৰ বাবে ৰহিম ডেকাক সভাপতি আৰু হিতেশ দাসক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰে। সভাত সামৰণি ভাষণ আগবঢ়াই নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ হাজো-দমদমা আঞ্চলিক সম্পাদক ৰমেন ডেকা আৰু শ্ৰমিক নেতা আব্দুল বাছেদে।

## নলবাৰীৰ বৰকুৰাত প্ৰজ্ঞাদীপ শাখা সাহিত্য সভা গঠন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১০ ডিচেম্বৰ ঃ** নলবাৰীৰ বৰকুৰাত যোৱা ছয় ডিচেম্বৰৰ সন্ধিয়া লেখক, অসম সাহিত্য সভাৰ আজীৱন সভ্য ডাঃ প্ৰাণকান্ত ভট্টাচাৰ্যৰ আহ্বান মৰ্মে অঞ্চলটোৰ সাহিত্যপ্ৰাণ বহু সংখ্যক লোকৰ উপস্থিতিত এখন সাধাৰণ সভা সমাপন হয়। সভাত পৌৰোহিত্য কৰে জ্যেষ্ঠ নাগৰিক সুৰেন্দ্ৰ গোস্বামীয়ে। সভাৰ আয়োজনৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে আমন্ত্ৰিত অতিথিসকলক আদৰণি জনায় ডাঃ প্ৰাণকান্ত ভট্টাচাৰ্যই। সভাত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতা, সাংগঠনিক সম্পাদক গোবিন্দ আৰু নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই ভাগ লৈ অসম সাহিত্য সভাৰ লক্ষ্য, উদ্দেশ্য আৰু সাংগঠনিক বিষয়ত ব্যাখ্যা আগবঢ়ায়। সভাত উপস্থিত থকা পৰেশ চন্দ্ৰ শৰ্মা, মণ্টু শৰ্মা, কন্দৰ্প কুমাৰ শৰ্মা, ৰবীন বৰ্মন, যোগেশ্বৰ বৰ্মন, সোণেশ্বৰ শৰ্মা, ধীৰেন লহকৰ, দীপক কুমাৰ শৰ্মা, কান্তেশ্বৰ ডেকা, বীৰেন কুমাৰ শৰ্মা, অনিল কুমাৰ গোস্বামী, প্ৰণৱ শৰ্মা, শৈলেন্দ্ৰ কুমাৰ ভাগৱতী, বিণু দেৱী প্ৰমুখ্যে কে'বাগৰাকীয়ে স্থানীয়ভাৱে এখন শাখা সভা গঠনৰ বাবে ঐক্যমত পোষণ কৰি মন্তব্য আগবঢ়ায়। সভাই প্ৰজ্ঞাদীপ শাখা সাহিত্য সভা নামেৰে এখন শাখা সভা গঠন কৰে। নৱগঠিত শাখা সভাখনৰ সভাপতি হিচাপে ডাঃ প্ৰাণকান্ত ভট্টাচাৰ্য, উপ-সভাপতি হিচাপে শৈলেন্দ্ৰ ভাগৱতী, সম্পাদক হিচাপে দীপক কুমাৰ শৰ্মা, সহকাৰী সম্পাদক হিচাপে মণ্টু শৰ্মা, ধনভঁৰালী হিচাপে সোণেশ্বৰ শৰ্মা, পত্ৰিকা বিণু দেৱী আৰু নগৰাকী সদস্যক মনোনীত কৰি ১৫ জনীয়া কাৰ্যনিৰ্বাহক সমিতি এখন গঠন কৰা হয়। সমিতিৰ হিচাপ পৰীক্ষক হিচাপে প্ৰণৱ শৰ্মাক মনোনীত কৰা হয়। শাখা সভাখনৰ পৰৱৰ্তী যাৱতীয় সকলো কাৰ্য সম্পাদন কৰাৰ বাবে সভাপতি ডাঃ প্ৰাণকান্ত ভট্টাচাৰ্য আৰু সম্পাদক দীপক কুমাৰ শৰ্মাক দায়িত্ব অৰ্পণ কৰা হয়।

## বৰঝাৰ বিমানকোঠত এম্বুলেঞ্চ সেৱা মুকলি

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১০ ডিচেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো আন্তৰ্জাতিক বিমান কোঠৰ হিচাপে পৰিগণিত গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান কোঠৰ যাত্ৰীসকলৰ স্বাস্থ্য সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি পৰিচালনা কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। এনে গুৰুত্বৰ অংশ হিচাপে বিমানযাত্ৰীৰ সুবিধাৰ্থে বৰঝাৰ বিমানকোঠাৰ কৰ্তৃপক্ষই ৰাজ্য চৰকাৰক জনোৱা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই অসম চৰকাৰৰ 'স্বাস্থ্য আৰু সমাজ কল্যাণ' বিভাগে বৰঝাৰ বিমান কোঠৰ লগতে দাঁতি কাষৰীয়া ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এখন ১০৮ এম্বুলেঞ্চ সমীপত অৱস্থান কৰাৰ অনুমতি প্ৰদান কৰিছে। এই সেৱাই বিমানযাত্ৰীসকলৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ বাসিন্দাসকলকো তাৎক্ষণিত সেৱাসমূহৰ ভিতৰত অক্সিজেন চিলিণ্ডাৰ, ব্লাড প্ৰেচাৰ মেচিন, পালচ অক্সিমিটাৰ, ডিজিটেল থাৰ্মোমিটাৰ, ড্ৰেচিং পেডছ আৰু এজন প্ৰশিক্ষণপ্ৰাপ্ত স্বাস্থ্যকৰ্মীৰ উপস্থিতিয়ে অহৰ্নিশে সহায় কৰিব বুলি আশা প্ৰকাশ কৰিছে পৰিচালনা কৰ্তৃপক্ষই।

## তামুলপুৰত অব্যাহত বনৰীয়া হাতীৰ উপদ্ৰৱ

■ ভূটান সীমান্তৰ ডোহা আঙাৰকাটাত কে'বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১০ ডিচেম্বৰ ঃ** খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ পৰা নামি অহা বনৰীয়া হাতীৰ বৃহৎ জাক এটাই ধাৰাবাহিকভাৱে উপদ্ৰৱ চলাই সম্প্ৰতি নিদ্ৰাহৰণ কৰিছে তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ। শতাধিক বনৰীয়া হাতীৰ জাকটোৱে নিশা হ'লেই জনাঞ্চলত প্ৰৱেশ কৰি উপদ্ৰৱ চলায়। বনৰীয়া হাতীৰ ধাৰাবাহিক উপদ্ৰৱত এতিয়া বিনিদ্ৰ ৰজনী কটাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে ভূটান সীমান্তৰ ৰাইজৰ। যোৱা সাত ডিচেম্বৰৰ নিশা কুমাৰীকাটা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত দোহা আঙাৰকাটাত এটি বৃহৎ বনৰীয়া হাতীৰ জাকে প্ৰৱেশ কৰি কে'বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি চূৰমাৰ কৰাৰ উপৰি ভড়ালৰ ধান, বাৰীৰ তামোল গছ, কলগছ খাই তহিলং কৰি এক অৱৰ্ণনীয় পৰিবেশৰ সৃষ্টি কৰে। বনৰীয়া হাতীৰ বৃহৎ জাকটোৱে দোহা আঙাৰকাটাৰ ডুকা মুণ্ডা, গৌতম চৰৰ, ৰাতিয়া মুণ্ডা, পৰেশ মুণ্ডা, ৰবি মুণ্ডা, চুমৰী মুণ্ডা, ইলাজৰ মুণ্ডা আৰু ৰাজেন মুণ্ডাকে ধৰি কে'বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি পেলায়। বনৰীয়া হাতীৰ জাকৰ আক্ৰমণৰ পৰা কথমপি প্ৰাণ ৰক্ষা পৰে কে'বাজনো লোকৰ। কালি পুৱা তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে বনৰীয়া হাতীয়ে ক্ষতিগ্ৰস্ত কৰা আঙাৰকাটাৰ পৰিয়ালকেইটাৰ অতি শীঘ্ৰেই উপযুক্ত ক্ষতিপূৰণ দিয়াৰো প্ৰতিশ্ৰুতি দিয়ে। উল্লেখ্য যে কেতিয়াবা নদীৰ পাৰৰ হাবিয়নিত কেতিয়াবা ভূটান পাহাৰৰ নামনিত অৱস্থান কৰি থকা বনৰীয়া হাতীৰ বৃহৎ জাকটো বন বিভাগৰ লোকে দুটাকৈ ঘৰচীয়া হাতীৰ সহায়ত বিগত এসপ্তাহ ধৰি পাহাৰলৈ খেদি পঠিয়াবলৈ চেষ্টা অব্যাহত ৰাখিছে যদিও সফল হোৱা নাই।



## লুমিনেৰী জুনিয়ৰ কলেজৰ নৱাগত আদৰণি

■ প্ৰাচীৰ পত্ৰিকা জ্যোতিষ্ক উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১০ ডিচেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ লুমিনেৰী জুনিয়ৰ কলেজৰ নৱাগত আদৰণি সভাখন যোৱা সাত ডিচেম্বৰত কলেজ প্ৰাংগণত অনুষ্ঠিত হৈ যায়। ছাত্ৰী নিবেদিতা শইকীয়াই আঁত ধৰা অনুষ্ঠানত কলেজৰ সঞ্চালক কন্দৰ্প হাজৰিকাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক আব্দুল বাৰেক, চাৰিআলি মডেল ইংলিছ স্কুলৰ অধ্যক্ষ প্ৰদীপ হেমৰাম, চাৰিআলি একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অৰ্চনা শৰ্মা, বিষয় শিক্ষক মানসজ্যোতি ভূঞা, কলেজখনৰ যোগিন্দৰ কানু আদিয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে জ্যোতিষ্ক নামৰ এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিশ্বনাথৰ জ্যেষ্ঠ সাংবাদিক নিৰঞ্জন হাজৰিকাই। তেওঁ প্ৰাচীৰ পত্ৰিকা আৰু অন্যান্য আলোচনীৰ জৰিয়তে শিক্ষানুষ্ঠানসমূহত বৌদ্ধিক আন্দোলন আগবঢ়াই নিবলৈ আহ্বান জনায়। অনুষ্ঠানটোৰ আঁত ধৰে কন্দৰ্প হাজৰিকাই। অনুষ্ঠানত প্ৰাচীৰ পত্ৰিকা সম্পাদনা সমিতিৰ কংকুমণি হাজৰিকা, ৰিছিতা লগুনৰ লগতে খৰাছিমলু উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হেমাংগ হাজৰিকা, কলেজৰ সঞ্চালক মণ্ডলীৰ অকণ শইকীয়া, সেউতি হাজৰিকা আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে সহযোগ কৰে। অনুষ্ঠানত বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নৃত্য, গীত পৰিবেশন কৰে।

## হাউলীস্থিত বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত কৃষি শিক্ষা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১০ ডিচেম্বৰ ঃ** হাউলীস্থিত বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত স্বাধীন ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ ১৩৬ সংখ্যক জন্ম দিৱসৰ লগত সংগতি ৰাখি অলপতে বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৃষি শিক্ষা দিৱস উদ্‌যাপন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ সামুহিক বিজ্ঞানৰ বিষয়বস্তু বিশেষজ্ঞা ড° স্বপ্না চৌধুৰীৰ সঞ্চালনাত অনুষ্ঠিত সজাগতা সভাত উপস্থিত থাকি হাউলীস্থিত বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ মূৰব্বী ড° অৰূপ কুমাৰ ডেকাই বিদ্যালয়ৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি কৃষি শিক্ষাৰ গুৰুত্ব আৰু ইয়াৰ কেৰিয়াৰ সম্বন্ধে ব্যাখ্যা আগবঢ়ায়। ড° ডেকাই কৃষি ক্ষেত্ৰত উচ্চ শিক্ষা লাভ কৰি কৃষক সমাজৰ সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈ কৃষিৰ বিকাশত অৰিহনা যোগাবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। সজাগতা সভাখনত উপস্থিত থাকি বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হৰেকৃষ্ণ দাসে কয়, কৃষিত উচ্চশিক্ষা লৈ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ভৱিষ্যতে উজ্জ্বল কৰাৰ লগতে দেশৰ কৃষি ক্ষেত্ৰত প্ৰভূত বৰঙণি যোগাব পাৰে। সজাগতা সভাখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। উক্ত সভাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত জিলা কৃষি বিষয়া হোমেশ্বৰ কলিতাই কৃষিৰ বিভিন্ন দিশ সামৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰায় ডেৰকুৰি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে ভাগ লোৱাৰ উপৰি বিদ্যালয়খনৰ কে'বাজনো শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ ড° কুলদীপ তালুকদাৰ উপস্থিত থাকে।

## তেজপুৰত গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ কৰ্মশালাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১০ ডিচেম্বৰ ঃ** অসম গ্ৰামীণ বিকাশ বেংকৰ অধীনস্থ গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ দ্বাৰা তেজপুৰত ১০দিনীয়া কাৰ্যসূচীৰে আয়োজিত কৰ্মশালাৰ যোৱা আঠ ডিচেম্বৰত সামৰণি পৰে। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম গ্ৰামীণ বিকাশ বেংক তেজপুৰ আঞ্চলিক কাৰ্যালয়ৰ প্ৰৱন্ধক কিশোৰ দাসে প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ গ্ৰহণ কৰি লাভ কৰা জ্ঞান বাস্তৱত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ আত্মসহায়ক গোটৰ জৰিয়তে মহিলাসকলক স্ব-নিৰ্ভৰশীল হ'বলৈ আহ্বান জনোৱাৰ লগতে চাৰি-পাঁচজনীয়াকৈ যুটীয়া আত্মসহায়ক গোট গঠন কৰি আত্মনিৰ্ভৰশীল হ'বলৈ বেংকে আগবঢ়োৱা বিভিন্ন সুবিধাৰ বিষয়ে কয়। গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান তেজপুৰৰ সঞ্চালক জয়ন্ত প্ৰকাশ বৰুৱাই আঁত ধৰা এই সামৰণি অনুষ্ঠানত তেওঁ শিক্ষিত নিৱনুৱাসকলক উপযুক্ত বৃত্তিগত প্ৰশিক্ষণ প্ৰদান কৰি স্ব-নিৰ্ভৰশীল হ'বলৈ ব্যৱস্থা গ্ৰহণ কৰা বুলিও কয়। উক্ত অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক হিমাংশু শইকীয়াই অংশগ্ৰহণ কৰি প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণত প্ৰাপ্ত জ্ঞান আৰু অভিজ্ঞতা কাৰ্যক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ঘৰুৱা সমস্যাৰ মাজতে মহিলাসকলে স্ব-নিয়োজনৰ বাবে আগবাঢ়ি আহিলে মহিলাসকলৰ নিজৰ লগতে সমাজৰো উপকাৰ হয়। গাভৰু উন্নয়ন খণ্ডৰ অধীনৰ ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে বাছনি কৰি দিয়া ২৯ গৰাকী যুৱতী-বোৱাৰীক আচাৰ, পাপৰ, মছলা পাউদাৰ প্ৰস্তুত কৰাৰ প্ৰশিক্ষণ প্ৰদান কৰা হয় এই কৰ্মশালাত।

## কোকৰাঝাৰত ভাৰতীয় গোৰ্খা পৰিসংঘৰ ৰাষ্ট্ৰীয় সন্মিলন

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১০ ডিচেম্বৰ ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰত অহা ১১ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে ভাৰতীয় গোৰ্খা পৰিসংঘৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হ'ব। এই উপলক্ষে কোকৰাঝাৰ ৰাষ্ট্ৰভাষা বিদ্যাপীঠ হাইস্কুলত এখন সভা যোৱা পাঁচ ডিচেম্বৰত অনুষ্ঠিত হয়। উক্ত সভাতে আগন্তুক সন্মিলনখন শৃংখলাবদ্ধতাৰে পৰিচালনা কৰিবলৈ সভাপতি হিচাপে বিটিআৰ চৰকাৰৰ পাৰিষদ মাধৱ কুমাৰী ছেত্ৰী আৰু সাধাৰণ সম্পাদক হিচাপে ড° কেদাৰনাথ পাণ্ডেক লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। উল্লেখ্য যে ৰাষ্ট্ৰীয় সন্মিলনত দেশত প্ৰায় ২৮খন ৰাজ্যৰ এহেজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তা সমিতিয়ে সদৰী কৰিছে। মনকৰিবলগীয়া যে এসময়ৰ জৰ্জৰিত কোকৰাঝাৰ জিলা বৰ্তমান বিটিআৰ চুক্তিৰে স্থায়ী শান্তিৰ বাতাবৰণ ঘুৰি অহাত দেশবাসীক এই বাৰ্তা যোগাবলৈ গোৰ্খা সন্মিলনৰ যোগেদি 'চলো কোকৰাঝাৰ' এক শ্ল'গান হাতত লোৱা বুলি জানিব দিছে।

## নৈনে গোপাল মন্দিৰৰ চুৰি মূৰ্তি আদালতৰ জৰিয়তে ঘূৰাই পালে

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১০ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ কমাৰকুছি থানাৰ অন্তৰ্গত নৈনে গোপাল মন্দিৰৰ সামগ্ৰীৰ লগতে ৰাধাকৃষ্ণৰ এটা মূৰ্তি কিছুদিন পূৰ্বে চোৰে চুৰি কৰি উধাও হৈছিল। কমাৰকুছি আৰু কওা আৰক্ষীৰ অভিযানত মূৰ্তিটো আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। লগতে আৰক্ষীয়ে চোৰজনক আটক কৰিবলৈ সক্ষম হৈছিল। কালি আদালতৰ নিৰ্দেশ অনুসৰি ৰাইজে ৰাধাকৃষ্ণৰ মূৰ্তিটো ঘুৰাই পায়। পাছত আৰক্ষীৰ লগতে অঞ্চলবাসী ৰাইজৰ উপস্থিতিত মাংগলিক কাৰ্যসূচীৰে মন্দিৰত পুনৰ স্থাপন কৰা হয় মূৰ্তিটো।

## ডিফুত নিচাজাতীয় টেবলেট জব্দ

**বকলীয়াঘাট, ১০ ডিচেম্বৰ ঃ** কাৰ্বি আংলঙৰ ডিফু-লামডিং পথৰ আঠ কিলোত পৰহি নিচা জাতীয় টেবলেটসহ এজনক গ্ৰেপ্তাৰ কৰে ডিফু আৰক্ষীয়ে। ধৃত যুৱকজন ডিফুৰ ইমানুৱেল হাঞ্চে। ধৃত যুৱকজনৰ স্কুটীৰ পৰা মুঠ ১৪০০টা ছিমপ্লেক্স প্লাছ নামৰ টেবলেটবিধ জব্দ কৰে আৰক্ষীয়ে। টেবলেটখিনিৰ মূল্য দুই লাখ টকা হ'ব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। যুৱকজনে হোজাই জিলাৰ লামডিঙৰ পৰা ডিফুলৈ আনিছিল টেবলেটখিনি। আৰক্ষীয়ে সৰবৰাহকাৰীজনৰ স্কুটী আৰু ম'বাইল ফোন জব্দ কৰিছে।

অসম চৰকাৰ
GOVERNMENT OF ASSAM

অসম চৰকাৰে মুকলি কৰিছে

# অসম লোকসেৱা অধিকাৰ ৱেব-প'ৰ্টেল

**www.rtps.assam.gov.in**

এক ৱেব-প'ৰ্টেল, যি বৈদ্যুতিন (online) মাধ্যমেৰে প্ৰদান কৰে অধিসূচীত ৰাজহুৱা সেৱা

সঁহাৰি XOHARI

অসমবাসী ৰাইজক ৰাজহুৱা সেৱাসমূহ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰদান কৰিবৰ বাবে অসম লোকসেৱা অধিকাৰ আইন, ২০১২ (২০১৯-ৰ সংশোধনী মৰ্মে) বলবৎ কৰা হৈছে। এই আইনৰ অধীনতেই অধিসূচীত ৰাজহুৱা সেৱাসমূহ বৈদ্যুতিন (online) মাধ্যমেৰে ৰাইজলৈ আগবঢ়াই দিয়াৰ লক্ষ্য আগত ৰাখি মুকলি কৰা হৈছে এআৰটিপিএছ ৱেব-প'ৰ্টেল।

এই ৱেব-প'ৰ্টেলৰ জৰিয়তে অধিসূচীত ৰাজহুৱা সেৱাসমূহৰ বাবে ৰাজ্যবাসীয়ে নিজৰ সুবিধামতে অনলাইন আবেদন দাখিল কৰিব পাৰিব।

## ৱেব-প'ৰ্টেলৰ জৰিয়তে অতিসম্প্ৰতি প্ৰদান কৰা কেতবোৰ সেৱাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল ঃ

(অনতিবিলম্বে আৰু অধিক সেৱা অন্তৰ্ভুক্ত কৰা হ'ব)

| ক্ৰঃ নং | বিভাগ/ পৰিষদ | সেৱাসমূহ | |
|---|---|---|---|
| ১. | ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ | • বিবাহ পঞ্জীয়ন<br>• সম্পত্তি বিষয়ক নথি-পত্ৰৰ পঞ্জীয়ন<br>• সম্পত্তিৰ গৰাকীস্বত্বৰ নামজাৰিকৰণ<br>• ভূমি বিৱৰণীৰ প্ৰমানিক নথি<br>• বোজামুক্ত প্ৰমানপত্ৰ<br>• পঞ্জীয়নকৃত বিক্ৰী চুক্তিৰ প্ৰমানিক নথি | • নামজাৰিকৰণ নিৰ্দেশনাৰ প্ৰমানিক নথি<br>• নিখুঁত ভাগ-বটোৱাৰা<br>• মাটিৰ পুনঃশ্ৰেণীবিভাজনৰ বাবে এনঅ'চি<br>• পুনঃশ্ৰেণীবিভাজন সহিতে হস্তান্তৰণৰ বাবে এনঅ'চি<br>• স্থাৱৰ সম্পত্তি হস্তান্তৰণৰ বাবে এনঅ'চি |
| ২. | গুৱাহাটী পৌৰ নিগম | • পণ্ডকৰ পৰিশোধ<br>• পশু চিকিৎসা ব্যৱসায়ৰ অনুজ্ঞাপত্ৰ<br>• মলকুণ্ড সেৱা | • কুকুৰ পঞ্জীয়ণৰ প্ৰমানপত্ৰ জাৰি<br>• সম্পত্তিৰ নামজাৰিকৰণ<br>• সম্পত্তিৰ মূল্যায়ণ |
| ৩. | মাধ্যমিক শিক্ষা বিভাগ | • ছেবাৰ প্ৰব্ৰজন প্ৰমানপত্ৰ জাৰি | • এএইচএছইচিৰ প্ৰব্ৰজন প্ৰমানপত্ৰ জাৰি |
| ৪. | ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যান বিভাগ | • নন-ক্ৰিমী লেয়াৰ চাৰ্টিফিকেট | • অনুসূচীত জাতিৰ প্ৰমানপত্ৰ |
| ৫. | পৰিবহন বিভাগ | **পৰিবহন বিভাগ**<br>• ব্যৱসায়িক বাহনৰ নকল পঞ্জীয়নপত্ৰ<br>• ব্যক্তিগত বাহনৰ নকল পঞ্জীয়নপত্ৰ<br>• ব্যৱসায়িক/ ব্যক্তিগত বাহনৰ মালিকীস্বত্বৰ পৰিবৰ্তন<br>• পঞ্জীয়নৰ ৰেকৰ্ড অন্য পঞ্জীকৰণ কতৃপক্ষলৈ হস্তান্তৰণ কৰাৰ বাবে আপত্তিবিহীন প্ৰমাণপত্ৰ<br>• ব্যৱসায়িক বাহনৰ যোগ্যতাপত্ৰ<br>• ব্যক্তিগত বাহনৰ ড্ৰাইভিং লাইচেঞ্চ<br>**আভ্যন্তৰীণ জল-পৰিবহন সঞ্চালকালয়**<br>• জাহাজ আৰু নাৱৰ পঞ্জীকৰণ<br>• জৰীপ প্ৰমানপত্ৰৰ নবীকৰণ | • ব্যৱসায়িক বাহনৰ ড্ৰাইভিং লাইচেঞ্চ<br>• নকল ড্ৰাইভিং লাইচেঞ্চ<br>• ব্যক্তিগত বাহনৰ লাৰ্ণাৰ লাইচেঞ্চ<br>• ব্যৱসায়িক বাহনৰ লাৰ্ণাৰ লাইচেঞ্চ<br>• গুণগত মানৰ প্ৰমানপত্ৰ |
| ৬. | দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ | • নিয়োগ বিনিময় কেন্দ্ৰত নিয়োগ সন্ধানকাৰীৰ পঞ্জীয়ন<br>• নিয়োগ বিনিময় কেন্দ্ৰত নিয়োগ সন্ধানকাৰীৰ পঞ্জীয়নপত্ৰ নবীকৰণ<br>• নিয়োগ বিনিময় কেন্দ্ৰত নিয়োগ সন্ধানকাৰীৰ পুণঃপঞ্জীয়ন | |
| ৭. | ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদ | • স্থাৱৰ সম্পত্তিৰ বাবে আপত্তিবিহীন প্ৰমাণপত্ৰ<br>• জমাবন্দী নথি | • স্থায়ী বাসিন্দাৰ প্ৰমানপত্ৰ (পিআৰচি) |
| ৮. | কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ | • জমাবন্দীৰ প্ৰমানিত প্ৰতিলিপি<br>• ভূমি পট্টাৰ ডুপ্লিকেট কপী<br>• ভূমি মূল্যায়ণ প্ৰমানপত্ৰ<br>• বোজামুক্ত প্ৰমানপত্ৰ<br>• ভূমি-সম্পত্তিৰ প্ৰমানপত্ৰ জাৰিকৰণ | • আয়ৰ প্ৰমানপত্ৰ জাৰিকৰণ<br>• চিঠাৰ প্ৰমানিত প্ৰতিলিপি<br>• নিৰীক্ষণ (ট্ৰেচ) মেপ জাৰিকৰণ<br>• ভূমিৰ ৰাজহ আদায়ৰ প্ৰমানপত্ৰ |
| ৯. | বড়োলেণ্ড আঞ্চলিক পৰিষদ | • আসাম শ্বপছ এণ্ড এষ্টাব্লিছমেন্ট এক্ট, ১৯৭১-ৰ অধীনত প্ৰ-পত্ৰ-O-ত প্ৰতিষ্ঠানৰ পঞ্জীকৰণ | • আসাম শ্বপছ এণ্ড এষ্টাব্লিছমেন্ট এক্ট, ১৯৭১-ৰ অধীনত প্ৰ-পত্ৰ-O-ত প্ৰতিষ্ঠানৰ নবীকৰণ<br>• অংশীদাৰী ফাৰ্ম বা সংস্থাৰ পঞ্জীকৰণ |
| ১০. | সাধাৰণ প্ৰশাসন বিভাগ | • নিকটাত্মীয়ৰ প্ৰমানপত্ৰ জাৰিকৰণ | • জ্যেষ্ঠ নাগৰিকৰ প্ৰমানপত্ৰ জাৰিকৰণ |

## ৱেব-প'ৰ্টেলৰ লক্ষ্যণীয় দিশসমূহ

- সেৱাৰ অনলাইন আবেদন
- আবেদক আৰু মনোনীত বিষয়াবর্গলৈ এছএমএছ বাৰ্তা
- আৰটিপিএছ সেৱাৰ তথ্য ভাণ্ডাৰ
- আবেদন দাখিলৰ পাছত প্ৰাপ্তিস্বীকাৰ ৰছিদ
- সঠিক সময় নিৰীক্ষণৰ বাবে ডেশ্বব'ৰ্ড
- আবেদনৰ স্থিতি সম্পৰ্কে অনলাইন পৰ্যবেক্ষণ
- স্বয়ংক্ৰিয় প্ৰক্ৰিয়া
- সেৱা প্ৰদান নকৰিলে বা বিলম্ব হ'লে অনলাইন আপীলৰ ব্যৱস্থা
- অনলাইন অভিযোগ দাখিল



যিকোনো তথ্য/ অভিযোগৰ বাবে, যোগাযোগ কৰক ঃ
১৮০০-৩৪৫-৩৫৭৪

আমাক অনুসৰণ কৰক
Assam State Citizen Service Delivery Project
ACCSDP ARIAS Society
@accsdp_assam

প্ৰশাসনিক সংশোধনী, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগ, অসম চৰকাৰৰ তত্বাৱধানত
বিশ্ববেংকৰ দ্বাৰা আৰ্থিক সাহাৰ্য্যপ্ৰাপ্ত অসম নাগৰিক-কেন্দ্ৰীক সেৱা প্ৰদান প্ৰকল্প (ACCSDP), ARIAS ছ'চাইটিৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত

দৈনিক অগ্রদূত






## ৰাষ্ট্ৰীয় শ্বুটিংত হৃদয়ৰ ব্ৰঞ্জ



অগ্রদূত বাৰ্তা

**বিহপুৰীয়া, ১০ ডিচেম্বৰ ঃ** অসমৰ প্ৰতিভাৱান শ্বুটাৰ হৃদয় হাজৰিকাই ভূপালত অনুষ্ঠিত ৬৪সংখ্যক ৰাষ্ট্ৰীয় শ্বুটিং চেম্পিয়নশ্বিপৰ ছিনিয়ৰ শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল ইএবণ্টত যোগ্যতা অৰ্জনৰ খেলত হৃদয়ে ৬২৮.৬ পইণ্ট অৰ্জন কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ফাইনেলত তেওঁ ২২৮.২ পইণ্টহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। বিশ্বৰ প্ৰাক্তন এক নম্বৰ শ্বুটাৰ ৰাজস্থানৰ দিব্যাংশ সিং পানৱাৰে প্ৰতিযোগিতাৰ স্বৰ্ণপদক অক্ষুণ্ণ ৰখাৰ বিপৰীতে ৰূপৰ পদক পায় মহাৰাষ্ট্ৰৰ ৰুদ্ৰাংক্ষ বালাছাহেবে। উল্লেখ্য যে ক'ভিড অতিমাৰীৰ পাছত নাৰায়ণপুৰৰ শ্বুটাৰ হৃদয়ে প্ৰথমবাৰলৈ কোনো প্ৰতিযোগিতাত অংশ লৈছে। ২০২০ত গুৱাহাটীত অনুষ্ঠিত খেল' ইণ্ডিয়া ইউথ গেমছত তেওঁ ৰূপৰ পদক অৰ্জন কৰিছিল। বিদেশতো নিজৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হোৱা হৃদয় হৈছে নাৰায়ণপুৰৰ মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শৰৎ হাজৰিকা আৰু ইভা হাজৰিকাৰ একমাত্ৰ সন্তান।

# ৰাজ্যিক বিদ্যুৎ পৰিষদ চূড়ান্ত বিজয়ী

## ৭৩ সংখ্যক স্বাধীনতা দিৱস কাপ সমাপ্ত ঃ শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ

অগ্রদূত বাৰ্তা

বেবেজীয়া,১০ডিচেম্বৰঃ গুৱাহাটীৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (এএছইবি)স্প'ৰ্টছ ক্লাবে ৭৩ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজি সামৰণি পৰা ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ নৈশালোকৰ ফাইনেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ স্প'ৰ্টছ ক্লাবে কেৰালা ইউনাইটেড ফুটবল ক্লাবক টাইব্ৰেকাৰৰ সহায়ত সামগ্ৰিকভাৱে ৪-৩ (১-১) গ'লত পৰাজিত কৰে।

তুমূল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ নিৰ্ধাৰিত সময়ৰ ৪১মিনিটতে ৰাজ্যিক বিদ্যুৎ পৰিষদ স্প'ৰ্টছ ক্লাবৰ হৈ দীপেন দৈমাৰীয়ে গ'ল দি নিজ দলক আগবঢ়াই নিয়ে। এক ডাইৰেক্ট ফ্ৰী কিকৰ জৰিয়তে দীপেনে দীঘলীয়া শ্বটৰে বিপক্ষৰ গ'লৰক্ষকক "লঠেকত পেলাই গ'লটো দিবলৈ সক্ষম হয়। বিৰতিৰ পিছতে খেলৰ ৮০মিনিটত কেৰালাৰ হৈ পৰিৱৰ্তিত খেলুৱৈ বিষ্ণুৱে গ'ল দি খেলখনত সমতা স্থাপন কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত ড্ৰ থকাৰ পিছত অতিৰিক্ত ৩০ মিনিট সময়তো কোনো ফলাফল নিৰ্ণয় নোহোৱাত টাইব্ৰেকাৰ পদ্ধতিৰ সহায় লোৱা হয়। টাইব্ৰেকাৰত এএছইবিৰ হৈ হিতেশ্বৰ হাজোৱাৰী, ডিজ'ৰাজ বড়ো আৰু উৎপল ৰায়ে গ'ল স্ক'ৰ কৰাৰ বিপৰীতে কেৰালা ইউনাইটেড ফুটবল ক্লাবৰ হৈ নিধিন কৃষ্ণ আৰু মুনমুনেহে গ'ল স্ক'ৰ কৰিবলৈ সক্ষম হয়। খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে প্ৰৱণ চন্দ্ৰ পাঠক, পৱিত্ৰ বৰা আৰু কল্যাণ বৰুৱা (চতুৰ্থ)ই। খেলখনত এএছইবিৰ গ'লৰক্ষক ডাউগা ব্ৰহ্মই চমকপ্ৰদক প্ৰদৰ্শনৰে ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ ক্লাবে শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল, কেৰালা ইউনাইটেড ফুটবল ক্লাবৰ গণেশন শ্ৰেষ্ঠ স্কীমাৰ, এএছইবিৰ ধাবেশ দৈমাৰী আৰু কেৰালা ইউনাইটেড এফচিৰ অৰ্জুন মাৰ্দি যুটীয়াভাৱে সৰ্বোচ্চ গ'লদাতা তথা এএছইবিৰ গ'লৰক্ষক ডাউগা ব্ৰহ্মই শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত সামৰণি অনুষ্ঠানত প্ৰবীণ অধিবক্তা দেৱব্ৰত শৰ্মা, বিশিষ্ট ক্ৰীড়া সংগঠক অৰুণজ্যোতি মৰাণ, সমাজকৰ্মী অশোক দাস, দীপজ্যোতি বৰা, নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই, ক্ৰীড়া সংগঠক প্লাৱন বৰুৱা আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়।



## আছাম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট

# এমএছ ষ্টাৰক পৰাস্ত কৰিলে ধেমাজি ক্ৰিকেট একাডেমীয়ে

**গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চতুৰ্থ আছাম প্ৰিমিয়াৰ লীগ ক্লাব চেম্পিয়নশ্বিপৰ আজিৰ এখন লীগ মেচত ধেমাজি ক্ৰিকেট একাডেমীয়ে এমএছ ষ্টাৰ ক্লাবক পৰাজিত কৰে। ধেমাজি ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনত ঘৰুৱা দলটোৱে চাৰি ৰাণৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হয়। প্ৰথমে বেটিং কৰি ধেমাজি ক্ৰিকেট একাডেমীয়ে ২৫.৫ অভাৰত সকলো উইকেট হেৰুৱাই ৯৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত এমএছ ষ্টাৰৰ ইনিংছ ২৭.১ অভাৰত ৯৫ ৰাণত সমাপ্ত হয়। দলটোৰ হৈ সৰ্বাধিক ২৫ ৰাণ কৰে ৰাজীৱ উপাধ্যায়ে। ধেমাজিৰ ৰাজেশ প্ৰসাদে ২৫ ৰাণত পাঁচটা আৰু তপন জ্যোতিয়ে ১৩ ৰাণত তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ধেমাজিৰ ইনিংছত মিখাইল দলেয়ে ২০ আৰু কুকিল গগৈয়ে ১৮ ৰাণৰ বৰঙণি আগবঢ়ায়।

## আৰ জি বৰুৱা অনূৰ্ধ্ব-১৬ বছৰৰ আন্তঃজিলা ক্ৰিকেট

# ধেমাজি-সভাপতি একাদশ -নগাঁও- হাইলাকান্দি জিলা দলৰ জয়লাভ

**গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাৰ অধীনত মহানগৰীৰ বিভিন্ন খেলপথাৰত চলি আছে আৰ জি বৰুৱা অনূৰ্ধ্ব-১৬ বছৰৰ আন্তঃজিলা ক্ৰিকেটৰ এলিট গ্ৰুপৰ খেলসমূহ। আজিৰ খেলত ধেমাজি, নগাঁও, হাইলাকান্দি জিলা দলৰ লগতে অসম ক্ৰিকেট সন্থাৰ সভাপতি একাদশেও জয়লাভ কৰে। মহানগৰীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত দুখন খেল অনুষ্ঠিত হয়। আন দুখন মেচ অনুষ্ঠিত হয় নেহৰু ষ্টেডিয়াম আৰু উত্তৰ গুৱাহাটীৰ আমিনগাঁও ক্ৰিকেট গ্ৰাউণ্ডত।

বৰ্ষাপাৰাত অনুষ্ঠিত প্ৰথমখন খেলত ধেমাজিয়ে এনএফ ৰেলৰে ক্ৰীড়া সন্থাক পাঁচ উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি ৰেল দলে ৩৩.৫ অভাৰত ১৪০ ৰাণত সকলো উইকেট হেৰুৱায়। দলৰ হৈ কংকন কাশ্যপে সৰ্বাধিক ৩৯ (অপঃ) ৰাণ কৰে। ধেমাজিৰ বিশাল সিঙে চাৰিটা আৰু দীপক কুমাৰ ঠাকুৰে দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ধেমাজিয়ে ৩৪.৪ অভাৰতে পাঁচ উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। দলৰ হৈ মহোৰুহ বৰুৱাই ৪৫ আৰু সুমন পেগুৱে ৩৪ ৰাণ কৰে। ৰেল দলৰ কংকনে দুটা উইকেট পায়। বৰ্ষাপাৰাত অনুষ্ঠিত দ্বিতীয়খন মেচত নগাঁও জিলা দলে কৰিমগঞ্জক ৯৮ ৰাণৰ বিশাল ব্যৱধানত হৰুৱায়। প্ৰথমে বেটিং কৰি নগাঁৱে প্ৰাণজিৎ বৰাৰ দুৰ্দান্ত শতকৰ সহায়ত নিৰ্ধাৰিত ৩৫ অভাৰত সাত উইকেটৰ বিনিময়ত ২০৫ ৰাণ কৰে। প্ৰাণজিতে ১০২টা বলত ১৫টা বাউণ্ডেৰী আৰু ছটা ছিক্সাৰৰ সহায়ত ১৩০ ৰাণৰ বিস্ফোৰক ইনিংছ উপহাৰ দিয়ে। প্ৰত্যুত্তৰত বিশাল লক্ষ্য আগত লৈ কৰিমগঞ্জে ২৫.৪ অভাৰত ১০৭ ৰাণতে ইনিংছ সামৰিবলৈ বাধ্য হয়। দলৰ হৈ সৰ্বাধিক ২৯ ৰাণ কৰে বিৰাজ দেয়ে। নগাঁৱৰ বীৰেশ্বৰ দাস আৰু নীল কুমাৰ দাসে দুটাকৈ উইকেট দখল কৰে।

ইফালে, আমিনগাঁৱত অনুষ্ঠিত খেলখনত এচিএৰ সভাপতি একাদশে তিনিচুকীয়াক আঠ উইকেটত হৰুৱায়। প্ৰথমে বেটিং কৰা তিনিচুকীয়াৰ ইনিংছ ২৬.৫ অভাৰত ৯১ ৰাণতে সমাপ্ত হয়। দলৰ হৈ সৰ্বাধিক ৩৩ ৰাণ কৰে বিবেক শৰ্মাই। সভাপতি একাদশৰ প্ৰীতম প্ৰাণ কলিতাই দুৰ্দান্ত বলিঙেৰে পাঁচটা উইকেট দখল কৰে। আনহাতে, সহজ লক্ষ্য আগত লৈ সভাপতি একাদশে ২০.৫ অভাৰতে মাত্ৰ দুই উইকেটৰ বিনিময়ত বিজয় অৰ্জন কৰে। দিৱিজ পাঠকে ৩৯ আৰু য়শ শৰ্মাই ৩২ ৰাণত অপৰাজিত হৈ থাকে। ইপিনে, নেহৰু ষ্টেডিয়ামত হাইলাকান্দিয়ে শিৱসাগৰক ৫৬ ৰাণত পৰাজিত কৰে। প্ৰথমে বেটিম কৰি হাইলাকান্দিয়ে ৩১ অভাৰত সকলো উইকেট হেৰুৱাই ১৪৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত হাইলাকান্দিৰ দুৰন্ত বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি শিৱসাগৰ দলে ৯৩ ৰাণতে ইনিংছ সামৰে। দলটোৰ হৈ সৰ্বাধিক ৩৪ ৰাণ কৰি অপৰাজিত হৈ ৰয় জুলেন কোঁৱৰ। হাইলাকান্দিৰ সৌম্যকান্তি পালে চাৰিটা আৰু সপ্তজ্যোতি নাথে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে হাইলাকান্দিৰ হৈ সৰ্বাধিক ৪৩ ৰাণ কৰে বৰুণজ্যোতি মালাকাৰে। ২৪ ৰাণৰ বৰঙণি যোগায় বিবেক মালাকাৰে।

# দুমুনিচকীত প্ৰাইজমানি দিবা-নৈশ ফুটবল

অগ্রদূত বাৰ্তা

**দুমুনিচকী, ১০ ডিচেম্বৰ ঃ** স্বেচ্ছাসেৱী অনুষ্ঠান পশ্চিম দৰং উন্নয়ন পৰিষদৰ উদ্যোগত অহা ১৭-১৯ ডিচেম্বৰত দুমুনিচকীত এক দিবা-নৈশ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।তিনিদিনীয়া প্ৰতিযোগিতাখন দুমুনিচকী হাইস্কুল খেলপথাৰত অনুষ্ঠিত হ'ব্সমিতিৰ কাৰ্যকৰী সভাপতি মহিদুল ইছলামস সম্পাদকদ্বয় মহচিন আলী আৰু আখতাৰ হুছেইনে জনোৱা মতে, প্ৰতিযোগিতাৰ চেম্পিয়ন দলে ট্ৰফীসহ নগদ ৬০,০০১ টকা আৰু ৰাণাৰ্ছআপ দলে ট্ৰফীসহ নগদ ৪০,০০১ টকা লাভ কৰিব। সেইদৰে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈক এখন চাইকেল প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ইচ্ছুক দলে ৯১২৭৩-২২৯৪৯ আৰু ৭০০২৭-৭৭২০৭ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা আৰম্ভ জাঁজীত

অগ্রদূত বাৰ্তা

**জাঁজী, ১০ ডিচেম্বৰ ঃ** জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত আজিৰে পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা আৰম্ভ হৈছে। আজি প্ৰতিযোগিতাখন উদ্বোধন কৰে বিধায়ক প্ৰদীপ হাজৰিকাই। উদ্বোধনী অনুষ্ঠানতে প্ৰতিযোগিতাৰ স্মৰণিকা উন্মোচন কৰে অধ্যক্ষ ড° আছফিয়া চুলতানাই। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মনজিৎ গগৈয়ে আদৰণি ভাষণ জনোৱা উদ্বোধনী অনুষ্ঠানত জিলা পৰিবহণ বিষয়া সিদ্ধাৰ্থ কৃষ্ণ শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰীড়া ব'ৰ্ডৰ সদস্য ড° জিতু ৰঞ্জন চেতিয়া, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ভৱানী কুমাৰ বৰুৱা, মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল কুমাৰ গগৈ, বিপুল বৰকটকী, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° কৃষ্ণকান্ত সন্দিকৈ, অৱসৰপ্ৰাপ্ত শিক্ষক হৰেণ বৰুৱা, ড° সৌমাৰজ্যোতি মহন্ত, ড° মামণি বৰা, ড° ৰঞ্জিত বৰুৱা, ড° ধ্ৰুৱজ্যোতি নাথ, ড° ৰাজু ফুকন, ড° জয়ন্ত গগৈ, স্বাস্থ্য বিষয়া ডাঃ মণিৰাম কলিতা আদিও উপস্থিত থাকে।



ইউৰোপা লীগত ডায়নাম' জাগ্ৰেব আৰু ৱেষ্ট হামৰ মাজৰ খেলৰ এটি মুহূৰ্ত, বৃহস্পতিবাৰে।

# এছেজৰ প্ৰথম টেষ্টত সংগ্ৰাম ইংলণ্ডৰ

## তৃতীয় দিনাৰ খেল সমাপ্তিতো শক্তিশালী স্থিতিত ঘৰুৱা দল অষ্ট্ৰেলিয়া

নিউজ ব্যুৰ'

**ব্ৰিছবেন, ১০ ডিচেম্বৰ ঃ** অষ্ট্ৰেলিয়াৰ বিপক্ষে এছেজ শৃংখলাৰ প্ৰথম টেষ্টত সংগ্ৰাম অব্যাহত ৰাখিছে ইংলণ্ডে। ঘৰুৱা দলটোৰ বিশাল স্ক'ৰৰ প্ৰত্যুত্তৰত তৃতীয় দিনাৰ খেল সমাপ্তিলৈ ইংলণ্ডে দ্বিতীয় ইনিংছত দুই উইকেট হেৰুৱাই ২২০ ৰাণ সংগ্ৰহ কৰিছে। অধিনায়ক জো ৰুটে ৮৬ আৰু ডাৱিদ মালানে ৮০ ৰাণ কৰি সংগ্ৰাম অব্যাহত ৰাখিছে। উল্লেখ্য যে ইংলণ্ডে ১৪৭ ৰাণত প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ৪২৫ ৰাণ সংগ্ৰহ কৰি ২৭৮ ৰাণৰ অগ্ৰগতি অৰ্জন কৰে। ইনিংছ পৰাজয়ৰ পৰা ৰক্ষা পাবলৈ ইংলণ্ডক এতিয়াও ৫৮ ৰাণৰ প্ৰয়োজন।

অষ্ট্ৰেলিয়াই কালি সাত উইকেটত ৩৪৩ ৰাণ কৰি দ্বিতীয় দিনাৰ খেল সামৰিছিল। আজি দলটোৱে আৰু ৮২ ৰাণ যোগ কৰে। কালিয়ে শতৰাণ অৰ্জন কৰা ট্ৰেভিছ হেডে আজি ১৫২ ৰাণত অন্তিম বেটাৰৰ ৰূপত আউট হয়। তেওঁৰ ১৪৮টা বলৰ আক্ৰমণাত্মক ইনিংছটোত আছিল ১৪টা বাউণ্ডেৰী আৰু চাৰিটা ছিক্সাৰ। কালি অপৰাজিত হৈ থকা নিম্নক্ৰমৰ বেটাৰ মিচেল ষ্টাৰ্কে ৩৫ ৰাণৰ বৰঙণি যোগায়।

ইয়াৰ পাছতে দ্বিতীয় ইনিংছ মুকলি কৰি ইংলণ্ডে পুনৰ ৬১ ৰাণতে দুই উইকেট হেৰুৱাইছিল। অপেনাৰ ৰ'ৰী বাৰ্ণছ (১৩) আকৌ ব্যৰ্থ হোৱাৰ বিপৰীতে পুনৰ বৃহৎ স্ক'ৰৰ সুযোগ হেৰুৱালে হাছিব হামিদে (২৭)। অৱশ্যে মালান আৰু ৰুটে দলৰ বিপৰ্যয় ৰোধ কৰি তৃতীয় উইকেটৰ অবিজিত যুটিত এই পৰ্যন্ত ১৫৯ ৰাণ যোগ দিছে। দুয়োজন বেটাৰৰ দৃঢ়তাৰ বাবে ইংলণ্ডে ইনিংছ পৰাজয় ৰোধ কৰাটো একপ্ৰকাৰ নিশ্চিত হৈছে যদিও দুটা দিন বাকী অৱস্থাত ঘৰুৱা দল অষ্ট্ৰেলিয়া এতিয়াও শক্তিশালী অৱস্থাত আছে।



# ইংলণ্ডৰ ১৯ বছৰীয়া অভিলেখ ভাঙিলে ৰুটে

নিউজ ব্যুৰ'

**ব্ৰিছবেন, ১০ ডিচেম্বৰ ঃ** অধিনায়ক জো ৰোটৰ বেটত ভৰসা কৰিয়ে অষ্ট্ৰেলিয়াৰ বিপক্ষে প্ৰথম টেষ্টত সংগ্ৰাম অব্যাহত ৰাখিছে ইংলণ্ডে। আজি ৰুটে দলৰ দ্বিতীয় ইনিংছত ব্যক্তিগত ৮৬ ৰাণত অপৰাজিত হৈ ৰয়। দলৰ পতন ৰোধ কৰা ইনিংছটো খেলাৰ পথত অধিনায়কজনে ইংলণ্ডৰ এক ১৯ বছৰীয়া অভিলেখো ভংগ কৰে। ইংলণ্ডৰ বেটাৰৰূপে এটা কেলেণ্ডাৰ বৰ্ষত সৰ্বাধিক টেষ্ট ৰাণ সংগ্ৰহৰ নতুন অভিলেখ গঢ়িলে ৰুটে। এই ক্ষেত্ৰত তেওঁ প্ৰাক্তন অধিনায়ক মাইকেল ভনৰ অভিলেখ ভংগ কৰে।


ইংলণ্ডৰ বেটাৰৰূপে ভনে ২০০২ত এটা কেলেণ্ডাৰ বৰ্ষত সৰ্বাধিক ১,৪৮১ ৰাণ সংগ্ৰহ কৰিছিল। আজি ৰুটে প্ৰাক্তন অধিনায়কজনক অতিক্ৰম কৰি চলিত বৰ্ষত ব্যক্তিগত ৰাণৰ সংখ্যা ১,৫৪১লৈ বৃদ্ধি কৰিলে। উল্লেখ্য যে ৰুটে ইয়াৰ পূৰ্বেও এটা কেলেণ্ডাৰ বৰ্ষত ১৪শৰ অধিক টেষ্ট ৰাণ সংগ্ৰহ কৰিছিল যদিও ভনৰ অভিলেখ ভংগ কৰিব পৰা নাছিল। ২০১৬ত ৰুটে ১,৪৭৭ ৰাণ সংগ্ৰহ কৰিছিল। একেটা বৰ্ষতে ইংলণ্ডৰ আন এজন বেটাৰ জনী বেয়াৰষ্ট'ৱেও ভনৰ অভিলেখ ভংগৰ কাষ চাপিছিল। সেইবাৰ তেওঁ সংগ্ৰহ কৰিছিল ১,৪৭০ ৰাণ।

# অৱশেষত বিদায়ী নেতা কোহলিক ধন্যবাদ জ্ঞাপন কৰিলে বিচিচিআয়ে

## এদিনীয়াৰ নেতৃত্ব পৰিৱৰ্তনক লৈ গাংগুলীৰ মন্তব্য

নিউজ ব্যুৰ'

**মুম্বাই, ১০ ডিচেম্বৰ ঃ** বিৰাট কোহলিক এদিনীয়া ক্ৰিকেটৰ নেতৃত্বৰ পৰা আঁতৰ কৰাৰ ২৪ ঘণ্টাৰ পাছত এই বিষয়ত প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। যোৱা বুধবাৰে বিচিচিআয়ে এদিনীয়াৰ নেতৃত্ব কোহলিৰ পৰিৱৰ্তে ৰোহিত শৰ্মাক অৰ্পণ কৰাৰ সন্দৰ্ভত টুইটযোগে ঘোষণা কৰিছিল। মাত্ৰ এটা শাৰীত এই কথা জনোৱাৰ বাবে কোহলিৰ সমৰ্থকসকলে ক্ষোভ প্ৰকাশ কৰিছিল। কোহলিৰ



দৰে এজন নেতাক ব'ৰ্ডে অপমান কৰা বুলিও সমৰ্থকে অভিযোগ কৰিছিল। ঘোষণাৰ ২৪ ঘণ্টাৰ পাছত কালি বিচিচিআইৰ তৰফৰ পৰা কোহলিক তেওঁৰ অৱদানৰ বাবে ধন্যবাদ জ্ঞাপন কৰা হয়।

যোৱা নিশা বিচিচিআইৰ তৰফৰ পৰা কৰা টুইটত লিখা হৈছে, 'এজন নেতা যি দৃঢ়তা, একাগ্ৰতা, আবেগৰে দলক নেতৃত্ব দিছিল। ধন্যবাদ অধিনায়ক কোহলি।' লগতে কোহলিৰ তিনিখন ফটোৰ কলাজ আৰু এদিনীয়াৰ অধিনায়কৰূপে তেওঁৰ পৰিসংখ্যাও তুলি ধৰা হৈছে। ইয়াৰ এঘণ্টাৰ পাছতে ব'ৰ্ডে পুনৰ আন এটা টুইট কৰি এদিনীয়া দলৰ প্ৰথম অধিনায়কৰূপে ৱেষ্টইণ্ডিজৰ বিপক্ষে কোহলিয়ে খেলা মেচবিজয়ী শতৰাণৰ ইনিংছৰ এটা মুহূৰ্তৰ ফটো প'ষ্ট কৰে।

উল্লেখ্য যে অধিনায়ক পৰিৱৰ্তনক কেন্দ্ৰ কৰি ইতিমধ্যেই বিতৰ্কৰো সূত্ৰপাত ঘটিছে। এই সন্দৰ্ভত কালি ব'ৰ্ডৰ স্থিতি স্পষ্ট কৰে সভাপতি সৌৰভ গাংগুলীয়ে। সংবাদ মাধ্যমৰ আগত গাংগুলীয়ে কয় যে এদিনীয়া মেচৰ দলৰ নেতৃত্বৰ পৰা কোহলিক আঁতৰোৱাৰ সিদ্ধান্ত ব'ৰ্ড আৰু নিৰ্বাচক মণ্ডলীয়ে যৌথভাৱে গ্ৰহণ কৰিছিল। প্ৰাক্তন অধিনায়কজনে কয়, 'ব'ৰ্ডে ইয়াৰ পূৰ্বে টি-২০ৰ নেতৃত্ব ত্যাগ নকৰিবলৈ কোহলিক অনুৰোধ জনাইছিল। কোহলি সন্মত নহ'ল। ইয়াৰ পাছতে নিৰ্বাচকসকলে সিদ্ধান্ত লয় যে বগা বলৰ সংস্কৰণত দুজন পৃথক অধিনায়ক ৰখাৰ অৰ্থ নাই। সেয়ে ঠিক কৰা হয় যে কোহলিক টেষ্ট অধিনায়কৰূপে ৰখা হ'ব আৰু বগা বলৰ ক্ৰিকেটত নেতৃত্ব দিব ৰোহিতে। মই নিজে সভাপতিৰূপে কোহলিৰ লগত ব্যক্তিগতভাৱে কথা পাতিছো। নিৰ্বাচক কমিটীৰ অধ্যক্ষয়ো কথা পাতিছে।' উল্লেখ্য যে অধিনায়ক পৰিৱৰ্তন সন্দৰ্ভত কোহলিয়ে এই পৰ্যন্ত মুখ খোলা নাই।

# অন্তিম দলৰূপে চেম্পিয়নছ লীগৰ নক্আউটত প্ৰৱেশ ভিয়াৰিয়ালৰ



নিউজ ব্যুৰ'

**বাৰ্গেম', ১০ ডিচেম্বৰ ঃ** অন্তিমটো দলৰূপে চেম্পিয়নছ লীগৰ নক্আউট পৰ্যায়ত প্ৰৱেশ কৰিলে ভিয়াৰিয়ালে। স্পেইনৰ ক্লাবটোৱে কালিৰ 'এফ' গ্ৰুপৰ অন্তিমখন লীগ মেচত আটলাণ্টাক ৩-২ গ'লত পৰাজিত কৰে। উল্লেখ্য যে খেলখন বুধবাৰে অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও মাত্ৰাধিক বৰফ পৰাৰ বাবে এদিন পিছুৱাই দিয়া হৈছিল। কালি ভিয়াৰিয়ালয়ৰ জয়ত প্ৰধান ভূমিকা পালন কৰি দুটাকৈ গ'ল দিয়ে নেদাৰলেণ্ডৰ আন্তৰ্জাতিক খেলুৱৈ আৰ্ণাউট ডানজুমাই। দলৰ হৈ আনটো গ'ল দিয়ে এটিয়েনে কাপুৱে। খেলৰ অন্তিম ভাগত ৰাছলান মেলিন'ভস্কী আৰু ডুভান জাপাটাই আটলাণ্টাৰ হৈ দুটা গ'ল পৰিশোধ কৰিলেও দলৰ পৰাজয় ৰোধ কৰিবলৈ সক্ষম নহ'ল।

# দুধনৈত কাবাদী ৰেফাৰী পৰীক্ষা

অগ্রদূত বাৰ্তা

**দুধনৈ, ১০ ডিচেম্বৰ ঃ** সদৌ অসম কাবাদী সন্থাৰ উদ্যোগত আৰু পূব গোৱালপাৰা ক্ৰীড়া সন্থাৰ সহযোগত অহা ২৮ ডিচেম্বৰৰ পৰা দুধনৈত ৪০সংখ্যক আন্তঃজিলা জুনিয়ৰ ল'ৰা আৰু ছোৱালীৰ কাবাদী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সেয়ে সদৌ অসম কাবাদী সন্থাৰ স্বীকৃতিপ্ৰাপ্ত জিলা সন্থাসমূহক ল'ৰা আৰু ছোৱালীৰ দল প্ৰেৰণ কৰিবলৈ পূব গোৱালপাৰা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক ৰাজীৱ ৰায় আৰু আদৰণি সমিতিৰ সাধাৰণ সম্পাদক দাৰা হাজোৱাৰীয়ে আহ্বান জনাইছে। ইপিনে, সদৌ অসম কাবাদী সন্থাৰ সাধাৰণ সম্পাদক আবেদুৰ ৰহমানৰ নিৰ্দেশনাৰ ভিত্তিত ৰেফাৰী ব'ৰ্ডৰ আহ্বায়ক বীৰেন কলিতাই জনাইছে যে অহা ২৯ ডিচেম্বৰত দুধনৈত জিলা পৰ্যায়ৰ লিখিত, মৌখিক আৰু ব্যৱহাৰিক ৰেফাৰী পৰীক্ষা অনুষ্ঠিত হ'ব। ৰেফাৰী পৰীক্ষাৰ বাবে ইচ্ছুক প্ৰাৰ্থীক প্ৰতিযোগিতাৰ সঞ্চালক নাজিম আহমেদক ৮৬৮৩৭-৬৯২৫০ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# ডিগবৈত ত্ৰয়োদশ বদৌচা কাপ ফুটবল

**ডিগবৈ, ১০ ডিচেম্বৰ ঃ** ৰাজ্যৰ একাধিক স্থানত চলি আছে ত্ৰয়োদশ বদৌচা কাপ ফুটবল। আজি তিনিচুকীয়া জিলাৰ পেঙেৰী কঠালগুৰী খেলপথাৰত প্ৰতিযোগিতাৰ এখন খেল অনুষ্ঠিত হয়। এই খেলত ডিবিডি ফুটবল ক্লাবে সঞ্জীৱ ব্ৰহ্ম ফুটবল একাডেমীক ৩-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। বিজয়ী দলৰ সূৰয তাঁতীক শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰে বদৌচা স্প'ৰ্টছ ক্লাবৰ উপ-সভাপতি নীলকান্ত ফুকনে।



# আজি বদৌচা ফুটবলৰ মাণ্ডলিক ফাইনেল

## মণিপুৰৰ বিপক্ষে যোৰহাট টাউন

অগ্রদূত বাৰ্তা

**মৰিয়নি, ১০ ডিচেম্বৰ ঃ** মৰিয়নিৰ বাপুজী ষ্টেডিয়ামত চলি থকা ত্ৰয়োদশ বদৌচা কাপ আমন্ত্ৰণমূলক ফুটবলৰ মৰিয়নি মণ্ডলৰ ফাইনেলখন কাইলৈ অনুষ্ঠিত হ'ব। কাইলৈৰ ফাইনেলত মণিপুৰৰ এনইএছইউ একাদশৰ বিপক্ষে খেলিব যোৰহাট টাউন ক্লাবে। ফাইনেলত প্ৰৱেশৰ পথত যোৰহাটে কাৰ্বি আংলঙৰ হিল্‌ছ ইউনাইটেড এফ চি আৰু মৰিয়নি একাদশক পৰাজিত কৰিছিল। বিয়লি ১-৩০ বজাৰ পৰা খেল আৰম্ভ হ'ব বুলি মৰিয়নি ক্ৰীড়া সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক দীপক দত্তই জনাইছে।

## বিলাসনন্দন চ'ৰা



# ছাৰ লাইচেন্স বাতিল হ'ব

**চমুকৈ** এন ই যদিও ইয়াৰ বহু ধৰণৰ মিনিং আছে। দিল্লীৰ কাৰণে এন ইৰ ফুল মিনিং এটাই— 'নট্ এচেন্সিয়েল'। মানে বৰ এটা আৱশ্যকীয় নহয়। দিল্লীৰ দৰবাৰ দখল কৰিব লাগিলে ইয়াৰ পৰা যি ২০-২১জন ছিলেকছন হৈ যায়, সিহঁতে বৰ বিশেষ ভূমিকা ল'ব নোৱাৰে। গতিকে ইয়াৰ দুখ-কষ্টক লৈ বৰ বিশেষ মূৰ ঘমাবৰো দৰকাৰ নাই। বহুতে আকৌ কয় যে এন ইৰ আচল মিনিংটো হ'ব লাগে 'নেভাৰ এণ্ডিং'। কিয়নো ইয়াত যিবোৰ কাম আৰম্ভ কৰা হয়, সেইবোৰৰ কেতিয়াও এণ্ডিং নহয়। মানে শেষ নহয়। যেনে ধৰক অসম চুক্তিৰ ৰূপায়ণ আজিলৈকে শেষ হোৱা নাই। বিদেশী বহিষ্কাৰ আজিলৈকে শেষ হোৱা নাই। উগ্ৰপন্থীৰে আলোচনা চলিয়ে আছে, শেষ হোৱা নাই। ফ'ৰলেন আজিলৈকে নিৰ্মাণ হৈয়ে আছে, শেষ হোৱা নাই। গতিকে এন ই মানে 'নেভাৰ এণ্ডিং'। আন কিছুমানে আকৌ কয় যে 'এন ই'ৰ ফুল মিনিংটো আচলতে 'নাথিং ইমাৰ্জেন্সী'। ইয়াৰ কোনো এটা প্ৰব্লেমকে দিল্লীয়ে জৰুৰী বা ইমাৰ্জেন্সী জ্ঞান নকৰে। সেই কাৰণে বছৰ বছৰ ধৰি ইয়াৰ প্ৰব্লেমবোৰ প্ৰব্লেম হৈয়ে থাকি যায়। এতিয়া প্ৰধান প্ৰব্লেমটো হ'ল— শান্তি। হয়! বৰ্তমান এই এন ইৰ মূল সমস্যাটোৱে হ'ল শান্তি। ইমান বেছি শান্তি বিৰাজ কৰিছে যে যাকে-তাকে আৰ্মিৰ হতুৱাই মাৰি পেলায়ো শান্তিক কন্ট্ৰ'ল কৰি আনিব পৰা নাই। বহুতে আকৌ কয় যে 'এন ই' শব্দটো আহিছে 'এনেয়ে'ৰ পৰা। হয়! 'এনেয়ে'ৰ পৰাই 'এন ই'ৰ উদ্ভৱ হোৱা বুলি বহুতে ক'ব খোজে। কিয়নো বছৰ বছৰ ধৰি দিল্লীয়ে ইয়াত এনেয়ে মানুহ মাৰি আহিছে। ৰাতি কাৰোবাক দেখিলেই হ'ল। লগে লগে গুলীয়াই দিয়ে— এনেয়ে। এনেয়ে যাকে-তাকে মাৰি ফুৰিব পৰা জাগাডোখৰেই হ'ল 'এন ই'। বাকী জাগাত ল'-অৰ্ডাৰ কন্ট্ৰ'ল কৰিবলৈ আৰ্মি নমোৱা হয়। কিন্তু এন ইত আৰ্মি ৰখা হৈছে শান্তি কন্ট্ৰ'ল কৰিবলৈ। আটায়ে কয় যে এন ইত শান্তিয়ে শান্তি। আটায়ে বন্দুক পেলাই দি লাইনত আহি গৈছে। আটায়ে এতিয়া শান্তি বিচাৰিছে। পাব্লিকেও কৈছে যে শান্তি লাগে। কেৱল লাগেই নহয়, শান্তি আহি যোৱা বুলিও কৈছে। আহি যোৱা মানে বৰ বেছিকৈয়ে শান্তি আহিছে বোলে! শান্তিৰ বান আহিছে বোলে! বান আহিলেতো আৰ্মিক নমাবই লাগিব। আকৌ বান আহিলেতো এডভান্স খবৰ



দি নাহে। হঠাৎ আহি যায়! হঠাৎ আহি গ'লে আৰ্মিক হঠাতে আনি নমাই দিব নোৱাৰি। সেই কাৰণে আৰ্মিক ৰাখি দিব লগা হৈছে পাৰ্মানেন্টলী। যাতে শান্তিও এন ইত পাৰ্মানেন্টলী ছেটেলড্ হৈ যায়। আচল কথাটো হ'ল— দিল্লীৰ কাৰণে গোলাঘাট টি বা আছাম টিৰ লগত এই শান-টিৰ বৰ বিশেষ একো ডিফাৰেন্স নাই। আছামত বহু টী গাৰ্ডেন আছে। গাৰ্ডেনৰ সেই টী লৈ যোৱা হয় বেংগললৈ আৰু তাতেই বিক্ৰী কৰি থৈ অহা হয়। এই টীৰ পৰা আছামৰ কিমান প্ৰফিট হয়, সেয়া কোনেও নাজানে। একেদৰে এন ইত জন্ম পোৱা শান-টিও লৈ যোৱা হয় দিল্লীৰ নৰ্থ ব্লকলৈ। তাত শান-টিৰ দৰ-দাম চলে, কিনা-বেচা চলে আৰু সকলোখিনি হৈ যোৱাৰ পাছত এন ইলৈ ওভতাই পঠিওৱা হয়। প্ৰচাৰ কৰি দিয়া হয় যে এন ইত বহু বেছি শান্তি আছে আৰু সেইখিনি কন্ট্ৰ'ল কৰিবলৈ আৰ্মি লগা হৈছে। এই উভৈনদী হৈ পৰা শান্তিখিনিক কন্ট্ৰ'লত ৰাখিবলৈ আৰ্মিক স্পেচিয়েল পাৱাৰ দিবই লাগিব। স্পেচিয়েল পাৱাৰ দিবলৈ আকৌ স্পেচিয়েল আইনো লাগিব। আইনখনৰ নামকৰণ কৰোতেও অলপ টান নাম দিয়া হৈছে, যাতে সহজতে ইয়াৰ বাতিলৰ দাবীত শ্ল'গান গাব নোৱাৰে। নামটো কি? আফস্পা। ধ্যুৰ! ইমান টান নাম উচ্চাৰণ কৰি দাঁত ভাঙিব নোৱাৰিতো!

কিন্তু এন ইৰ বহুতে গৈ এইবাৰ দিল্লীৰ বাদশ্বাহক কৈছে যে আছাম টি, গোলাঘাট টিৰ দৰে শান টিও চলি থাকিব। তাৰ বাবে আৰ্মি নালাগে। আফস্পা নালাগে। বাদশ্বাহে লগে লগে ক'লে— 'লগাত লাগিব। পটককৈ বাতিল কৰি দিব নোৱাৰিতো!' এন ইৰ পৰা যোৱাখিনিয়ে বুজালে যে কৃষি কানুন বাতিল কৰিব পাৰিছে যদি আফস্পা কিয় নোৱাৰিব? বাদশ্বাহে এইবাৰ আশ্বাস দিলে— 'বাতিল কৰিম বুলি নকওঁ। কিন্তু নাকী লগাম। এইবোৰত বহু ইল্লিগেল কাম চলে বুলি মই খবৰ পাইছো। তেনে কাম কৰা বুলি খবৰ পালে চিধাচিধি লাইচেন্স কেন্সেল হ'ব? আমাৰ চেলুনকেইখন থাকিলেও কাম চলি যাব!' এন ইৰখিনিয়ে হতভম্ব হৈ বাদশ্বাহক ক'লে— 'জাহাপনা, আপুনি কিহৰ কথা কৈছে?' বাদশ্বাহে উত্তৰ দিলে— 'মই স্পাবোৰৰ কথা কৈছো! এই চেলুনৰ লগত যে থাকে 'স্পা এণ্ড চেলুন'। তোমালোকৰ এই আফস্পাৰ বিৰুদ্ধেও লিগেল একচন লোৱা হ'ব।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম দৈনন্দিন

# 'শীতল পানীয়' আৰু এগৰাকী মহিলাৰ জীৱন সংগ্ৰাম

## পথিকৰ ক্লান্ত শৰীৰৰ তৃষ্ণা দূৰ কৰি পৰিয়াল পোহপাল দি আহিছে চুমি অধিকাৰীয়ে



**ক'ভিডসৃষ্ট** পৰিৱেশে সমাজ জীৱনলৈ কঢ়িয়াই অনা চৰম প্ৰত্যাহ্বানক নেওচি সাম্প্ৰতিক সময়ত বহুজনেই কঠোৰ সংগ্ৰামৰ মাজেৰে কিদৰে জীৱন যুদ্ধত অৱতীৰ্ণ হৈছে সৰ্বজনবিদিত। কঠোৰ পৰিশ্ৰমৰ মাজেৰে জীৱন সংগ্ৰাম ব্ৰতী হোৱা তেনে এগৰাকী মহিলা হ'ল মহানগৰীৰ চুমি অধিকাৰী। ৪৩ বছৰীয়া এইগৰাকী মহিলাই মেঘদূত ভৱনৰ সমীপত কে'বাবিধো ফলৰ ৰস তথা চৰ্বত প্ৰস্তুত কৰি বাটৰুৱাৰ তৃষ্ণা নিবাৰণৰ জৰিয়তে উপাৰ্জনৰ পথ প্ৰশস্ত কৰি আহিছে। ফটাশিল আমবাৰীৰ নিবাসী চুমিয়ে যোৱা প্ৰায় ছটা বছৰ এই ব্যৱসায়ৰ লগত জড়িত হৈ দৈনিক উপাৰ্জনৰ জৰিয়তে চাৰিজনীয়া পৰিয়ালটো পোহপাল দি আহিছিল যদিও ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে দীৰ্ঘসময় এই ব্যৱসায় বন্ধ হৈ পৰাত পৰিয়ালটোলৈ এক অমানিশা নামি আহিছিল বুলি সদৰী কৰে। উল্লেখ্য যে বছৰৰ ১২ মাহেই চৰ্বত ব্যৱসায় কৰা চুমিয়ে নেমু, তেতেলি, থেকেৰা, পদিনা, তোকমা, আম পান্নাৰ আদি চৰ্বত প্ৰস্তুত কৰি দৈনিক দুই শতাধিক বাটৰুৱাৰ ক্লান্ত শৰীৰৰ তৃষ্ণা দূৰ কৰি আহিছে আৰু দীৰ্ঘদিন বন্ধ হৈ পৰা ব্যৱসায় পুনৰ আৰম্ভ কৰিছে। স্বামী নিমাই অধিকাৰীয়ে সময়ে সময়ে চুমিক ব্যৱসায়ত সহযোগিতা কৰি অহাৰ সমান্তৰালভাৱে একমাত্ৰ পুত্ৰই ইতিমধ্যেই স্নাতক সম্পূৰ্ণ কৰাৰ উপৰি কন্যা ৰিহাবাৰীৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত অধ্যয়নৰত বুলি সদৰী কৰে। মেঘদূত ভৱনৰ সমীপত 'অধিকাৰী শীতল পানীয়' নামৰ চুমীৰ তৃষ্ণা নিবাৰণৰ এই বিপণী অঞ্চলটোৰ প্ৰতিজন পথিকৰে এক চিনাকি নাম আৰু সম্পূৰ্ণ ঘৰুৱাভাৱে তৈয়াৰী এই চৰ্বতে সকলোৰে আকৰ্ষণৰ বিন্দু হৈ পৰে। এই ব্যৱসায়ৰ জৰিয়তে চুমিয়ে দৈনিক পাঁচ-ছশটকা উপাৰ্জন কৰিবলৈ সক্ষম হয় বুলি সদৰী কৰি সুখী বুলি উল্লেখ কৰি মহানগৰীত এনে ব্যৱসায়ৰ জৰিয়তে এটা সৰু পৰিয়াল সুন্দৰভাৱে চলিবলৈ সক্ষম হয় বুলি কয়। উল্লেখ্য যে কামৰ কোনো সৰু-বৰ বিচাৰ নকৰি চুমিয়ে আৰম্ভ কৰা এই ব্যৱসায়ত সম্প্ৰতি সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি কয়, 'প্ৰথমাৱস্থাত ৫০-৬০ জন গ্ৰাহকৰ জৰিয়তে মই এই ব্যৱসায় আৰম্ভ কৰিছিলো। কে'বা মাহো এনেদৰে ব্যৱসায় চলি থকাৰ পাছত লাহে লাহে গ্ৰাহকৰ সংখ্যা বৃদ্ধি হৈছিল। জিলা উপায়ুক্ত কাৰ্যালয়, আদালতলৈ অহা বহুজন কৰ্মচাৰী-বিষয়া আজিৰ দিনত নিয়মীয়া গ্ৰাহক। সেয়ে মই ক'ব বিচাৰো যে কৰ্মক্ষেত্ৰত ধৈৰ্যই মূল কাৰক। ব্যৱসায়ত কেতিয়াবা লাভ-লোকচান থাকেই। প্ৰত্যেক ব্যক্তিয়েই জীৱনত প্ৰত্যাহ্বানৰ সন্মুখীন হয় আৰু প্ৰত্যাহ্বানৰ লগত মোকাবিলা কৰিবলৈ সক্ষম হোৱা জনেহে জীৱনৰ অৰ্থ লাভ কৰিবলৈ সক্ষম হয়।' উল্লেখ্য যে ভাগৰুৱা পথিকৰ ক্লান্ত শৰীৰে চৰ্বত, ফলৰ ৰস নাইবা ৰং-বিৰঙী আইচক্ৰীম দেখিলেই মনবোৰ ঢাপলি মেলে আৰু বৰ্তমান সময়ত বজাৰৰ ৰং-বিৰঙী শীতল পানীয়ৰ সমান্তৰালভাৱে থলুৱা বতৰৰ ফলমূলৰ ৰস আৰু এইবোৰৰ পৰা প্ৰস্তুত কৰা সুস্বাদু পানীয়ইও মহানগৰীত বিশেষ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে।

■ **ৰন্টু নেওগ**



# শিৱসাগৰত পৰম্পৰাগত সাজেৰে দুই শিপিনীয়ে দেখুৱাইছে স্বাৱলম্বিতাৰ আদৰ্শ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১০ ডিচেম্বৰ ঃ** শিৱসাগৰৰ এগৰাকী উদ্যোগী মহিলা বন্দনা কৌশিক বৰদলৈয়ে তাঁতশালত সপোন ৰচি স্বাৱলম্বিতাৰ আদৰ্শ দেখুৱাইছে। শিৱসাগৰ নগৰৰ আমোলাপট্টিৰ শংকৰদেৱ নগৰৰ নিবাসী বন্দনাৰ নেতৃত্বত 'পাহি টেক্সটাইল' নামেৰে এটা ক্ষুদ্ৰ উদ্যোগ গঢ় লৈ উঠিছে। কে'বাগৰাকী মহিলাক সংস্থাপন দিয়া বন্দনাই উল্লেখ কৰা মতে, কৰ'নাকালৰ আগে আগে ২০২০ত এই উদ্যোগটো আৰম্ভ কৰি তেওঁ বহু বিপৰ্যয়ৰ সন্মুখীন হৈছিল। কিন্তু তলাবন্ধ, অৰ্থনৈতিক মন্দাৱস্থা আদি সকলোৰে বিৰুদ্ধে যুঁজ দি নিজৰ লগতে বহুতো মহিলাক স্বাৱলম্বী কৰিবলৈ তেওঁ সক্ষম হৈছে। 'পাহি টেক্সটাইল' নামৰ প্ৰতিষ্ঠানটোত গামোচা, চাদৰ-মেখেলা আদি পৰম্পৰাগত সাজ-পোছাক প্ৰস্তুত কৰা হয় যদিও গ্ৰাহকৰ চাহিদাৰ তাগিদাত শাৰী, পৰ্দা, কুচন কভাৰ, বিছনা ক'ভাৰ আদিও বিভিন্ন থলুৱা আৰু আধুনিক সাঁচত ৰাইজৰ মাজলৈ আগবঢ়াইছে। নিৰ্ভেজাল সূতা আৰু এশ শতাংশ হাতৰ কৰ্মৰ ওপৰত প্ৰতিষ্ঠিত তেওঁলোকৰ উৎপাদনে ৰাইজৰ পৰা সঁহাৰিও লাভ কৰিছে। মহিলাগৰাকীয়ে কয় যে বৰ্তমানৰ আধুনিক যন্ত্ৰ-পাতিৰে জাকজমকীয়া বিভিন্ন প্ৰকাৰৰ কাপোৰ বৈ কম দামত বজাৰত দিব পৰা হোৱাত হাতে বোৱা কাপোৰ বিপৰ্যয়ৰ মুখত পৰিছে। ফলত শিপিনীসকল আৰ্থিক দিশত অসুবিধাৰ সন্মুখীন হৈ আহিছে। বেনাৰস, চেন্নাই আদি ঠাইৰ পৰা ভেজাল আৰু মিশ্ৰিত সূতাৰে পাৱাৰলুমত উৎপাদন কৰা কাপোৰেৰে বজাৰ ভৰি পৰাত আৰু কম দামতে উপলব্ধ হোৱাত থলুৱা উৎপাদন সংকটৰ সন্মুখীন হোৱাৰ লগতে অসমীয়া শিপিনী আয়ৰ পৰা বঞ্চিত হোৱা বুলিও কয় মহিলাগৰাকীয়ে। আনহাতে, ১৯৮৫ৰ টেক্সটাইল আইন অনুসৰি অসমীয়া পৰম্পৰাগত সাজ-পোছাক পাৱাৰলুমত উৎপাদন কৰাত নিষেধাজ্ঞা আছে যদিও অসমৰ বস্ত্ৰ তাঁত হস্তশিল্প বিভাগৰ গাফিলতিৰ বাবে বাহিৰৰ পৰা অহা পাৱাৰলুম সামগ্ৰীয়ে অসমৰ বজাৰ ভৰি পৰাৰ অভিযোগ উত্থাপন কৰি বন্দনাই কয় যে অসমীয়া শিপিনীসকলৰ কথা চিন্তা কৰি অসম চৰকাৰ আৰু বস্ত্ৰ তাঁত হস্তশিল্প বিভাগে যদি বাহিৰৰ পৰা অহা পাৱাৰলুম উৎপাদিত সামগ্ৰীত বাধা-নিষেধ আৰোপ কৰে তেন্তে অসমীয়া শিপিনীয়ে উৎপাদনৰ লগতে বজাৰো দখল কৰিব পাৰিব। ইফালে, জিলাখনৰ এম আই বড়া পথৰ দুই নম্বৰ সেউজ নগৰৰ প্ৰতিভা শইকীয়া চুতীয়া নামৰ আন এগৰাকী উদ্যমী মহিলাইও 'এনি টেক্সটাইল' নামৰ নিজে গঢ়া প্ৰতিষ্ঠানটোৰ যোগেদি বহুতো শিপিনীক সংস্থাপন দিয়াৰ লগতে উন্নত মানৰ কাপোৰ উৎপাদন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। উক্ত প্ৰতিষ্ঠানটোত মহিলাগৰাকীয়ে নিৰ্ভেজাল পাট-মুগা, নুনী আৰু টচ সূতাৰ চাদৰ-মেখেলা তথা গামোচা বৈ উলিয়াই স্বাৱলম্বিতাৰ নিদৰ্শন দেখুৱাইছে। এইগৰাকী মহিলাই অনলাইন মাৰ্কেট আৰু ৰাজ্যৰ বাহিৰৰ প্ৰতিষ্ঠানে অসমৰ থলুৱা শিপিনী তথা বস্ত্ৰ উদ্যোগটোলৈ ভাবুকি কঢ়িয়াই আনিছে বুলি কয়। তাৰ মাজতো নিৰ্ভেজাল কাপোৰৰ চাহিদা এতিয়াও শেষ হৈ যোৱা নাই বুলি মন্তব্য কৰি তেওঁ কয় যে থলুৱাভাৱে উৎপাদিত অসমীয়া পৰম্পৰাগত কাপোৰৰ মৰ্যাদা আৰু গৰিমা বহিৰাগত ব্যৱসায়ীয়ে কেতিয়াও লাভ কৰিব নোৱাৰে।



*বেংকিং আইন(সংশোধনী)ৰ বিৰোধিতাৰে বেংক ইউনিয়নৰ অৱস্থান ধৰ্মঘট, মহানগৰীত শুকুৰবাৰে।*

# চাৰি কেজি ওজনৰ বাকচ প্ৰেৰণ কৰি আমন্ত্ৰণ

## বিয়া পাৰ হোৱাৰ পাছতো চৰ্চাত আমন্ত্ৰণী পত্ৰ

**নিউজ ব্যুৰ'**
**গান্ধীনগৰ, ১০ ডিচেম্বৰ ঃ** সন্তানৰ বিয়া ধুমধামেৰে পাতিবলৈ সকলো পিতৃ-মাতৃৰে আকাংক্ষা থাকে। সকলো পিতৃ-মাতৃয়েই বিচাৰে যাতে সন্তানৰ বিবাহ উৎসৱ সকলো অভ্যাগতৰ দীৰ্ঘদিনলৈ মনত থাকে। অৱশ্যে গুজৰাটৰ এজন ব্যৱসায়ীয়ে পুত্ৰৰ বিবাহ স্মৰণীয় কৰি ৰখাৰ বাবে যি কাণ্ড কৰিলে, সেয়া দেখি বহুতৰে চকু কপালত উঠিছে। কাৰণ ব্যৱসায়ীজনে আত্মীয় তথা ঘনিষ্ঠজনলৈ বিয়াৰ নিমন্ত্ৰণী পত্ৰ প্ৰেৰণ কৰিলে বাকচত ভৰায়।

গুজৰাটৰ ব্যৱসায়ী মৌলেশভাই উকানিয়ে নিমন্ত্ৰণী পত্ৰ ভৰাই অতিথিলৈ প্ৰেৰণ কৰা বাকচটোৰ ওজন হৈছে চাৰি কেজি ২৮০ গ্ৰাম। যোৱা ১৪ নৱেম্বৰত ব্যৱসায়ীজনৰ পুত্ৰ জয় উকানিৰ স'তে সোণালবেন উকানিৰ বিবাহ সম্পন্ন হয়। সেই বিবাহৰ তিনি সপ্তাহৰ পাছতো অভ্যাগতসকলৰ আলোচনাৰ বিষয়বস্তু হৈ আছে সেই গুলপীয়া বাকচত ভৰোৱা নিমন্ত্ৰণী পত্ৰখন। সেই বাকচৰ ভিতৰত ৰখা হৈছিল আন চাৰিটা সৰু আকৃতিৰ বাকচ। তাত আছে কাজুবাদাম, পিস্তা, কিছমিছ আৰু চকোলেট। তাৰ লগত দিয়া হৈছে সাত পৃষ্ঠাযোৱা বিয়াৰ নিমন্ত্ৰণী পত্ৰ। সেই প্ৰতিটো বাকচৰ মূল্য হৈছে সাত হেজাৰ টকা। উল্লেখ্য যে কেৱল বিয়াৰ কাৰ্ডৰ বিলাসেই নহয়, ব্যৱসায়ীজনে পুত্ৰৰ বিয়া আয়োজন কৰিছিল উমায়েদ ভৱন পেলেচত। উমায়েদ ভৱন পেলেচ হৈছে দেশৰ সবাতোকৈ ব্যয়বহুল হোটেলসমূহৰ অন্যতম। হোটেলখনত প্ৰতি নিশাৰ বাবদ খৰচ হয় দুই-তিনি লাখ টকা। আনহাতে, এক প্লেট খাদ্যৰ দাম ১৮ হেজাৰ টকা।



# ফুলৰ খেতিৰে জীৱন নিৰ্বাহ কুসুমবিল গাঁৱৰ অৰ্ধশতাধিক পৰিয়ালৰ

**অগ্ৰদূত বাৰ্তা**
**ফকিৰাগ্ৰাম, ১০ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ভাওৰাগুৰী ৰাজহ চক্ৰৰ কুসুমবিল গাঁওখনৰ বিশেষ পৰিচয় আৰু বিশেষত্বও আছে। গাঁওখন এক নম্বৰ আৰু দুই নম্বৰ দুটা খণ্ডত বিভক্ত। ইয়াৰ ভিতৰত দুই নম্বৰ কুসুমবিল গাঁওখন ফুলৰ খেতি বাবে বিখ্যাত। আন শস্যৰ দৰে গাঁৱৰ পৰিয়ালসমূহে বিঘাই-বিঘাই ফুলৰ খেতি কৰে। দেশ-বিদেশৰ ফুল আৰু গছ পুলিৰ সমাহাৰ গাঁওখনত।



গাঁওখনৰ অৰ্ধশতাধিক পৰিয়ালে ফুল খেতি কৰি জীৱন নিৰ্বাহ কৰি আছে। গাঁওখনৰ অন্যান্য ফুল খেতিয়কৰ দৰে নিৰঞ্জন বৰ্মনে চাৰি বিঘাৰ অধিক ফুল খেতি কৰিছে। ইয়াত ডালিয়া, গেলেডুলাছ, পিটনিয়া, এছটা, চন্দ্ৰমল্লিকা, মেৰী গোল্ড, জিনীয়া, চেলচিয়া, বাটাৰ ফ্লাই, ৰক্ত গেন্ধা আদি ফুল আৰু গছপুলি আছে। এই ফুলৰ লগতে গছপুলিসমূহ ধেমাজি, গুৱাহাটী, বাংলাদেশ, ভূটান, পশ্চিমবংগলৈ সৰবৰাহ কৰি আহিছে। ফুলৰ খেতি কৰি স্বাৱলম্বী হৈছে গাঁওখনৰ খেতিয়কসকল। ফুল খেতিৰ ওপৰতে নিৰ্ভৰশীল গাঁওখনৰ পৰিয়ালসমূহ। কিন্তু দেশে স্বাধীনতা লাভৰ ৭৫ বছৰ পাছতো ফুল খেতিয়কসকলৰ প্ৰতি নপৰিল সুদৃষ্টি। ফুলৰ খেতিয়কসকলো ফুল বিক্ৰী কৰিবলৈ গ'লে বজাৰসমূহত বিভিন্ন ধৰণৰ ককৰ্থনাৰ সন্মুখীন হ'বলগীয়াও হয়। সেইবাবে এই ফুল খেতি কৰা কৃষকসকলোৰ সুবিধাৰ বাবে বজাৰত নিৰ্দিষ্ট ঠাইৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰক দাবী জনাইছে।

# পক্ষী চাবলৈ ভিৰ দেশৰ ভিন্ন প্ৰান্তৰ পক্ষীবিদৰ

# তালাপৰ লাইনাত বিৰল প্ৰজাতিৰ পক্ষীৰ আবিৰ্ভাৱ

**অগ্ৰদূত বাৰ্তা**
**তালাপ, ১০ ডিচেম্বৰ ঃ** বিচিত্ৰ প্ৰাণীৰ আৱাসভূমি অসমত কেৱল এশিঙিয়া গঁড়, সোণালী বান্দৰ, বন ঘৰচীয়া ঘোঁৰা, দেওহাঁহ আদিয়েই নহয় অন্যান্য পশু-পক্ষীৰো আৱাস ভূমি। এনে সত্যক প্ৰতীয়মান কৰিয়েই তিনিচুকীয়া জিলাৰ তালাপৰ লাইনা গাঁৱত আবিৰ্ভাৱ ঘটিছে বিৰল প্ৰজাতিৰ এক 'ইষ্টাৰ্ণ গ্ৰাছ আউল নামৰ চৰাই। এই প্ৰজাতিৰ পক্ষীবিধৰ বিষয়ে জানিব বিচাৰি কেইগৰাকীমান সাংবাদিকে উপস্থিত হৈছিল লাইনা গাঁৱৰ কাষেৰে বৈ যোৱা ডিব্ৰু নদীৰ পাৰৰ এক উলুৱনিৰ চাপৰিত। তাত লগ পোৱা হৈছিল ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত পক্ষী 'গাইড' কৰ্মৰত উদীয়মান যুৱক অপূৰ্ব সোণোৱালক। অপূৰ্বই জানিবলৈ দিছিল সেই বিৰল প্ৰজাতিৰ ইষ্টাৰ্ণ গ্ৰাছ আউলৰ বৈজ্ঞানিক নাম- Tyto longimembris....Chinese grass owl বা Australian grass owl নামৰ ফেঁচাবিধৰ কথা। অপূৰ্বই আৰু জানিব দিয়া অনুসৰি যোৱা দুই অক্টোবৰত মোহন সোণোৱাল নামৰ লোক এজনৰ লগত অঞ্চলটোত পক্ষী নিৰীক্ষণ কৰিবলৈ যাওঁতে এক বিশেষ ঘাঁহনিত চৰাইবিধ দেখিবলৈ পাইছিল। প্ৰধানকৈ বিৰল প্ৰজাতিৰ ফেঁচাবিধ এছিয়াৰ প্ৰাচ্য, দাক্ষিণাত্য আৰু দক্ষিণ-পূবৰ দেশসমূহ বিশেষকৈ ফিলিপাইন, ইণ্ডোনেছিয়া, চীন, ম্যানমাৰ, টাইৱান, লাওচ, কম্বোডিয়া, ভাৰত আদি দেশৰ লগতে নিউ গুণীয়া আৰু অষ্ট্ৰেলিয়াৰ নিবাসীৰূপে। যদিও ভাৰত তথা উত্তৰ-পূব ভাৰতৰ এই চৰাইবিধ স্থানীয় নিবাসী তথাপি এই চৰাইবিধ অসমত ক'তো পোৱাৰ তথ্য নাই। ভাৰতৰ অন্য ৰাজ্যৰ ভিতৰত কেৱল মণিপুৰতহে এই চৰাইবিধ দেখিবলৈ পোৱা যায়। সেই আপুৰুগীয়া আৰু বিৰল প্ৰজাতিৰ 'ঘাঁহনি ফেঁচা' বিধ অসমৰ তিনিচুকীয়া জিলাৰ লাইনা গাঁও আৰু বন ঘৰচীয়া ঘোঁৰাৰ বাবে পৃথিৱী বিখ্যাত ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ উলুৱনিৰ মাজত প্ৰত্যক্ষ কৰি পক্ষী গাইড অপূৰ্ব বিস্মৃত হৈ পৰে। প্ৰথমে উমনি লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰাৰ পাছত বিৰল প্ৰজাতিৰ ফেঁচাযোৰে যাতে কোনো কষ্ট নোপোৱাকৈ পোৱালি জগাব পাৰে তাৰ বাবে অপূৰ্ব আৰু মোহন সোণোৱালে কাকোকেই জানিবলৈ নিদিলে। যথা সময়ত যোৱা ২৭ নৱেম্বৰত প্ৰজাতিটোৰ চাৰিটাকৈ



পোৱালি জন্ম পালে। পোৱালিকেইটাই যাতে কোনো কষ্ট নাপায় তাৰ বাবে অসম পৰ্যটন নিগমৰ স্বীকৃতিপ্ৰাপ্ত পক্ষী গাইড অপূৰ্ব, লাইনা গাঁৱৰ অপূৰ্ব সোণোৱালৰ সমন্ধত মোমায়েক মোহন সোণোৱাল আৰু বৈকুণ্ঠ সোণোৱালে চৰাইকেইটাক ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰে। দেখাত প্ৰায় লক্ষ্মী ফেঁচাৰ দৰেই। এই ঘাঁহনি ফেঁচাবিধৰ বিশেষত্ব এই যে ইয়াৰ মতা চৰাইটোহে কণীৰ উমনি দিয়ে আৰু গাৰ বৰণ বগা মুগা ধৰণৰ আৰু আকৃতি সৰ্বসাধাৰণ ফেঁচাতকৈ যথেষ্ট ডাঙৰ। পোৱালি কেইটা সম্প্ৰতি বাহৰ পৰা আঁতৰি গৈছে যদিও চৰাইযোৰাই বৰ্তমানেও আহাৰ যোগান ধৰি আহিছে। দিনৰ ভাগত নীৰৱ নিতাল হৈ থকা চৰাই যোৰা সন্ধিয়া প্ৰায় ৪-৪৫ বাজিলেই পোৱালি কেইটাৰ বাবে নিগনি, এন্দুৰ জাতীয় আহাৰ লৈ হাজিৰ হয়। ঘাইকৈ উলুৱনি আদিৰ দৰে ঘাঁহনিত বাহ সজা বাবেই হয়তো এই প্ৰজাতিৰ ফেঁচাবিধক ঘাঁহনি ফেঁচা বুলি কোৱা হয়। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ কেৱল মণিপুৰতে দৃশ্যমান হোৱা ঘাঁহনি ফেঁচাবিধ তিনিচুকীয়া জিলাৰ তালাপৰ লাইনা গাঁৱত আবিৰ্ভাৱ হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে আগমন ঘটিছে দেশৰ ভিন্ন প্ৰান্তৰ প্ৰকৃতিপ্ৰেমী তথা পক্ষীবিদৰ। লাইনা গাঁৱৰ প্ৰকৃতিপ্ৰেমী যুৱক বৈকুণ্ঠ সোণোৱালে জানিবলৈ দিয়া অনুসৰি বিৰল প্ৰজাতিৰ 'ঘাঁহনি ফেঁচা' চৰাইবিধ প্ৰত্যক্ষ কৰিবলৈ ইতিমধ্যে পঞ্জাৱ, গোৱা, মুম্বাই, হাৰিয়ানা, কলকাতা আদিৰ পৰা পৰ্যটক তথা পক্ষীবিদৰ আগমন ঘটিছে। যোৱা পাঁচ ডিচেম্বৰৰ নিশাৰ ভাগতো সুদূৰ কলকাতা, গুৱাহাটী আদিৰ পৰা অহা পুৰুষ-মহিলাসহ পাঁচগৰাকী লোকে নিৰ্জন উলুৱনিৰ মাজত নিশাৰ আন্ধাৰত ডাঙৰ ডাঙৰ কেমেৰা লৈ বহি থকা প্ৰত্যক্ষ কৰা পৰিলক্ষিত হয়। জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া এই লাইলা গাঁৱৰ দাঁতিত অন্যান্য বিভিন্ন প্ৰজাতিৰ ভাটৌ, হৰ্ণবিল ক্ৰমাৎ লুপ্ত হ'বলৈ ধৰা বিহুগীতত বিৰাজমান হয়কলি চৰাই আদিৰ উপৰি ব্ৰাষ্টেট পেৰটবিল, নল গাহৰি, মাৰ্চ বেবলাৰ, জৰ্ডান বাবলাৰ, চুৰাম প্ৰিনিয়া, বেংগল ফ্ল'ৰেঞ্চ, চুৰাম ফ্ৰেংকলিন ইত্যাদিকে ধৰি বহুত সংখ্যক দেশী-বিদেশী পক্ষীৰ মুক্ত বিচৰণ স্থলি এই লাইনা অঞ্চল। চৰকাৰ তথা অসম পৰ্যটন নিগমে এই অঞ্চলটোক গুৰুত্ব প্ৰদান কৰি পৰ্যটকৰ বাবে সুব্যৱস্থা গঢ়ি তুলিলে অসম পৰ্যটন ক্ষেত্ৰখনক এক সুকীয়া মাত্ৰা দি এক নতুন দিগন্তৰ সূচনা কৰিব বুলি প্ৰকৃতিপ্ৰেমী পৰ্যটকসকলে মতপোষণ কৰিছে।

**অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com